www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আন্ধাৰ যিমান গভীৰ হ'ব, প্ৰভাতো সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা অন্ধকাৰে আবৰি ধৰিলেও ভয় নকৰিবা, পোহৰ হ'বই। - জ্যোতি প্ৰসাদ আগৰৱালা

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

সপ্তম বছৰ | সংখ্যা - ৬ | বৃহস্পতিবাৰ | ৮ জানুৱাৰী, ২০২৬ চন | ২৩ পুহ, ১৯৪৭ শক | VOL - 7 | NO.- 6 | Thursday | 8th January, 2026 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

একতা আৰু সমন্বয় বজাই ৰাখি সাৱধান হোৱাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

# অসমত হঠাৎ সক্ৰিয়তা বৃদ্ধি মৌলবাদী শক্তিৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ জানুৱাৰী ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত অসমত মৌলবাদী শক্তিৰ তৎপৰতা হঠাৎ বৃদ্ধি পোৱাৰ আশংকা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নিৰ্বাচনলৈকে এই সক্ৰিয়তা অব্যাহত থাকিব পাৰে বুলি মন্তব্য কৰি তেওঁ ৰাজ্যৰ সকলো নাগৰিকক একতা আৰু সমন্বয় বজাই ৰাখি সাৱধানে থাকিবলৈ আহ্বান জনাইছে। লগতে ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াক স্বাভাৱিক আৰু সাংবিধানিক বুলি অভিহিত কৰি বিৰোধীৰ ভোট চুৰিৰ অভিযোগ খাৰিজ কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। বুধবাৰে লখিমপুৰ জিলাৰ ঢকুৱাখনাত বিভিন্ন হিতাধিকাৰী আঁচনিৰ ধনৰ চেক বিতৰণ অনুষ্ঠানৰ অন্তত সাংবাদিকৰ সৈতে মত ৬ পৃষ্ঠাত



অজাপ সভাপতি লুৰিণজ্যোতি গগৈৰ প্ৰতিক্ৰিয়া

## দিলীপ শইকীয়াৰ মাইণ্ডচেট অসমবাসীৰ বাবে ভয়াৱহ !



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** অসম বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ মাইণ্ডচেটক 'অসমবাসীৰ বাবে ভয়াবহ' বুলি কৰা মন্তব্যৰ পিছতে তীক্ষ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদৰ (অজাপ) সভাপতি লুৰিণজ্যোতি গগৈয়ে। কাজিৰঙাৰ কহঁৰাত পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তি অসমৰ কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকি লুৰিণজ্যোতি ৬ পৃষ্ঠাত

অসমৰ ৰাইজ ৩ গগৈৰ পৰা সাৱধান হওক

## অখিল গগৈয়ে দিয়া তথ্যৰ ৫ পইচাৰো দম নাই

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ জানুৱাৰী ঃ** শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে অসম বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে উত্থাপন কৰা গুৰুতৰ ৬ পৃষ্ঠাত



"আমাৰ বিষয়ববীয়াই সামাজিক মাধ্যমত দিয়া ফটো অখিল গগৈয়ে দিছে"

## কংগ্ৰেছৰ ষড়যন্ত্ৰৰ সত্ত্বেও ২০৪৭লৈকে হ'ব বিকশিত ভাৰত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ জানুৱাৰী ঃ** অসম প্ৰদেশ বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখনি সংবাদমেলত প্ৰদেশ সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় চৰকাৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় ৬ পৃষ্ঠাত

কথমপি প্ৰাণ ৰক্ষা পৰিল বিধায়কজনৰ

## ঘন কুঁৱলীৰ বাবে ম'হৰ জাকত খুন্দা ৰূপজ্যোতি কুৰ্মীৰ বাহনৰ






**অসম বাৰ্তা, মৰিয়নি, ৭ জানুৱাৰী ঃ** মঙ্গলবাৰে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী এক ভয়ংকৰ পথ দুৰ্ঘটনাৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে। নিশা প্ৰায় ১: ৩০ বজাত যোৰহাট-মৰিয়নি পথৰ পুখুৰীয়া গাঁৱত এই শোচনীয় দুৰ্ঘটনাটো সংঘটিত হয়। ঈশ্বৰৰ কৃপাত বিধায়কগৰাকীৰ ৬ পৃষ্ঠাত

শিলচৰ চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ পুৰকায়স্থৰ

## প্ৰবীণ বিজেপি নেতা, প্ৰাঃ কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান



আজি সম্পন্ন হ'ব অন্ত্যেষ্টিক্ৰিয়া; ৰাষ্ট্ৰীয় মৰ্যাদাৰে শিলচৰৰ শ্মশান ঘাটত সম্পন্ন হ'ব শেষকৃত্য

**ষ্টাফ ৰিপৰ্টাৰ, শিলচৰ, ৭ জানুৱাৰী ঃ** অসমৰ ৰাজনৈতিক জগতত এক গভীৰ শোকৰ ছায়া নামি আহিছে। ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) প্ৰবীন নেতা, অসম বিজেপিৰ অন্যতম স্থাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান ঘটিছে। বুধবাৰে বিয়লি প্ৰায় ৫টা বজাত শিলচৰ ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া নিৰীক্ষণ কৰিবলৈ বিশেষ আইনী দল গঠনৰ সিদ্ধান্ত কংগ্ৰেছৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াত চৰকাৰৰ ভূমিকা লৈ গভীৰ সন্দেহ প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ৬ পৃষ্ঠাত

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সপ্তম পক্ষী গণনা আৰম্ভ

**অসম বাৰ্তা, কাজিৰঙা, ৭ জানুৱাৰী ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তম পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পুব ৭ পৃষ্ঠাত

২০২৬ৰ ১ এপ্ৰিলৰ পৰা প্ৰথম পৰ্যায় আৰম্ভ

## ২০২৭ চনৰ লোকপিয়লৰ সময়সূচী ঘোষণা কেন্দ্ৰৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পেলাই কেন্দ্ৰীয় চৰকাৰে দেশৰ পৰৱৰ্তী লোকপিয়লৰ বিস্তৃত সময়সূচী ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জাৰি কৰা এক অধিসূচনা অনুসৰি, ২০২৭ চনৰ ভাৰতীয় লোকপিয়ল দুটা মূল পৰ্যায়ত সম্পন্ন ৬ পৃষ্ঠাত



ছুকমা জিলাত নিৰাপত্তা বাহিনীৰ বৃহৎ সাফল্য

## ছত্তিশগড়ত ৭ গৰাকী মহিলাসহ ২৬ জন হাৰ্ডক'ৰ মাওবাদীৰ আত্মসমৰ্পণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** ছত্তিশগড়ৰ মাওবাদী অধ্যুষিত ছুকমা জিলাত নিৰাপত্তা বাহিনীয়ে আজি এক বৃহৎ সাফল্য লাভ কৰিছে। জিলাখনৰ আৰক্ষী অধীক্ষক কিৰণ চাৱনৰ উপস্থিতিত ৭ গৰাকী মহিলা কেডাৰকে ধৰি মুঠ ২৬জন হাৰ্ডক'ৰ নক্সালবাদীয়ে আনুষ্ঠানিকভাৱে আত্মসমৰ্পণ কৰি মূলসুঁতিৰ ৭ পৃষ্ঠাত

## সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ এটা ইউনিট কাৰ্যক্ষমৰ বিৰোধিতাৰে AJYCPৰ প্ৰতিবাদ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** অসমৰ উত্তৰাঞ্চলৰ বাবে মহা বিপৰ্যয়ৰ সমতুল্য বুলি দীৰ্ঘদিন ধৰি অভিহিত হৈ অহা নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ এটা ইউনিটৰ ৬ পৃষ্ঠাত



NRLৰ পৰা ২০২৬ৰ ডিচেম্বৰলৈ যোগান নিশ্চিত

## ভাৰতৰ পৰা ১.৮ লাখ টন ডিজেল আমদানিৰ সিদ্ধান্ত বাংলাদেশৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** চুবুৰীয়া দেশ বাংলাদেশে নিজৰ শক্তি খণ্ডৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তা পূৰণৰ লক্ষ্যৰে ৬ পৃষ্ঠাত

ন্যায়ৰ বাবে চৰকাৰে গঠন কৰিব পৰা নাই লোকঅধিবক্তাৰ দল

## জুবিন গাৰ্গৰ হত্যাকাণ্ড আৰু পৰৱৰ্তী চৰকাৰৰ ভূমিকাক লৈ অসন্তুষ্ট শিল্পী সমাজ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ জানুৱাৰী ঃ** প্ৰাণপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক যুঁজ তীব্ৰতৰ কৰাৰ দাবীত মুখৰ হৈছে অসমৰ চলচ্চিত্ৰ আৰু সংগীত জগত। বুধবাৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলচ্চিত্ৰ সমাজ অসম, গুৱাহাটী চিনে মিউজিচিয়ানচ ৬ পৃষ্ঠাত



## এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগ কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ জানুৱাৰী ঃ** ৰাজ্যত এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগ কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। আজি ৬ পৃষ্ঠাত



ভাৰততে T20 বিশ্বকাপ খেলিব লাগিব বাংলাদেশে

## মেচসমূহ ভাৰতৰ পৰা শ্ৰীলংকালৈ স্থানান্তৰিত কৰিবলৈ অনুৰোধ জনাইছিল বাংলাদেশে

**ক্ৰীড়া ডেস্ক, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** টি-২০ বিশ্বকাপৰ মেচসমূহ ভাৰতৰ পৰা স্থানান্তৰিত কৰিবলৈ আইচিচিক বাংলাদেশে অনুৰোধ জনাইছিল। ৬ পৃষ্ঠাত



### ছয়-সহস্ৰাধিক বিঘা কৃষিভূমিত কৃষকৰ সেউজ বিপ্লৱ

# বিহালী জিনজিয়াৰ একাংশ যুৱ কৃষকে আলু খেতিৰে সৃষ্টি কৰিছে আদৰ্শৰ

**অসম বাৰ্তা, বিহালী, ৭ জানুৱাৰী** ঃ বিশ্বনাথৰ জিনজিয়া ৰাজ্য খনৰ ভিতৰতে আলু খেতিৰ বাবে বিখ্যাত ব্যৱসায়িক ভিত্তিত কৰা কৃষিকৰ্মৰ ক্ষেত্ৰত জিনজিয়াৰ কৃষক সকল সদায়েই আগৰণুৱা আৰু এক আদৰ্শৰ পৰিচয় দি আহিছে। এটা সময়ত আনাৰস আৰু বাংলা পাণখেতিৰ বাবে খ্যাতি লাভ কৰা জিনজিয়াৰ খেতিয়ক সকলে যোৱা চাৰিটা দশক ধৰি ব্যৱসায় ভিত্তিত কৰি অহা আলু খেতিৰেও এক উল্লেখনীয় লাভৰ বাট মোকলাবলৈ সক্ষম হৈছে। এচিয়া মহাদেশৰ ভিতৰতে আলু খেতিত চীনদেশৰ পাছতে দ্বিতীয় শ্ৰেষ্ঠ দেশ ভাৰতবৰ্ষ। ৰাজ্যৰ আলুবজাৰৰ এক গুৰুত্বপূৰ্ণ অংশৰ চাহিদা পূৰণ কৰি অহা বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত জিনজিয়াৰ কৃষক সকল সম্প্ৰতি ব্যস্ত হৈ পৰিছে আলু খেতিত। ধান খেতিৰ পাছতে পথাৰৰ মাটি ছন পৰিবলৈ এৰি নিদি অঞ্চলটোৰ কৃষক সকলে একক প্ৰচেষ্টাৰে আলুখেতিত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। চৰকাৰী সা-সুবিধালৈ অপেক্ষা নকৰি জিনজিয়াৰ কৃষকে মাকৈকে ধৰি অনান্য কৃষি কৰ্মৰ লগতে মূলতঃ আলু খেতিত মনোনিবেশ কৰিছে। জিনজিয়া কল্যাণ ৰক্ষিত, দেৱী প্ৰসাদ শৰ্মা, পিকলু মিত্ৰ, সুক্ষেণ নন্দী, সুভাষ সাহা, প্ৰদীপ কুণ্ডু, মদন পাল, হেমন্ত দত্ত, পংকজ বৰা, জীৱন শৰ্মা, শ্যামল পাল, তাপস কুণ্ডু, তপন দাসকে ধৰি জিনজিয়াৰ লেখত ল'বলগীয়া প্ৰায় পচিশ গৰাকী উদ্যমী যুৱ কৃষকৰ লগতে কেইবাজনো শিক্ষিত নিবনুৱা যুৱকে আলু খেতিৰে স্বাৱলম্বী হোৱাৰ আদৰ্শ দাঙি ধৰিছে। অঞ্চলটোৰ দাঁতি কাষৰীয়া গাওঁ সমূহতো আলুখেতিৰ পৰম্পৰা বৃদ্ধি পোৱা দেখা গৈছে। বৃহৎ অঞ্চলটোৰ প্ৰায় ছয়হাজাৰ বিঘা কৃষিভূমিত আলুখেতিৰে সেউজ বিপ-ৱৰ সূচনা কৰা কৃষক সকলে ঘাইকৈ কুফ্ৰি-কোকৰাজ, কুফ্ৰিজ্যোতি, পোখৰাজ, হলেণ্ড, ভূটান-জ্যোতি আদি উন্নত জাতৰ আলুখেতি কৰে বুলি জানিব পৰা গৈছে। ইফালে শেহতীয়াকৈ যোৱা পাঁচ বছৰ ধৰি একাংশ আলু খেতিয়কে চিপচ্‌ৰ বাবে পেপছি, আই-টি-চি আদি কোম্পানীৰ লগত চুক্তিবদ্ধ হৈ ব্যৱসায়িক ভিত্তিত বহুল ভাবে আলু খেতিত মনোনিবেশ কৰা দেখা গৈছে। এনে চিপচ্‌ কোম্পানীয়ে চিপ্‌চ প্ৰস্তুত কৰিবৰ বাবে নিজাববীয়াকৈ যোগান ধৰা আই-টি-চি কোম্পানীৰ টি-চি-১১, টি-চি-৭৭, পেপচি কোম্পানীৰ এফ-চি-১১, সিদ্ধিবিনায়কৰ চাইৰাছ আদি বীজৰ আলু খেতিৰে অধিক লাভৰ বাট মোকলাবলৈ সক্ষম হৈছে। আলু খেতিয়ক সকলে প্ৰকাশ কৰামতে উন্নত জাতৰ আলু খেতিৰ ম্যাদ অত্যাধিক ৯০ দিন। এই ক্ষেত্ৰত কমদিনৰ ভিতৰতে এনে আলু খেতি চপাবলগীয়া হোৱা বাবে কৃষকৰ দায়বদ্ধতাও অধিক। খেতিয়ক সকলে বতৰৰ লগতে বিভিন্ন বেমাৰ-আজাৰৰ ওপৰতে এই খেতিৰ লাভ-লোকচান নিৰ্ভৰ কৰি চলিবলগাত পৰে। যদিও শেহতীয়াকৈ আলুৰ নিম্নগামী বজাৰ মূল্যই খেতিয়ক সকলক যথেষ্ট চিন্তিত কৰি তোলাও পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে ব্যৱসায়িক ভিত্তিত চুক্তিবদ্ধ আলুখেতিকৰ নিৰ্ধাৰিত প্ৰতি কেজিত ১২ টকা মূল্যৰ বিপৰীতে অনান্য খেতিয়কৰ বাবে সম্প্ৰতি প্ৰতি কেজিত ৯ টকা বজাৰ মূল্য নিৰ্ধাৰিত হৈ আছে। পৰৱৰ্তী সময়ত এই মূল্য হ্ৰাস পোৱাৰ সম্ভাৱনাই একাংশ কৃষকক হতাশ কৰাও দেখা গৈছে। সেউজ বিপ্লৱৰ সূচনাৰে স্ব-নিৰ্ভৰশীল হোৱাৰ দৃষ্টান্ত দাঙিধৰা কৃষক সকলে জিনজিয়াৰ আলুখেতিৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিব পৰা বিভিন্ন পদক্ষেপৰ বিষয়েও মতামত প্ৰকাশ কৰে। উল্লেখযোগ্য যে উৎপাদিত ফচল আৰু বীজ সংৰক্ষণৰ বাবে অঞ্চলটোত গঢ়ি উঠা শীতলঘৰে কৃষক সকলক যথেষ্ট সকাহ প্ৰদান কৰিছে। আনহাতে কৃষিভূমি ভাড়াত লৈ হ'লেও কৃষিকৰ্মত ব্যস্ত থকা কৃষক সকলে চৰকাৰে সহজলভ্য ঋণ তথা কৃষি বিভাগে প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিলে আৰু অধিক সফলতা বুটলিবলৈ সক্ষম হব বুলি আশা প্ৰকাশ কৰিছে।

# শিৱসাগৰ জিলাত গণৰাজ্য দিৱস উদ্‌যাপনৰ প্ৰস্তুতিমূলক বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৭ জানুৱাৰী** ঃ শিৱসাগৰ জিলাত আগন্তুক ২৬ জানুৱাৰীত দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস শান্তিপূৰ্ণ তথা সফলতাৰে উদ্‌যাপন কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। নৱ-নিযুক্ত জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত আয়োজিত এই বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে আগন্তুক গণৰাজ্য দিৱস শান্তিপূৰ্ণভাবে তথা সুচাৰুৰূপে উদযাপন কৰাৰ লক্ষ্যৰে বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে পুংখানুপুংখভাবে আলোচনা কৰি সংশ্লিষ্ট সকলোকে নিজ-নিজ কৰ্তব্য দায়িত্ব সহকাৰে পালন কৰি উক্ত অনুষ্ঠানৰ পূৰ্ণ সফলতাত সকলোৰে সহযোগিতা কামনা কৰে। বৈঠকত অংশগ্ৰহণ কৰি জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱাই তেওঁৰ বক্তব্যত গণৰাজ্য দিৱসৰ পূৰ্বে গ্ৰহণ কৰিবলগীয়া সুৰক্ষা তথা নিৰাপত্তা সম্পৰ্কীয় ব্যৱস্থাপনাৰ ওপৰত আলোকপাত কৰে। বৈঠকৰ আৰম্ভণিতে অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়াই গণৰাজ্য দিৱসৰ কাৰ্যবিৱৰণী পাঠ কৰে। ইয়াৰ পাছতে বৈঠকত গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানত পৰিবেশন কৰিবলগীয়া কাৰ্যসূচী সম্পৰ্কেও বিস্তৃতভাবে আলোচনা কৰা হয়। উল্লেখ্য যে গণৰাজ্য দিৱস উদ্‌যাপন কেন্দ্ৰীয় অনুষ্ঠানটি ঐতিহাসিক বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰা হ'ব। গণৰাজ্য দিৱসৰ মূল কাৰ্যসূচী মৰ্মে পুৱা ৫ বজাৰ পৰা ৬ বজালৈ প্ৰভাত ফেৰী; পুৱা ৬ বজাৰ পৰা ৭ বজালৈ দেশপ্ৰেমমূলক গীত-মাত প্ৰচাৰ; পুৱা ৭ বজাত নিজ-নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন; পুৱা ৭ঃ৩০ বজাত শিক্ষানুষ্ঠান, চৰকাৰী, বেচৰকাৰী, অৰ্ধ- চৰকাৰী কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন; পুৱা ৮ঃ২০ বজাত স্থানীয় পিয়লি ফুকন উদ্যান, আনন্দৰাম বৰুৱা উদ্যান আৰু ৱাৰ মেমাৰিয়েলত শ্বহীদ তৰ্পণ; পুৱা ৮ঃ৩০ বজাত সকলো বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে কেন্দ্ৰীয়ভাৱে পতাকা উত্তোলন যোগদান কৰিবলৈ অনুষ্ঠান থলীত সমবেত হ'ব; পুৱা ৯ বজাত বৰ্ডিং খেলপথাৰত আনুষ্ঠানিকভাবে মুখ্য অতিথিৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ লগতে আৰক্ষী, এনচিচি, স্কাউট আৰু গাইড, গৃহৰক্ষী বাহিনী, অৰ্দ্ধ-সামৰিক বাহিনী আদিৰ দ্বাৰা কুচকাৱাজ প্ৰৰ্দশন, অভিবাদন গ্ৰহণ, প্ৰতীক পট আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন; দিনৰ ১০ বজাৰ পৰা ১২ বজালৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ ৰোগী আৰু প্ৰসূতি সকলৰ মাজত ফল-মূল বিতৰণ, শিৱসাগৰ জিলা কাৰাগাৰৰ মহিলা কাৰাবন্দীসকলৰ মাজত নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ, বিভিন্ন আশ্ৰয় আৰু শিশু গৃহত ফল-মূল বিতৰণ; বিয়লি ২ বজাত জিলা প্ৰশাসন একাদশ আৰু প্ৰেছ একাদশৰ মাজত প্ৰীতি ক্ৰিকেট খেল আয়োজনৰ পাছত বিয়লি ৪: ৪০ বজাত জাতীয় পতাকা অৱনমন কৰা হ'ব। আজিৰ বৈঠকত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধি, অতিৰিক্ত জিলা আয়ুক্তদ্বয় লুকুমণি বড়া আৰু সোণতৃষ্ণা ঘৰফলীয়া, সহকাৰী আয়ুক্তসকল চন্দনা জাহ্নৱী, নিমাশ্ৰী ডাউকা, পৰিশ্মিতা দিহিঙ্গীয়া আৰু বিদিশা শইকীয়া, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন সামাজিক-সাংস্কৃতিক- শৈক্ষিক- ক্ৰীড়া সম্বন্ধীয় অনুষ্ঠান- প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ আৰু গৰিষ্ঠ সংখ্যক জ্যেষ্ঠ আৰু বিশিষ্ট নাগৰিক উপস্থিত থাকে।

# ৩০ জানুৱাৰী '২৬ৰ পৰা তিনিদিনীয়াকৈ কইনাকন্দা শিল নাট মহোৎসৱ

**অসম বাৰ্তা, ধৰমতুল, ৭ জানুৱাৰী** ঃ মৰিগাঁও জিলাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'শ্বলংকিৰি'ৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক 'কইনাকন্দা শিল নাট মহোৎসৱ' ভাগ আগন্তুক ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰী, ২০২৬ ত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব বঘৰাৰ সমীপৰ গলচেপা পাহাৰত। দিনৰ সূৰ্যৰ পোহৰত, সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত পৰিবেশন হ'ব ৬খন নাট। আজি গলচেপা মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। 'শ্বলংকিৰি'ৰ স্থায়ী সভাপতি ৰাতুল ভূঞাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত 'শ্বলংকিৰি'ৰ মুখ্য উপদেষ্টা বাবুল বৰাই মহোৎসৱৰ সামগ্ৰিক ৰূপৰেখা ডাঙি ধৰে। সভাত মৰিগাঁও জিলাৰ পাঁচখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষসকলে পৰামৰ্শ আগবঢ়ায়। উপস্থিত থাকে জিলা খনৰ কেইবাটাও নাট্য গোষ্ঠীৰ বিষয়ববীয়া। আগন্তুক তিনিদিনীয়া কাৰ্যসূচী সুপৰিচালনা বাবে দিগন্ত ডেকাক সভাপতি আৰু এডিচন দেউৰীক সম্পাদক হিচাপে লৈ এখন আয়োজক সমিতি গঠন কৰা হয়। আনহাতে কিংবদন্তি বঘৰা পাহাৰৰ কইনাকন্দা শিলৰ সমিপৰ গলচেপা পাহাৰৰ নৈসৰ্গিক পৰিৱেশত উপস্থাপন হ'ব লগা আটাইকেইখন নাট উপভোগ কৰিবলৈ মৰিগাঁৱৰ নাট্যপ্ৰেমী ৰাইজক শ্বলংকিৰিৰ মুখ্য উপদেষ্টা বাবুল বৰাই আমন্ত্ৰণ জনায়।

# নাজিৰাত প্ৰিমিয়াৰ লীগ চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ, সেউজ সংঘ জয়ী

**অসম বাৰ্তা, নামতি, ৭ জানুৱাৰী** ঃ অসম ক্ৰিকেট সন্থাৰ দ্বাৰা আয়োজিত অষ্টম অসম প্ৰিমিয়াৰ লীগ চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতা আজিৰ পৰা নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত নাজিৰা ক্ৰিকেট একাডেমীৰ সহযোগত অনুষ্ঠিত হৈছে। নাজিৰা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি আব্দুৰ ৰহমানে আঁতধৰা উদ্বোধনী অনুষ্ঠানত উপস্থিত হৈ পতাকা উত্তোলন কৰে অসম ক্ৰিকেট সন্থাৰ উপ-সভাপতি তথা জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰমেন দত্তই। নাজিৰ জিলা ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক প্ৰাক্তন সভাপতি তথা অৱসৰী অধ্যাপক তুলসী শেনচোৱাই প্ৰাণৰ শিল্পী - যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাপণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ পিছতে সংবাদসেৱী যদুমণি হাজৰিকাৰ কণ্ঠৰে মায়াবিনী গীত পৰিৱেশন কৰি প্ৰতিযোগিতা খনি শুভাৰম্ভ কৰে। জিলা ক্ৰীড়া সন্থাৰ সম্পাদক গোপাল গগৈকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি খেলুৱৈ সকলক উৎসাহিত কৰা পৰিলক্ষিত হয়। উদ্বোধনী মেচখন ন-মাটিৰ জাফ্ৰান ক্লাব আৰু নাজিৰাৰ সেউজ সংঘৰ মাজত অনুষ্ঠিত হয়। জাফ্ৰান ক্লাৱে টচত জিকি সেউজ সংঘক প্ৰথমে বেট ধৰাৰ সুযোগ প্ৰদান কৰে। সেউজ সংঘই ২৮.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মুঠ ১৩৭ ৰাণ সংগ্ৰহ কৰে। সেউজ সংঘলৈ প্ৰদীপ শৰ্মাই ৩৫টা বল খেলি ৩২ ৰাণ আৰু ইচাদ আলীয়ে ১৫টা বল খেলি ২৮ ৰাণৰ বৰঙনি আগবঢ়ায়। জাফ্ৰানৰ বলিঙত ৰবিউল্লা আলী আৰু ইজামুদ্দিন আহমেদে তিনিটাকৈ উইকেট লাভ কৰে। ইয়াৰ বিপৰীতে জাফ্ৰান ক্লাৱে ২৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মুঠ ৭৭ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। জাফ্ৰানৰ জাহিদ আহমেদে ৫২টা বল খেলি ৩০ ৰাণৰ বৰঙনি আগবঢ়ায়। সেউজ সংঘৰ বলিঙত ৰাৰিচ আলীয়ে ৫টা আৰু মৃণ্ময় গগৈয়ে ৩টা উইকেট লাভ কৰে। সেউজ সংঘই জাফ্ৰান ক্লাৱক ৬০ ৰাণত পৰাজিত কৰি পৰৱৰ্তী খেললৈ অগ্ৰসৰ হয়। খেলৰ আম্পায়াৰ আছিল ৰুবুল আলী আৰু আজিজুল হক। আজিৰ খেলত সেউজ সংঘৰ ৰাৰিচ আলীয়ে মেন অৱ দ্যা মেচ সন্মান লাভ কৰে।

**অসমৰ ভাওনা সংস্কৃতিক নিতোল কৰি ৰাখিবলৈ নৱপ্ৰজন্মৰ দ্বাৰা মঞ্চায়ন মহাপুৰুষৰ "পাৰিজাত হৰণ"**

# "নাটঘৰ মাজুলী"ৰ সময়োচিত পদক্ষেপ

**অসম বাৰ্তা, মাজুলী, ৭ জানুৱাৰী** ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত মাজুলী সাংস্কৃতিক কেন্দ্ৰ আৰু নাটঘৰ মাজুলীৰ সহযোগত সাৰজান ন-সত্ৰত অনুষ্ঠিত হোৱা পোন্ধৰ দিনীয়া অংকীয়া ভাওনা কৰ্মশালাৰ সামৰণীত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ"অংকীয়া নাট পৰিবেশন কৰে মাজুলীৰ বিভিন্ন ঠাইৰ নৱপ্ৰজন্মৰ নাট্য শিল্পী সকলে। সংগীত নাটক অকাডেমী বঁটা প্ৰাপক তথা সত্ৰীয়া সংস্কৃতিৰ সাধক ভৱেন বৰবায়নৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা অংকীয়া ভাওনা কৰ্মশালাৰ সামৰণী অনুষ্ঠানখনি শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত গুৰু আসন প্ৰতিষ্ঠা কৰি পৰম্পৰাগত নীতি নিয়মেৰে নাটখন পৰিবেশন কৰে। নাটঘৰ মাজুলীৰ সঞ্চালক ভাস্কৰ জ্যোতি বৰাই আঁত ধৰা আৰু শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ পূৰ্জস্পাদ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ তাত্বিক মন্তব্যৰে শুভ উদ্বোধন ঘটা সামৰণী অনুষ্ঠানৰ এই শুভ মুহূৰ্তত অংকীয়া ভাওনা কৰ্মশালাখনিত প্ৰশিক্ষণ প্ৰদান কৰা গুৰু ভৱেন বৰবায়ন আৰু উপেন বৰগায়ন অধ্যাপকক নাটঘৰ মাজুলীৰ তৰফৰ সম্পাদক গৌতম শইকীয়াই সম্বৰ্ধনা জ্ঞাপন কৰে। সামৰণী অনুষ্ঠানখনিত উপস্থিত থকা মাজুলীৰ জনপ্ৰতিনিধি ভুৱন গামকো সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিক এই অনুষ্ঠানতেই সন্মান প্ৰদান কৰা হয়। মূলতঃ গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজিক নতুন প্ৰজন্মৰ মাজত শুদ্ধ আৰু প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যেৰে অনুষ্ঠিত কৰা অংকীয়া ভাওনাৰ কৰ্মশালাখনিৰ অন্তত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা গুৰুজনাৰ অংকীয়া নাটসমূহৰ ভিতৰত অন্যতম তথা শ্ৰেষ্ঠ নাট হিচাপে বিবেচিত "পাৰিজাত হৰণ" পৰিৱেশন কৰা হয়। মাজুলীৰ ভিন্ন প্ৰান্তৰ নতুন প্ৰজন্মৰ কেইবাগৰাকীও প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা অংকীয়া ভাওনা কৰ্মশালাখনৰ অন্তত ভৱেন বায়নৰ পৰিচালনা আৰু উপেন বৰগায়নৰ সংগীত পৰিচালনাৰে গুৰুজনাৰ অংকীয়া নাট "পাৰিজাত হৰণ" দৰ্শন কৰিবলৈ প্ৰচণ্ড শীতকো নেওচি শতাধিক ৰাইজৰ উপস্থিত থকাৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট শিল্পী, বহু কেইজন দেশী-বিদেশী পৰ্যটক উপস্থিতি আছিল। পাৰিজাত হৰণ উপভোগ কৰি পৰ্যটক সকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। এখন অংকীয়া নাটৰ অনুশীলন সাধাৰণতে এমাহ/ দেৰমাহ সময়ৰো অধিক সময়ৰ প্ৰয়োজন হয়। নাটঘৰৰ শিল্পী সকলে সেই কাম কম সময়তে আয়ত্ত কৰাত ভকত বৈষ্ণৱৰ লগতে নাট্য শিল্পী সকলে নাটঘৰ মাজুলীৰ পদক্ষেপত সন্তোষ প্ৰকাশ কৰি ভৱিষ্যতে এনে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ অনুৰোধ জনায়।

### ৰূপহীহাটৰ বৰঘুলিত ভয়ংকৰ অগ্নিকাণ্ড; এগৰাকী শিশুৰ মৃত্যু আৰু এগৰাকী গুৰুতৰভাৱে আহত



**অসম বাৰ্তা, ৰূপহীহাট, ৭ জানুৱাৰী** ঃ ৰূপহীহাটৰ ১ নং বৰঘুলিত আজি দুপৰীয়া এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। উক্ত অগ্নিকাণ্ডৰ ফলত এগৰাকী তিনি মহীয়া শিশু জুইত পুৰি ভস্মীভূত হোৱাৰ লগতে আন এটি এবছৰীয়া শিশু জুইত ৮০ শতাংশ পুৰি যোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে আজি দুপৰীয়া ১ নং বৰঘুলিৰ মতিউৰ ৰহমানৰ ঘৰত আজি দুপৰীয়া হঠাৎ দাউ দাউ কৈ জ্বলি উঠিল জুই। উক্ত অগ্নিকাণ্ডৰ ফলত মতিউৰ ৰহমানৰ দুটাকৈ ঘৰ জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ভয়ংকৰ ৰূপ দেখি স্থানীয় ৰাইজে আমবাগান অগ্নিনিৰ্বাপক বাহীনিক খবৰ দিয়ে যদিও একঘণ্টা পলমকৈ উপস্থিত হয় অগ্নিনিৰ্বাপক বাহীনিৰ লোক। অগ্নিকাণ্ড সংঘটিত হোৱাৰ কাৰণ জানিব পৰা হোৱা নাই। অগ্নিকাণ্ডত এটি ফুল কুমলীয়া তিনি মহীয়া দেৱ শিশু জুইত পুৰি ভস্মীভূত হোৱাৰ লগতে এটি এবছৰীয়া শিশু ৮০ শতাংশ জুইত পুৰি যায়। আহত শিশুটিক অতি সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উক্ত অগ্নিকাণ্ডৰ ফলত ঘৰখনৰ টকা-পইচাৰ লগতে গুৰুত্বপূৰ্ণ নথি পত্ৰ জুইত ভস্মীভূত হয়। দুখীয়া পৰিয়ালৰটিৰ দুটাকৈ ঘৰ জুইত ভস্মীভূত হোৱাত এতিয়া চকুৰে সৰিয়হৰ ফুল দেখিছে দুৰ্ভগীয়া পৰিয়ালটিয়ে। স্থানীয় ৰাইজে পৰিয়ালটিৰ প্ৰতি চৰকাৰে সুদৃষ্টি দিবলৈ দাবী জনাইছে।

# অসম বিধানসভাৰ ৫ জনীয়া বিভাগীয় স্থায়ী সমিতি তিনিচুকীয়াৰ আঁচনি পৰিদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ জানুৱাৰী** ঃ অসম বিধানসভাৰ উন্নয়ন(ক) বিভাগৰ সৈতে জড়িত স্থায়ী সমিতিয়ে মঙ্গলবাৰে তিনিচুকীয়া জিলাৰ বিভিন্ন বিভাগৰ ভালেমান আঁচনিৰ কাম পৰিদৰ্শন কৰে। সোমবাৰে সন্ধিয়া আহি তিনিচুকীয়াত উপস্থিত হোৱা পাচঁজন বিধায়কৰ দলটোৱে আজি পুৱাৰ পৰা আবেলিলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত নিৰ্মিত প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু পঞ্চদশ বিত্ত অনুদানৰ ধনেৰে বজালতলি গাঁও পঞ্চায়তৰ ওকনিমৰীয়া বঙালী প্ৰাথমিক বিদ্যালয়ৰ শৌচাগাৰ নিৰ্মাণ, লোকনিৰ্মাণ গৃহ বিভাগৰ দ্বাৰা শুকানপুখুৰীত নিৰ্মিত জগন্নাথ দক্ষতা বিকাশ আৰু সমূহীয়া ভৱন, অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ দ্বাৰা আনন্দবাগত স্থাপিত ৩৩/১১ কেভিৰ বিদ্যুৎ উপ-কেন্দ্ৰ আৰু শ্ৰীপুৰ টিংৰাইত তিনিচুকীয়া পৌৰসভাৰ দ্বাৰা স্থাপন কৰা মানৱ মল নিষ্কাষণ প্ৰকল্পটো পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত আবেলি আৱৰ্ত ভৱনৰ সভাকক্ষত বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাতো মিলিত হয়। ওদালগুৰিৰ বিধায়ক গোবিন্দ বসুমতাৰীয় নেতৃত্বত অহা দলটোত থকা অন্যান্য সদস্যসকল হ'ল বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মন, কাটলিছেৰাৰ বিধায়ক ছুজাম উদ্দিন লস্কৰ, গৌৰীপুৰৰ নিজানুৰ ৰহমান, বিজনীৰ অজয় কুমাৰ ৰয় আৰু অসম বিধানসভাৰ অতিৰিক্ত সচিব ৰাজীৱ ভট্টাচাৰ্য্য। পৰ্যালোচনা সভাত ডুমডুমাৰ সম-জিলা আয়ুক্ত নুজাহাৎ নাছৰিণৰ উপৰি বন, লোকনিৰ্মাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শক্তি, পৌৰ প্ৰশাসন, জনসংযোগ আদি বিভাগৰ জিলা বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ অন্তত দলটো ডিব্ৰুগড় অভিমুখে ৰাওনা হয়।

# অসম বিধানসভাৰ পাঁচজনীয়া বিভাগীয় স্থায়ী সমিতিৰ তিনিচুকীয়াৰ বিভিন্ন আঁচনি পৰিদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৭ জানুৱাৰী** ঃ অসম বিধানসভাৰ উন্নয়ন (ক) বিভাগৰ সৈতে জড়িত স্থায়ী সমিতিয়ে আজি তিনিচুকীয়া জিলাৰ বিভিন্ন বিভাগৰ ভালেমান আঁচনিৰ কাম পৰিদৰ্শন কৰে। কালি সন্ধিয়া আহি তিনিচুকীয়াত উপস্থিত হোৱা পাচঁজন বিধায়কৰ দলটোৱে আজি পুৱাৰ পৰা আবেলিলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত নিৰ্মিত প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ ধনেৰে বজালতলি গাওঁ পঞ্চায়তৰ ওকনিমৰীয়া বঙালী প্ৰাথমিক বিদ্যালয়ৰ শৌচাগাৰ নিৰ্মাণ, লোকনিৰ্মাণ গৃহ বিভাগৰ দ্বাৰা শুকানপুখুৰীত নিৰ্মিত জগন্নাথ দক্ষতা বিকাশ আৰু সমূহীয়া ভৱন, অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ দ্বাৰা আনন্দবাগত স্থাপিত ৩৩/১১ কেভিৰ বিদ্যুৎ উপ-কেন্দ্ৰ আৰু শ্ৰীপুৰ টিংৰাইত তিনিচুকীয়া পৌৰসভাৰ দ্বাৰা স্থাপন কৰা মানৱ মল নিষ্কাষণ প্ৰকল্পটো পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত আবেলি আৱৰ্ত ভৱনৰ সভাকক্ষত বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাতো মিলিত হয়। ওদালগুৰিৰ বিধায়ক গোবিন্দ বসুমতাৰীৰ নেতৃত্বত অহা দলটোত থকা অন্যান্য সদস্যসকল হ'ল বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মন, কাটলিছেৰাৰ বিধায়ক ছুজাম উদ্দিন লস্কৰ, গৌৰীপুৰৰ নিজানুৰ ৰহমান, বিজনীৰ অজয় কুমাৰ ৰয় আৰু অসম বিধানসভাৰ অতিৰিক্ত সচিব ৰাজীৱ ভট্টাচাৰ্য। পৰ্যালোচনা সভাত ডুমডুমাৰ সম-জিলা আয়ুক্ত নুজাহাৎ নাছৰিণৰ উপৰিও বন, লোকনিৰ্মাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শক্তি, পৌৰ প্ৰশাসন, জনসংযোগ আদি বিভাগৰ জিলা বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ অন্তত দলটো ডিব্ৰুগড় অভিমুখে ৰাওনা হয়।

# গুৱাহাটি খানাপাৰাৰ অসম গ্ৰন্থমেলাত বকোৰ বিশিষ্ট সমাজসেৱক অনুপম দাসলৈ 'সমাজ সাৰথি' বঁটা প্ৰদান



**অসম বাৰ্তা, বকো, ৭ জানুৱাৰী** ঃ প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি আছে অসম গ্ৰন্থমেলা। যোৱা ২৪ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা অসম গ্ৰন্থমেলাৰ ৬ জানুৱাৰীত সফল সামৰণি পৰে। উল্লেখ্য যে, উক্ত গ্ৰন্থমেলাত প্ৰথম খবৰ পাব্লিকেশ্যনৰ উদ্যোগত 'শব্দৰ ছন্দ ছটিয়াই' শীৰ্ষক এক বিশেষ সাহিত্য আলাপ আৰু বঁটা প্ৰদান অনুষ্ঠানত বকো অঞ্চলৰ বিশিষ্ট সমাজসেৱক, যুৱ সাংস্কৃতিক কৰ্মী অনুপম দাসলৈ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই অহা অনবদ্য অৱদানৰ বাবে এক মনোজ্ঞ অনুষ্ঠানৰ জৰিয়তে ৫ জানুৱাৰীত এই বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত গ্ৰন্থ উন্মোচনৰ লগতে ভাষা সংস্কৃতি, জাতীয় চেতনাবোধৰে উদ্বুদ্ধ হৈ সমাজৰ সুস্থ বাৰ্তাবাহকৰ ভূমিকা গ্ৰহণ কৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ অনন্য প্ৰতিভাৱান বিশিষ্ট লোকলৈ এনে সন্মান প্ৰদান কৰে উদ্যোক্তাই। প্ৰচণ্ড শীত নেওচি গ্ৰন্থমেলাৰ বাকৰিত প্ৰতিদিনাই গ্ৰন্থপ্ৰেমী লোকে ভিৰ কৰা দেখা যায়। প্ৰকাশ্য যে, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি আৰু কামৰূপ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতিৰ দায়িত্বত থকা অনুপম দাসলৈ আগবঢ়োৱা সন্মানৰ বাবে উদ্যোক্তালৈ শলাগ লোৱা পৰিলক্ষিত হয়।

### বঢ়মপুৰ লীগ ক্ৰিকেট; প্ৰিয়ংকা-১১ৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ জানুৱাৰী** ঃ নগাঁও জিলাৰ বঢ়মপুৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি তৃতীয়খন ক্লাৱ লীগ খেলত প্ৰিয়ংকা- ১১ ক্ৰিকেট ক্লাৱে আই জি স্পৰ্চ ক্লাৱক ৫৭ ৰাণৰ ব্যৱধানত পৰাজিত কৰি বিজয়ৰ খিতাপ অৰ্জন কৰে। নিৰ্ধাৰিত ৩০ অভাৰত প্ৰিয়ংকা-১১ ক্লাৱে সাত উইকেটৰ বিনিময়ত ১৯৪ ৰাণ কৰাৰ বিপৰীতে আই জি স্পৰ্চ ক্লাৱে নিৰ্ধাৰিত অভাৰত আঠ উইকেটৰ বিনিময়ত ১৩৮ ৰাণ কৰিবলৈ সক্ষম হয়। আজিৰ খেলত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে প্ৰিয়ংকা- ১১ ৰ হিৰোংজল বৰা শ্ৰেষ্ঠ বেটছমেন হিচাপে একেটা দলৰ চিণ্টু বৰা আৰু একে দলৰে মোহিত বৰাই শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। অহা কালিলৈ চতুৰ্থখন ক্লাৱ লীগ খেলত ব্লাইট বাউঞ্চাৰ ক্লাৱ আৰু জীয়াজুৰি টি টাইটানছ ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব।

### সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ 'শ্ৰেষ্ঠ শাখা'ৰ বঁটা লাভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৭ জানুৱাৰী** ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ২, ৩, ৪ আৰু ৫ জানুৱাৰী তাৰিখে কলিয়াবৰত অনুষ্ঠিত হোৱা ২৩ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনত সাংগঠনিক ক্ষেত্ৰৰ লগতে আৰু সাহিত্য জগতলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ বাবে ডুমডুমা শাখাক ২০২২-২০২৫ বৰ্ষৰ "ভাৰতী হাজৰিকা শ্ৰেষ্ঠ শাখাৰ বঁটা" প্ৰদান কৰা হয়। ডুমডুমা শাখাৰ সভানেত্ৰী দিব্যলতা ডেকা আৰু সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই উপ-সভানেত্ৰী জুনু বৰা, সাহিত্য সম্পাদিকা সংগীতা ডেকা বৰুৱা, প্ৰচাৰ সম্পাদিকা মৃণালিনী মৰাণ, প্ৰাক্তন সভানেত্ৰী ইন্দু দত্ত উজীৰ, কাৰ্য্যনিৰ্বাহক সদস্যা মীৰা শইকীয়া আৰু উপদেষ্টাদ্বয় ক্ৰমে, ড° মীনা দেৱী বৰুৱা আৰু কিৰণময়ী হাজৰিকা বৰুৱাৰ উপস্থিতিত উক্ত বঁটাটো গ্ৰহণ কৰে। প্ৰতিষ্ঠাপক সভানেত্ৰী প্ৰয়াত বীনা ডেকাৰ নেতৃত্বত ১৯৯৩ চনত প্ৰতিষ্ঠা হোৱা ডুমডুমা শাখাই বিগত সময়ছোৱাত বিভিন্ন সামাজিক বৰঙনি আগবঢ়াই আহিছে। এইবাৰ এই বঁটা লাভ কৰাত ডুমডুমাবাসী ৰাইজৰ লগতে মহিলা সমাজে শাখাৰ সকলো বিষয়ববীয়া আৰু সদস্যাক অভিনন্দন জ্ঞাপন কৰিছে।

### দুৰ্ঘটনা সংঘটিত স্থানত সুৰঙ্গ পথ নিৰ্মাণৰ দাবী

# কুকুৰমাৰাত ৰে'লৰ চেপাত যুৱক নিহত

**অসম বাৰ্তা, কুকুৰমাৰা, ৭ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ কুকুৰমাৰত ৰেলৰ খুন্দাত নিহত এজন যুৱক নিহত হোৱাত অঞ্চল জুৰি শোকৰ ছাঁ পৰিছে। জানিব পৰামতে নিহত যুৱকজন ৩ নং আমত'লা গাঁৱৰ পতিৰাম দাসৰ পুত্ৰ দ্বীপ দাস (৩০) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে, দ্বীপ দাসে বিয়লি কুকুৰমাৰা বজাৰৰ পৰা ঘৰলৈ বুলি আহি আছিল। তেনে সময়তে জোগীঘোপা ব্ৰদগজ ৰে'ল লাইনৰ কুকুৰমাৰাত উন্মুক্ত ৰে'ল ক্ৰছিঙৰে যুৱকজনে পাৰ হ'বলৈ লওতে দুৰ্ঘটনাটো সংঘটিত হয়। যাত্ৰীবাহী ৰেলখন গোৱালপাৰাৰ পৰা গুৱাহাটী অভিমুখী আছিল। উল্লেখ্য যে, উক্ত ৰে'ল ক্ৰছিঙতে এতিয়ালৈ ৮ জনকৈ লোকে ৰেলৰ চেপাত প্ৰাণ হেৰুৱাইছে। স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি কুকুৰমাৰা বজাৰৰ সমীপতে থকা উন্মুক্ত ৰে'ল ক্ৰছিঙৰে হাজাৰ হাজাৰ লোকে দিনে নিশাই যাতায়ত কৰে। বৃহত্তৰ আমত'লা অঞ্চলৰ ৰাইজ গয়ৰহে উক্ত স্থানত বিকল্প পথ হিচাপে এটি সুৰঙ্গ পথৰ বাবে বহুবাৰ আবেদন কৰি আহিছে যদিও কোনো ধৰণৰ সুফল নাপালে ভুক্তভোগী ৰাইজে।

# লখিমপুৰৰ বালিজানত জিইএল মণ্ডলীৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, লীলাবাৰী, ৭ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ লীলাবাৰী অঞ্চলৰ বালিজান গাঁৱৰ খ্ৰীষ্টীয় ধৰ্মত বিশ্বাসী প্ৰয়াত কৃতছিত টপ্প, প্ৰয়াত ইছাহাক মিড়িয়াকা, প্ৰয়াত হানুক ধান, প্ৰয়াত ইলিয়াছ নাচিকা আদিসকলৰ প্ৰচেষ্টাত গাঁৱখনত ১৯৭১ বৰ্ষৰ ৬ জানুৱাৰীত গ'ছ্নোৰ ইভাঞ্জলিকেল লুথেৰিয়ান চাৰ্চ চমুকৈ 'জি ই এল মণ্ডলী'ৰ গীৰ্জাঘৰ স্থাপিত হৈছিল। বালিজান জি ই এল মণ্ডলীৰ আজি ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস। আজি বালিজান মণ্ডলীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে গীৰ্জাঘৰ প্ৰাংগণত খ্ৰীষ্টান ধৰ্মীয় নৃত্য-গীতেৰে উখল-মাখল পৰিৱেশে বিৰাজ কৰে। মণ্ডলীৰ প্ৰচাৰক ইছমাইল চবৰৰ দুৱাৰ মুকলি আৰু পতাকা উত্তোলনেৰে আৰম্ভণি হোৱা প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত স্থানীয় যুৱক সন্তোষ টপ্পৰ সভাপতিত্বত অনুষ্ঠিত গাঁওখনৰ বয়োবৃদ্ধ বালমদিনা চাৰেকাই কেক কাটি দিৱসটি উদ্‌যাপন কৰা হয়। সভাৰ আগত মণ্ডলী গঢ়োতা প্ৰয়াতসকলৰ স্মৰণত গছপুলি ৰোপণ কৰাৰ সমান্তৰালকৈ মণ্ডলীৰ প্ৰাক্তন প্ৰচাৰক যাকোৱ আইন্দে গীৰ্জাঘৰটিৰ ইতিবৃত্ত সোঁৱৰণ কৰে। সভাত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি লখিমপুৰ পেৰিচৰ অধ্যক্ষ এলিছ চুৰিণে নৱপ্ৰজন্মক শৈক্ষিক আৰু আত্মিক দিশত বিশেষভাৱে ধ্যান দিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটিত লখিমপুৰৰ বিভিন্ন মণ্ডলীৰ প্ৰচাৰকৰ লগতে দুই শতাধিক খ্ৰীষ্টীয় ধৰ্মালম্বী ৰাইজে অংশগ্ৰহণ কৰে।

# পঞ্জাবৰ ৰাষ্ট্ৰীয় একতা আৰু সাংস্কৃতিক সমাৰোহত অসমৰ মহাবিদ্যালয় দলৰ ভূয়সী প্ৰশংসা




**অসম বাৰ্তা, বান্দৰদেৱা, ৭ জানুৱাৰী ঃ** ২০২৫ বৰ্ষৰ NYP Camp যোৱা ইং.২৯ ডিচেম্বৰ ২০২৫ তাৰিখৰ পৰা ৪ জানুৱাৰী ২০২৬ তাৰিখলৈকে পঞ্জাবৰ আনন্দপুৰ চাহেবৰ খালচা কলেজত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ত সদভাৱনা ৰাষ্ট্ৰীয় একতা আৰু সাংস্কৃতিক সমাৰোহত ভাৰত বৰ্ষৰ মুঠ ২৫খন ৰাজ্যৰ ৪০০ Volunteers য়ে অংশ গ্ৰহণ কৰে। উক্ত সমাৰোহত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা ৫খন মহাবিদ্যালয় ক্ৰমে লখিমপুৰ জিলাৰ খেৰাজখাত মহাবিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, শংকৰদেৱ মহাবিদ্যালয়, ৰঙাপাৰা মহাবিদ্যালয় আৰু ধিং মহাবিদ্যালয়ৰ পৰা মুঠ ১৮জন Volunteers য়ে অংশ গ্ৰহণ কৰে। অসমৰ দলটোৰ নেতৃত্ব দিছিল খেৰাজখাত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° লক্ষ্মীপ্ৰকাশ হাজৰিকাই আৰু সহযোগী হিচাপে আছিল শংকৰদেৱ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নিপন হালৈ। সমাৰোহখনিত অসমৰ পৰা যোৱা দলটোৰ সাংস্কৃতিক প্ৰতিভা সমূহ দেখি আয়োজক মণ্ডলীয়ে ভূয়সী প্ৰশংসা কৰাৰ লগতে দলটোক শ্ৰেষ্ঠ দল হিচাপে ঘোষণা কৰে। দলটোৱে দেউৰী, বড়ো, সত্ৰীয়া নৃত্য আৰু বিহু প্ৰদৰ্শন কৰিছিল। উল্লেখ্য যে অসমৰ কৃষ্টি বিহু প্ৰদৰ্শন দেখি আপ্লুত হৈ আয়োজক মণ্ডলীয়ে দলটোক নগদ ধনেৰে পুৰস্কৃত কৰে। শিবিৰত থকা সময়খিনিত অসমৰ দলটোৱে প্ৰেম আৰু ভাতৃত্ববোধেৰে সকলোৱে মন জয় কৰিবলৈ সক্ষম হৈছিল।

### বঙাইগাঁৱত মন্ত্ৰী ৰণ্‌জিত কুমাৰ দাস

# তৃণমূল পৰ্যায়ৰ উন্নয়নত পঞ্চায়ত প্ৰতিনিধিৰ গুৰু দায়িত্ব



**অসম বাৰ্তা, বঙাইগাঁও, ৭ জানুৱাৰী ঃ** বঙাইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত প্ৰতিনিধিসকলৰ বাবে আজি বীৰঝৰা পাব্লিক লাইব্ৰেৰীত এক গুৰুত্বপূৰ্ণ কৰ্মশালা অনুষ্ঠিত হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে নৱনিৰ্বাচিত প্ৰতিনিধিসকলক জনসেৱাৰ মূল মন্ত্ৰেৰে কাম কৰিবলৈ আহ্বান জনায়। বিদ্যাপুৰ উন্নয়ন খণ্ডৰ অধীনস্থ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰী দাসে কয় যে চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণ প্ৰতিগৰাকী প্ৰতিনিধিৰ সম্যক জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা, কিষাণ সন্মান নিধি আৰু এমজিএনৰেগাৰ দৰে আঁচনিসমূহ প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰাটো নিশ্চিত কৰিবলৈ তেওঁ প্ৰতিনিধিসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে বিশেষভাৱে উল্লেখ কৰে যে পঞ্চায়তৰ কাম-কাজত একত্ৰিতভাৱে সিদ্ধান্তগ্ৰহণ কৰাটো জৰুৰী, অন্যথা উন্নয়নৰ গতিত ব্যাঘাত জন্মিব পাৰে। কৰ্মশালাত উপস্থিত থাকি বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে আঁচনিসমূহৰ কাৰিকৰী দিশবোৰ বুজি ল'বলৈ পৰামৰ্শ দিয়ে। আনহাতে, বঙাইগাঁও সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে পঞ্চায়ত প্ৰতিনিধিসকলৰ সক্ৰিয় সহযোগিতাৰে জিলাখনক উন্নয়নৰ শীৰ্ষলৈ নিবলৈ আহ্বান জনায়। অনুষ্ঠানত সমাজকৰ্মী হিমানী অধিকাৰী, শংকৰ প্ৰসাদ ৰায়, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনুপম ডেকা, কাৰ্যবাহী অভিযন্তা ভৱেন বৰ্মন আৰু খণ্ড উন্নয়ন বিষয়া তাপসী দেৱনাথো উপস্থিত থাকে। সভাৰ আঁত ধৰে ভৱেন বৰ্মনে আৰু শলাগৰ শৰাইআগবঢ়ায় মৃদুলা সিংহই। উল্লেখ্য যে, কালি অভয়াপুৰী সমষ্টিৰ বাবেও অনুৰূপ ধৰণৰ এক কৰ্মশালা অনুষ্ঠিত হৈছিল।

# নাজিৰা সম-জিলাত গণৰাজ্য দিৱস উদ্‌যাপনৰ প্ৰস্তুতিমূলক বৈঠক সম্পন্ন

**অসম বাৰ্তা, নাজিৰা, ৭ জানুৱাৰী ঃ** নাজিৰা সম-জিলাত আগন্তুক ২৬ জানুৱাৰীত দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস শান্তিপূৰ্ণ তথা সফলতাৰে উদযাপন কৰাৰ উদ্দেশ্যে আজি সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত শ্ৰীমতী প্ৰতিভা মেশ্ৰামৰ অধ্যক্ষতাত আয়োজিত এই বৈঠকত সমজিলা আয়ুক্ত গৰাকীয়ে আগন্তুক গণৰাজ্য দিৱস শান্তিপূৰ্ণভাৱে তথা সুচাৰুৰূপে উদযাপন কৰাৰ লক্ষ্যৰে বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে পুংখানুপুংখভাৱে আলোচনা কৰি সংশ্লিষ্ট সকলোকে নিজ-নিজ কৰ্তব্য, দায়িত্ব সহকাৰে পালন কৰি উক্ত অনুষ্ঠানৰ পূৰ্ণ সফলতাত সকলোৰে সহযোগিতা কামনা কৰে। বৈঠকত অংশগ্ৰহণ কৰি সমজিলা আৰক্ষী বিষয়া শ্ৰী তুষাৰ দেশায়ে তেওঁৰ বক্তব্যত গণৰাজ্য দিৱসৰ পূৰ্বে গ্ৰহণ কৰিবলগীয়া সুৰক্ষা তথা নিৰাপত্তা সম্পৰ্কীয় ব্যৱস্থাপনাৰ ওপৰত আলোকপাত কৰে। বৈঠকৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত কল্যাণ জ্যোতি হাজৰিকাই গণৰাজ্য দিৱসৰ কাৰ্যবিৱৰণী পাঠ কৰে। ইয়াৰ পাছতে বৈঠকত গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানত পৰিবেশন কৰিবলগীয়া কাৰ্যসূচী সম্পৰ্কেও বিস্তৃতভাৱে আলোচনা কৰা হয়। এইবাৰ গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু বিশেষ ভাৱে সক্ষম ল'ৰা-ছোৱালী সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হ'ব। আজিৰ বৈঠকত সহকাৰী আয়ুক্ত উপাসনা বৰা, নাজিৰাৰ ৰাজহ চক্ৰ বিষয়া চন্দনা বৰুৱা, বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া তথা কৰ্মচাৰী, বিভিন্ন সামাজিক-সাংস্কৃতিক- শৈক্ষিক- ক্ৰীড়া সম্বন্ধীয় অনুষ্ঠান- প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ আৰু গৰিষ্ঠসংখ্যক জ্যেষ্ঠ আৰু বিশিষ্ট নাগৰিক উপস্থিত থাকে।

# সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক ও ওদালগুৰি জিলা সমিতিৰ যৌথ উদ্যোগত দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি তুংগত

**অসম বাৰ্তা, খৈৰাবাৰী, ৭ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী গুৱিহাটী ৰাস মন্দিৰ প্ৰাঙ্গণত ১০ আৰু ১১ জানুৱাৰী শনি আৰু ৰবিবাৰ দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হব সদৌ বি, টি, চি বাঙালি যুৱ ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক ও ওদালগুৰি জিলা সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন। সেই উপলক্ষে প্ৰস্তুতি ইতিমধ্যে সাজু কৰি তুলিছে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে। সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি ১০ জানুৱাৰী শনিবাৰে ৰাতিপুৱা অধিৱেশন স্থলীৰ মুখ্যদ্বাৰ উন্মোচন, অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন, ওদালগুৰি জিলা সমিতি ও খৈৰাবাৰী আঞ্চলিক সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ পতাকা উত্তোলন, গছ পুলি ৰোপণ, স্মৃতি তৰ্পন, মনীষী ব্যক্তি সকলৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, হিয়াৰ আমঠু, হাৰ্ট থ্ৰব জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, কণকণ ছাত্ৰ-ছাত্ৰী সকলৰ চিত্ৰাঙ্কণ প্ৰতিযোগিতা, অতিথিশালা উন্মোচন, শ্বহীদ বেদী উন্মোচন ও বন্তি প্ৰজ্বলন, সাংস্কৃতিক মঞ্চ উদ্বোধন আৰু সন্ধিয়া প্ৰতিনিধি সভাৰে প্ৰথম দিনৰ কাৰ্যসুচী সামৰি পৰিব। অন্যহাতে সাংস্কৃতিক শোভাযাত্ৰাৰে দ্বিতীয় দিনৰ কাৰ্যসুচী শুভাৰম্ভ কৰি প্ৰকাশ্য সভাত উপস্থিত থাকিব বিটিচি মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী। উক্ত সভাত খৈৰাবাৰী মহাবিদ্যালয় ভূগোল বিভাগৰ জেষ্ঠ্য সহকাৰী অধ্যাপক ড° উত্তম কলিতাই উন্মোচন কৰিব "চেতনা" স্মৃতিগ্ৰন্থ। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব কবি, সাহিত্যিক ও অধিবক্তা তেজপুৰ জিলা আদালতৰ সঞ্জীৱ গোস্বামী, ৪ নং দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, অসম বিধান সভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, উপ-মুখ্য কাৰ্যবাহী সদস্য কোকৰাঝাৰ ৰিহন দৈমাৰি, সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশনৰ সভাপতি হৰেন দাস, কাৰ্যকৰী সভাপতি সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশন ব্ৰজগোপাল সৰকাৰ, সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশনৰ সাধাৰণ সম্পাদক শুভ মজুমদাৰৰ উপৰিও বিটিচিৰ বহু সংখ্যক ব্যক্তি উপস্থিত থাকিব অধিৱেশনস্থলীত। সেয়ে সুন্দৰ ভাৱে অধিৱেশন চলাই নিবলৈ তেৰখন উপসমিতি গঠন কৰি যাৱতীয় কাম কাজ সমূহ সুচাৰু ৰূপে চলাই নিবলৈ আয়োজক সমিতিৰ বিষয়ববীয়া সকলে ভাগে-ভাগে কামৰ দায়িত্ব অৰ্পণ কৰি কাম কাজ পৰিচালনা কৰিবলৈ বিষয়ববীয়া সকলক আহ্বান জনাইছে। ইতিমধ্যে মুল ৰভা, মুল টোৰণ, আৰু যাৱতীয় কাম কাজ সমূহ সজাই পৰাই তুলিছে উপ সমিতিৰ বিষয়ববীয়া সকলে। ইয়াৰ উপৰিও স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশন কৰিব লগীয়া অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীতৰ আখাৰাও দুই হাজাৰ শিল্পীয়ে প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। পঞ্চাশ হাজাৰ ৰাইজৰ সমাগম হব পৰাকৈ পৰাকৈ সজাই পৰাই তোলা গুৱিহাটী ৰাস মন্দিৰ প্ৰাঙ্গণ এক ওখল মাখল পৰিৱেশ বিৰাচ কৰিছে। সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক সমিতি আৰু ওদালগুৰি জিলা সমিতিৰ বিষয়ববীয়া সকলে দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ শোভাযাত্ৰা, মুকলি সভাৰ উপৰিও বিশেষ সাংস্কৃতিক সন্ধিয়া সা-ৰে-গা-মা-পা খ্যাত জী টিভি লিভিল চ্যাম্প শালিনী মুখাৰ্জীয়ে পৰিৱেশন কৰিব লগীয়া সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰিব এন আৰ ডি এছ গ্ৰুপৰ স্বত্বাধিকাৰ সুবীৰ সৰকাৰে। সমূহ কাৰ্য্যসূচীত অসমবাসী জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ উপস্থিত কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সভাপতি জগদীশ চৰকাৰ, কাৰ্যকৰী সভাপতি মদন ৰাভা, যুটীয়া সম্পাদক বিশ্বজিৎ মৈত্ৰী, সঞ্জয় দাস, ওদালগুৰি জিলা সমিতিৰ সভাপতি শংকৰ দাস, সাঃ সম্পাদক মিঠুন দে খৈৰাবাৰী আঞ্চলিক সমিতিৰ সভাপতি অমৰ দাস, সঃ সম্পাদক উত্তম বৰ্মনে।

# তিনিচুকীয়া জিলাৰ নতুন আয়ুক্ত হিচাপে সুমিত ছাত্তাৱানৰ যোগদান



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ নতুন আয়ুক্ত হিচাপে আজি ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া সুমিত ছাত্তাৱানে যোগদান কৰে। ২০১৫ খেপৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াগৰাকীয়ে ইয়াৰ পূৰ্বে লখিমপুৰ আৰু তাৰ পিছত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত হিচাপে সেৱা আগবঢ়াইছিল। তেওঁৰ কৰ্মদক্ষতাৰ বাবে কামৰূপ মহানগৰ জিলাই বিভিন্ন ক্ষেত্ৰত যথেষ্ট সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে অসম চৰকাৰে শেহতীয়া এক নিৰ্দেশযোগে তেওঁক তিনিচুকীয়াৰ জিলা আয়ুক্ত হিচাপে বদলি কৰাৰ বিপৰীতে তিনিচুকীয়াৰ আয়ুক্ত স্বপ্নীল পালক তেওঁৰ স্থানত স্থলাভিষিক্ত কৰিছিল। সেই মৰ্মে আজি বিয়লি তিনিচুকীয়াত আহি উপস্থিত হোৱাৰ পিছতে তেওঁ নিৰ্বাচন বিষয়ক এখন ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰে।

# মাজুলীৰ আৰোহণ গোস্বামীৰ খোল বাদ্যত বিশাৰদ ডিগ্ৰী লাভ

**অসম বাৰ্তা, উজনী মাজুলী, ৭ জানুৱাৰী ঃ** মাজুলীৰ বেলেসিদ্ধিয়া সত্ৰৰ আৰোহণ গোস্বামীয়ে খোল বাদ্যত অলপতে অসম সত্ৰ মহাসভাৰ পৰা বিশাৰদ ডিগ্ৰী লাভ কৰিছে। মাজুলীৰ শংকৰ জ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ ছাত্ৰ আৰোহণ গোস্বামীক অসম সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি চৰ্চা কেন্দ্ৰ পৰীক্ষা পৰিষদৰ গুৱাহাটীৰ কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা সমাবৰ্তন অনুষ্ঠানত উক্ত খোল বাদ্যত বিশাৰদ ডিগ্ৰী প্ৰদান কৰিছে। আৰোহণ গোস্বামী বৰ্তমান নগাঁও ৰামানুজন ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ দ্বাদশ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। আৰোহণ গোস্বামী বেলেসিদ্দিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দ দুলাল গোস্বামীৰ নাতি শিক্ষক পংকজ গোস্বামী আৰু স্বনালী গোস্বামীৰ জ্যেষ্ঠ পুত্ৰ। উল্লেখযোগ্য যে আৰোহণ গোস্বামীয়ে শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ পৰা ২০২০-২০২১ চনত খোল বিষয়ত ভাৰত চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা ৰাষ্ট্ৰীয় জলপানী ( চি চি আৰ টি) লাভ কৰিছিল। ছাত্ৰজনৰ এই সফলতাৰ বাবে শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ অধ্যক্ষ দেবেন চন্দ্ৰ ভূএগ্ৰাই অভিনন্দন জ্ঞাপন কৰিছে।

### অৰুণাচল প্ৰদেশৰ কেইবাটাও ডকাইতিৰ ঘটনাত জড়িত আছিল দুই সদস্য

# লেখাপানীৰ হাচাকত আটক দুই দুৰ্ধৰ্ষ ডকাইত

**অসম বাৰ্তা বিশেষ, জাগুন, ৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত হাচাকত দুজন দুৰ্ধৰ্ষ ডকাইত আটক কৰে ভাৰতীয় সেনা বাহিনীয়ে। ভাৰতীয় সেনাৰ হাচাকস্থিত ২৩নং অসম ৰাইফলছৰ জোৱানে বিশেষ খবৰৰ ভিত্তিত আটক কৰিবলৈ সক্ষম হয় ডকাইত কেইটাক। সেনাৰ সূত্ৰে জানিব পৰা মতে ডকাইত কেইটাৰ নাম ক্ৰমে যোৰহাটৰ নৱজ্যোতি বৰুৱা আৰু শদিয়াৰ তপন বৰগোহাঁই। দুয়োজন সদস্যই অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ কেইবাটাও ডকাইতিৰ ঘটনা সংঘটিত কৰি হাচাকত আত্মগোপন কৰি থকাৰ সময়তে সেনাৰ জোৱানে আটক কৰিবলৈ সক্ষম হয় দুয়োকে। সেনাই আজি পুৱতি নিশা দুয়োকে অৰুণাচল প্ৰদেশৰ লোহিত জিলা আৰক্ষীক হস্তান্তৰ কৰে।

# প্ৰাক্তন ছাত্ৰ, শিক্ষাবিদ জয়ন্ত কুমাৰ নাথৰ মৃত্যুত মাজুলী মহাবিদ্যালয়ৰ শোক

**অসম বাৰ্তা, উজনী মাজুলী, ৭ জানুৱাৰী ঃ** মাজুলী মহাবিদ্যালয়ৰ ১৯৭২-১৯৭৬ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ, চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ নাথৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে মাজুলী মহাবিদ্যালয় পৰিয়াল। কালি ৰাতি আকস্মিকভাৱে মৃত্যু হোৱা সৰবৰহী শিক্ষাবিদগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি আজি পুৱা ১০.৩০ বজাত মহাবিদ্যালয়খনিত অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ উপস্থিতিত এখনি শোক সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় কৰ্মচাৰী গোটৰ উপ-সভাপতি উৎপল বৰুৱাই আঁত ধৰা সভাখনিত সভাপতিত্ব কৰে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰাই জয়ন্ত কুমাৰ নাথৰ ব্যক্তিত্ব আৰু প্ৰতিভা সম্পৰ্কে আলোকপাত কৰে। জয়ন্ত কুমাৰ নাথৰ আকৰ্ষণীয় ব্যক্তিত্ব সম্পৰ্কত বক্তব্য আগ বঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "জয়ন্ত কুমাৰ নাথ অভ্যন্তৰৰ পৰাই এগৰাকী প্ৰকৃত শিক্ষাগুৰু আছিল। তেওঁৰ সমাজসেৱা আৰু পৰোপকাৰৰ আদৰ্শ উত্তৰপ্ৰজন্মই পাথেয় কৰি লোৱা উচিত।" মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগন, কিৰণজিৎ চমুৱা, গৌতম দাস, যোগ পাহাদী, নগেন শইকীয়া, ৰাজীৱ দত্ত, অতুল বৰা, নাৰায়ণ শইকীয়া, পল্লৱজ্যোতি ভূএগ্ৰা, প্ৰণৱ হাজৰিকা, যাদৱ পায়েং, ভৰেন শইকীয়া, ছাত্ৰ একতা সভাৰ সভাপতি কাকুলী পগাগ, সাধাৰণ সম্পাদক মানৱজ্যোতি পায়েং, চিৰঞ্জিৎ ভূএগ্ৰা, গৌৰৱ সেন প্ৰমুখ্য শিক্ষাৰ্থীসকলৰ উপস্থিতিত সম্পন্ন হোৱা সভাখনিত নাথৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ প্ৰাক্তন গুণী ছাত্ৰ জয়ন্ত কুমাৰ নাথৰ বিয়োগত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, প্ৰাক্তন অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, মহাবিদ্যালয় সমবায় আৰু ঋণদান সমিতি পৰিসীমিতৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, মহিলা কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, সম্পাদিকা ড° অনন্যা বৰুৱা, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক তুলসী ৰাজখোৱা, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

### "সাবিত্ৰী সত্যৱান" ভাওনা প্ৰদৰ্শন

# মাজুলীৰ "জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠী"ৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, উজনী মাজুলী, ৭ জানুৱাৰী ঃ** মাজুলীৰ সাংস্কৃতিক জগতৰ এটি উদীয়মান সাংস্কৃতিক গোষ্ঠী জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠীৰ অষ্টম প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। গুৰুজনাৰ অমৰ সৃষ্টি ভাওনাৰ লগতে বিভিন্ন সামাজিক সাংস্কৃতিক কাম-কাজেৰ নিজৰ পৰিচয় দিবলৈ সক্ষম হোৱা উক্ত সাংস্কৃতিক গোষ্ঠীটোৰ চলিত বৰ্ষৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি কালি নামনি মাজুলীৰ মালাপিন্ধা কৈৱৰ্ত গাঁৱৰ নামঘৰত উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক দুৰ্লভ দাসৰ পৰিচালনাত পালন কৰা অনুষ্ঠানটিৰ আৰম্ভণিতে পুৱা ৭ বজাত জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠীৰ কৰ্মকৰ্তাসকলৰ দ্বাৰা সামূহিক চাফাই কাৰ্যসূচীৰে দিনটোৰ কাৰ্যসূচী আৰম্ভণি কৰা হয়। ইয়াৰ পাছতেই গছপুলি ৰোপণ কাৰ্যসূচী ভাগ ৰূপায়ণ কৰা হয়। অনুষ্ঠানত ৰোপক হিচাপে উপস্থিত থাকে বৰমুকলি গাঁৱৰ জ্যেষ্ঠ ব্যক্তি, সমাজসেৱক, বুঢ়াভকত অনিল দাসে। পুৱা ন' বজাত পৰৱৰ্তী কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠীৰ সভাপতি লক্ষ্যজিৎ দাসে। অনুষ্ঠানটিৰ আৰম্ভণিতে অসম আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু সদ্য প্ৰয়াত শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত জিজ্ঞাসা গোষ্ঠীৰ সমূহ বিষয়ববীয়া আৰু কৰ্মকৰ্তাৰ দ্বাৰা বন্তিপ্ৰজ্বলন ও শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। দুপৰীয়া আমন্ত্ৰিত অঞ্চলটোৰ বুঢ়াভকত সকলৰ দ্বাৰা এভাগ বৈকুণ্ঠৰ কল্পতৰু সিংহমূৰ্তি নাম প্ৰসংগ কৰা হয় আৰু জিজ্ঞাসাৰ সমূহ বিষয়ববীয়া তথা উপস্থিত ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। নাম-প্ৰসংগৰ শেষত উপস্থিত সুধিবৃন্দক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই গোষ্ঠীটোৰ সহকাৰী সম্পাদক পৰমানন্দ মেধিয়ে। সাংস্কৃতিক গোষ্ঠীটোৰ উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্ধিয়া ৪.৩০ বজাত নামঘৰৰ চৌহদত বন্তি প্ৰজ্বলনেৰে সন্ধিয়াৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। সন্ধিয়া ৮.৩০ বজাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৰ সৃষ্টি এভাগ নাট "সাবিত্ৰী সত্যৱান" নাটভাগি জিজ্ঞাসা সাংস্কৃতিক গোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়। নাটভাগিত সূত্ৰধাৰীৰ চৰিত্ৰত উদীয়মান শিল্পী বিকি দাসে, নাৰায়ণৰ চৰিত্ৰত পৰামানন্দ মেধি আৰু অন্যান্য ভাও ভাৱৰীয়াৰ ভাৱত গোষ্ঠীটোৰ সদস্যসকলে অভিনয় কৰে। দৰ্শকৰ মনোগ্ৰাহী হোৱাকৈ পৰিবেশন কৰা নাটভাগিত যথেষ্ট দৰ্শকৰ উপস্থিতি দেখা যায়। ভাও-ভাওৰীয়াসকলৰ অভিনয়ে শেষান্তৰলৈকে দৰ্শকক মোহাচন্ন কৰি ৰাখিবলৈ সক্ষম হয়।

# কাঠেৰে নিৰ্মিত হ'ল 'জুবিন'; বঙাইগাঁৱৰ যুৱকৰ ব্যতিক্ৰমী কাষ্ঠ শিল্পৰে প্ৰাণৰ শিল্পীলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বঙাইগাঁও, ৭ জানুৱাৰী ঃ** শিল্পী জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পীয়েই নহয়, তেওঁ অসমৰ লাখ লাখ অনুৰাগীৰ বাবে এক আৱেগ। জুবিনক নিজৰ ভগৱান বুলি জ্ঞান কৰা এজন অনুৰাগীৰ অনন্য শিল্পীত্বই এতিয়া চকু কপালত তুলিছে বঙাইগাঁৱৰ ৰাইজৰ। জিলাখনৰ ৭ নং পোপৰাগাঁও পুৰাণিপাৰাৰ নিবাসী মমিতাব পাঠকে কাঠৰ টুকুৰাত প্ৰাণ দি নিৰ্মাণ কৰিছে প্ৰাণৰ শিল্পীগৰাকীৰ নাম। সামান্য কাঠ এটুকুৰাক যেন এক পবিত্ৰ মন্দিৰলৈ ৰূপান্তৰিত কৰিলে মমিতাবে। অতি সূক্ষ্ম নিৰীক্ষণেৰে তেওঁ কাঠেৰে 'জুবিন' নামটো এনেদৰে কাটি উলিয়াইছে, য'ত শিল্পীগৰাকীৰ ব্যক্তিত্বৰ প্ৰতিচ্ছবি ফুটি উঠিছে। বিশেষকৈ জুবিন নামৰ 'জু' আখৰটোৰ ওপৰত শিল্পীগৰাকীৰ পৰিচয়বাহী 'টুপী'টো আৰু 'বি' আখৰটোৰ ওপৰত এটি জ্বলন্ত 'চাকিৰ শিখা' অংকন কৰি এক ব্যতিক্ৰমী ৰূপ দিছে। মমিতাবৰ এই শিল্পকৰ্মই কেৱল তেওঁৰ সৃজনীশীলতাকে নহয়, বৰঞ্চ জুবিন গাৰ্গৰ প্ৰতি থকা তেওঁৰ অগাধ প্ৰেম আৰু শ্ৰদ্ধাকো প্ৰতিফলিত কৰিছে। কাঠৰ ফলকখনত শিল্পীগৰাকীৰ নামৰ লগতে তেওঁৰ চৰিত্ৰৰ বিভিন্ন দিশ ফুটি উঠা এই বিশেষ অংকনে এতিয়া সামাজিক মাধ্যমত যথেষ্ট সমাদৰ লাভ কৰিছে। মমিতাবৰ এই জীৱন্ত শিল্পীত্বই প্ৰমাণ কৰিছে যে ভক্তি আৰু একাগ্ৰতা থাকিলে সাধাৰণ কাঠৰ টুকুৰাও অসাধাৰণ কলাকৃতি হৈ পৰিব পাৰে।

## সম্পাদকীয়

# ২০২৭ চনৰ লোকপিয়ল সময়সূচীৰ ঘোষণা আৰু জনতাৰ প্ৰত্যাশা

দীৰ্ঘ অপেক্ষাৰ অন্তত ২০২৭ চনৰ লোকপিয়লৰ সময়সূচী চৰকাৰে ঘোষণা কৰিলে। ২০২৬ৰ ১ এপ্ৰিলৰ পৰা গৃহ তালিকাকৰণ আৰম্ভ হোৱাৰ লগতে এই ঘোষণাই এখন জীৱন্ত গণতন্ত্ৰৰ এটা অতি গুৰুত্বপূৰ্ণ প্ৰশাসনিক কাৰ্যকলাপৰ আয়োজনৰ সূচনা কৰিলে। প্ৰতি দশকত হোৱা এই প্ৰক্ৰিয়াটো দেশৰ জনগণনাৰ এখন স্থিৰ ছবি প্ৰস্তুত কৰে, যি ভৱিষ্যতৰ পৰিকল্পনা, উন্নয়নৰ সোঁত আৰু গণতান্ত্ৰিক প্ৰতিনিধিত্বৰ ভেটি স্বৰূপ।

এই ঘোষণাৰ সৈতে বহুতো আশাৰ কথাও আহিছে। ডিজিটেল প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ, বিশাল বাজেট (১১ হাজাৰ কোটি টকাৰো অধিক), প্ৰায় ৩০ লাখ কৰ্মীৰ নিয়োগ আৰু অসমৰ তিনিটা জিলাত সফল প্ৰাক্-পৰীক্ষণ-এইবোৰে এইবাৰৰ লোকপিয়ল অধিক কাৰ্যকৰী, সুচল আৰু স্বচ্ছ হোৱাৰ আশা জগাইছে। নীতি নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সম্পদৰ ন্যায়সংগত বিতৰণলৈকে এই গণনাৰ তথ্যই প্ৰভাৱ পেলাব। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অঞ্চলবোৰৰ উন্নয়নৰ বাবে নিৰ্ভৰযোগ্য তথ্য ইয়াৰ পৰা পোৱা যাব।

কিন্তু, সময়সূচী ঘোষণাৰ লগে লগে সাধাৰণ নাগৰিকৰ মনতো কিছুমান প্ৰশ্ন আৰু চিন্তাও উঠিছে। প্ৰথমতে, তথ্য সংগ্ৰহ আৰু তাৰ সুৰক্ষা সম্পৰ্কে। ডিজিটেল মাধ্যমৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা তথ্য চুৰি বা অপব্যৱহাৰৰ আশংকাকো বাৰুকৈয়ে উজাগৰ কৰিছে নেকি? দ্বিতীয়তে, ইমান বৃহৎ কাৰ্যসূচী সময়মতে সম্পূৰ্ণ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। ২০২৬ৰ এপ্ৰিলৰ পৰা ছেপ্টেম্বৰৰ ভিতৰত ৩০ দিনৰ বাধ্যতামূলক সময়সীমাত সকলো ৰাজ্যই গৃহ তালিকা কৰিব নেকি? তৃতীয়তে, গণনাকাৰীসকলক দিয়া প্ৰশিক্ষণ আৰু পাৰিশ্ৰমিক সম্পৰ্কেও স্পষ্টতাৰ প্ৰয়োজন। আগৰ বাৰত কিছু ঠাইত কৰ্মীসকলৰ অসুবিধা আৰু পৰ্যাপ্ত পৰিচালনাৰ অভাৱৰ কথা ওলাইছিল। সেই অভিজ্ঞতাৰ পৰা শিকি লোৱা হৈছে নে? আনহাতে, ২০২৭ চনৰ ১ মাৰ্চক 'ৰেফাৰেন্স ডেট' হিচাপে লোৱাৰ অৰ্থ হ'ব যে সেইদিনা ৰাতিপুৱা য'তেই থকা নেকি, সকলোৰে তথ্য তালিকাভুক্ত হ'ব লাগিব। এই বাধ্যবাধকতাই বহুতকে, বিশেষকৈ ভ্ৰাম্যমাণ শ্ৰমিক বা দূৰ-দূৰণিৰ চাকৰিয়াল লোকসকলক অসুবিধাত পেলাব পাৰে।

উপসংহাৰ স্বৰূপে, এই সময়সূচী ঘোষণা এটা সকাৰাত্মক আৰু প্ৰয়োজনীয় পদক্ষেপ। ইয়াৰ সফল বাস্তৱায়ন সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব জনসাধাৰণৰ সক্ৰিয় সহযোগিতা, প্ৰশাসনিক স্বচ্ছতা আৰু কাৰিকৰী দক্ষতাৰ ওপৰত। চৰকাৰে নাগৰিকৰ মনৰ এই স্বাভাৱিক প্ৰশ্নবোৰৰ সমাধান কৰি, তথ্যৰ গোপনীয়তা ৰক্ষাৰ দৃঢ় প্ৰত্যয় দিয়াটো অতি প্ৰয়োজন। কাৰণ, লোকপিয়ল হৈছে এটা ৰাষ্ট্ৰীয় কৰ্তব্য; ই জীৱনৰ প্ৰতিটো খোপনিৰ প্ৰামাণিক আধাৰ হৈ উঠিব লাগিব, য'ত প্ৰত্যেকজন নাগৰিকেই নিজকে নিৰাপদ আৰু গুৰুত্বপূৰ্ণ অনুভৱ কৰে।

# বিকৃত আনন্দৰ আমেজ

সততা বা সৎ গুণ এক অলংকাৰ সম। ইয়াৰ সমাদৰ সকলোতে আৰু সদায়ে আছে। ঠিক সেইদৰে আনন্দ লাভৰ বেলিকাও এই কথাষাৰ উনুকিয়াব পাৰি। সৎ আনন্দ দীৰ্ঘস্থায়ী তথা সৰ্বগ্ৰহণযোগ্য হোৱাৰ বিপৰীতে অসৎ আনন্দ বৰ্জনীয় বা অগ্ৰহণীয়। এই আনন্দ খন্তেকীয়া।

আমাৰ সমাজত যিদৰে সৎ লোক আছে, সেইদৰে অসৎলোক ও নোহোৱা নহয়। সৎলোকৰ চিন্তা সমূহ সৎ আৰু অসৎলোকৰ ইয়াৰ বিপৰীত। সৎলোকৰ কাম সমূহ আদৰণীয়। আনহাতে অসৎলোক সমূহ নিষ্ঠুৰ বা বিকৃত আনন্দৰ হোৱা দেখা যায়।

আমি কৰা সকলো কামেই যিদৰে কাম নহয়, ঠিক সেইদৰে আমি কৰা সকলো আনন্দই আনন্দ নহয় বা হ'ব নোৱাৰে। তৰল চিন্তা কৰা আৰু বিকৃত আনন্দ লাভৰ বাবে কৰা কাম কেতিয়াও গ্ৰহণযোগ্য নহয়। আনক কষ্ট দি, আনক উচটাই ৰং চোৱা, নিৰীহ-অসহায় প্ৰাণী বা মানুহৰ ওপৰত নিষ্ঠুৰতা প্ৰদৰ্শন কৰি আনন্দ পোৱা লোকৰ সংখ্যা আজিৰ শিক্ষিত সমাজতো নোহোৱা নহয়। এনে মানসিকতা বা আনন্দ কেতিয়াও প্ৰকৃত আনন্দ হ'ব নোৱাৰে।

এজন ব্যক্তিৰ ব্যৱহাৰ তথা কৰ্মই তেখেতৰ পৰিচয়। অসৎ চৰিত্ৰ বা অসৎ মানসিকতাৰ লোকে নিষ্ঠুৰতা প্ৰদৰ্শন কৰি হ'লেও নিজৰ বিকৃত আনন্দ চৰিতাৰ্থ কৰিবলৈ পিছ হুহকি নাহে। আনৰ ক্ষতি, আনৰ ওপৰত ইয়াৰ প্ৰভাৱ আদিৰ বিষয়ে এনে লোক সচেতন নহয়। আনৰ ক্ষতি তেনে লোকৰ আনন্দ। সামাজত আজি এনে লোকৰ সংখ্যাই বেছি বুলি ক'ব পাৰি। জীয়াই থকা দিনকেইটা আনন্দ -ফূৰ্তি কৰি কটাব লাগে সঁচা কথা। কিন্তু আনক কষ্ট দি, আনৰ অসুবিধা কৰি আনন্দ লাভ কৰিবলৈ যোৱাটো কিমান দূৰ গ্ৰহণযোগ্য। মানৱ নামধাৰী কিছুমান লোকৰ বৰ্বৰ মানসিকতা, নিষ্ঠুৰতা দেখিলে আচৰিত লাগে। অসৎ কৰ্ম কৰিও সুখ পোৱা যায়। কিন্তু সেই সুখ সাময়িক। ইয়াৰ ফলত সামাজিক পৰিৱেশ বিনষ্ট হয়, ইয়াত নৈতিক আৰু আধ্যাত্মিক শান্তি নাথাকে বা পোৱা নাযায়। সেয়ে এনে আনন্দ লাভৰ পৰা আঁতৰি থকা উচিত। এনে ৰুগ্ন, অসুস্থ মানসিকতা আমাৰ স্বভাৱ -চৰিত্ৰত গঢ় দিয়া অনুচিত। মানুহ হিচাপে, সামাজিক প্ৰাণী হিচাপে এই বদগুণ সমূহ সৰ্বদা বৰ্জনীয়। বিকৃত আনন্দ, অসৎ, অসুস্থ আনন্দৰ আমেজ ক্ষণস্থায়ী । এনে আনন্দ বিপদ জনক হোৱাৰ লগতে সমাজত ই অশুভ বাৰ্তা প্ৰেৰণ কৰে সেয়ে এখন সুন্দৰ, সুস্থ সমাজত এনে আনন্দ কোনো কাৰণতে গ্ৰহণযোগ্য নহয়।

*নিবেদিতা হাজৰিকা*

◀◀ আধুনিক প্ৰযুক্তিৰ বিস্ফোৰণে আমাৰ পঢ়া অভ্যাস আৰু তথ্য আহৰণৰ পদ্ধতিত আমূল পৰিৱৰ্তন আনিছে। ইণ্টাৰনেট আৰু স্মাৰ্টফোনৰ সহজলভ্যতাই বহুতকে পুথিভঁৰালৰ পৰা আঁতৰাই নিছে বুলি ধাৰণা কৰা হয়। কিন্তু গভীৰভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰযুক্তিয়ে কিতাপৰ বিকল্প হ'ব নোৱাৰে। ডিজিটেল মাধ্যমত পোৱা তথ্যবোৰ প্ৰায়ে বিক্ষিপ্ত আৰু অগভীৰ হয়। ই মানুহক তথ্য দিয়ে কিন্তু জ্ঞান নিদিয়ে। ইয়াৰ বিপৰীতে গ্ৰন্থ অধ্যয়নে মানুহক গভীৰলৈ যাবলৈ বাধ্য কৰে। কিতাপ এখন পঢ়িবলৈ যি ধৈৰ্য আৰু একাগ্ৰতাৰ প্ৰয়োজন, সেয়া বৰ্তমানৰ এই 'স্ক্ৰলিং'ৰ যুগত অত্যন্ত দুৰ্লভ হৈ পৰিছে। ▶▶

# পুথিভঁৰাল আৰু সমাজৰ বৌদ্ধিক বিকাশ

**হিমাংশু ৰঞ্জন ভূঞা**

জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনা মানুহৰ সহজাত প্ৰবৃত্তি। আদিম কালৰ পৰাই মানুহে নিজৰ অস্তিত্ব আৰু চাৰিওফালৰ জগতখনক বুজিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে। এই অন্বেষণৰ যাত্ৰাত আহৰণ কৰা অভিজ্ঞতাবোৰ সংৰক্ষণ কৰাৰ তাগিদাই মানুহক গ্ৰন্থ আৰু লিপিৰ আৱিষ্কাৰৰ দিশলৈ লৈ গৈছিল। এই সঞ্চিত জ্ঞানৰ ভাণ্ডাৰক একত্ৰিত কৰি ৰখাৰ বাবে গঢ় লৈ উঠা অনুষ্ঠানটোৱেই হৈছে পুথিভঁৰাল। সমাজ এখনৰ বাবে পুথিভঁৰাল কেৱল কিতাপৰ সমষ্টি নহয়; ই হৈছে সেই সমাজৰ বুকুৰ স্পন্দন, যিয়ে জাতিটোক জীয়াই ৰাখে। এটা জাতিৰ বৌদ্ধিক বিকাশ, মানসিক সতেজতা আৰু সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা অপৰিসীম আৰু সুদূৰপ্ৰসাৰী। সমাজৰ অন্ধকাৰাচ্ছন্ন কোণবোৰলৈ পোহৰ কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা এক নীৰৱ বিপ্লৱৰ দৰে। বৰ্তমানৰ জটিল আৰু সংঘাতপূৰ্ণ সময়ত পুথিভঁৰালৰ প্ৰাসংগিকতা আৰু গুৰুত্ব সকলোৱে গভীৰভাৱে অনুভৱ কৰা প্ৰয়োজন।

পুথিভঁৰালৰ ধাৰণাটোৰ লগত সমাজৰ গভীৰ মনস্তাত্ত্বিক সংযোগ আছে। এখন সমাজ যেতিয়া জ্ঞানৰ চৰ্চাত মগ্ন হয়, তেতিয়া সেই সমাজৰ চিন্তাৰ স্তৰ স্বাভাৱিকতেই উন্নত হয়। পুথিভঁৰাল সমূহৰ মূল উদ্দেশ্য হৈছে এই চিন্তাৰ স্তৰক আৰু অধিক উচ্চলৈ লৈ যোৱা। ই এক সামাজিক প্ৰক্ৰিয়া যাৰ জৰিয়তে জ্ঞানক বিকেন্দ্ৰীকৰণ কৰা হয়। অৰ্থাৎ, জ্ঞান যাতে কেৱল নিৰ্দিষ্ট শ্ৰেণীৰ মাজত আৱদ্ধ নাথাকে, তাৰ ব্যৱস্থা কৰাই পুথিভঁৰালৰ লক্ষ্য। যেতিয়া গাঁৱে-ভূঞে, চহৰে-নগৰে পুথিভঁৰাল গঢ় লৈ উঠে, তেতিয়া জ্ঞানৰ গংগা সকলোৰে দুৱাৰলৈ বৈ যায়। ইয়াৰ ফলত সমাজত থকা শ্ৰেণী বৈষম্য মানসিক স্তৰত হ্ৰাস পায়। এজন ধনী ব্যক্তি আৰু এজন দৰিদ্ৰ কৃষকে যেতিয়া একেখন পুথিভঁৰালত বহি একেখন কিতাপ পঢ়ে, তেতিয়া তেওঁলোকৰ মাজত এক অদৃশ্য সমতাৰ ভাৱ গঢ় লৈ উঠে। জ্ঞানৰ এই গণতান্ত্ৰিকীকৰণ প্ৰক্ৰিয়াটোৱেই হৈছে পুথিভঁৰাল আন্দোলনৰ আটাইতকৈ শক্তিশালী দিশ।

বৌদ্ধিক বিকাশৰ কথা ক'লে আমি সাধাৰণতে শৈক্ষিক ডিগ্ৰী বা তথ্যৰ সমাহাৰক বুজো। কিন্তু প্ৰকৃত বৌদ্ধিক বিকাশ ইয়াৰ পৰিধিৰ বাহিৰত। ই হৈছে মানুহৰ যুক্তিপূৰ্ণ চিন্তা কৰাৰ ক্ষমতা, বিশে-ষণাত্মক দৃষ্টিভংগী আৰু সংবেদনশীলতাৰ বিকাশ। পুথিভঁৰালে এই তিনিওটা দিশতে মানুহক সহায় কৰে। বিদ্যালয় বা মহাবিদ্যালয়ৰ পাঠ্যক্ৰমে মানুহক এক নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত জ্ঞান দিয়ে, কিন্তু পুথিভঁৰালে সেই পৰিসীমা ভাঙি পেলায়। ইয়াত মানুহে নিজৰ ৰুচি অনুযায়ী বিষয় নিৰ্বাচন কৰিব পাৰে। সাহিত্য, দৰ্শন, ইতিহাস, বিজ্ঞান, ভ্ৰমণ কাহিনী আদি বিবিধ বিষয়ৰ গ্ৰন্থ অধ্যয়নে মানুহৰ মনৰ জগতখন বিশাল কৰি তোলে। এই বিশালতাই মানুহক সংকীৰ্ণতাৰ পৰা মুক্ত কৰে। যেতিয়া এজন ব্যক্তিয়ে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ লেখকসকলৰ চিন্তাৰ লগত পৰিচিত হয়, তেতিয়া তেওঁৰ নিজৰ জগতখনৰ লগত বাহিৰৰ জগতখনৰ তুলনা কৰিবলৈ শিকে। এই তুলনামূলক অধ্যয়নে তেওঁৰ বিচাৰ-বুদ্ধি তীক্ষ্ণ কৰে আৰু সমাজৰ সমস্যাবোৰক নতুন দৃষ্টিভংগীৰে চাবলৈ শিকায়।

আমাৰ সমাজত প্ৰচলিত বহুতো অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ মূল কাৰণ হৈছে অজ্ঞানতা আৰু যুক্তিহীনতা। পুথিভঁৰালে এই অন্ধকাৰৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। বিজ্ঞানমনস্ক গ্ৰন্থ আৰু যুক্তিবাদী সাহিত্যৰ প্ৰচাৰৰ জৰিয়তে মানুহৰ মনত প্ৰশ্ন কৰাৰ প্ৰৱণতা জগাই তোলাটো পুথিভঁৰাল সমূহৰ এক অন্যতম দায়িত্ব। যেতিয়া মানুহে প্ৰতিটো ঘটনাৰ কাৰণ আৰু ফলাফল বিচাৰিবলৈ শিকে, তেতিয়া সমাজৰ পৰা অন্ধবিশ্বাসৰ শিপা উভালি পেলোৱাটো সহজ হৈ পৰে। পুথিভঁৰালবোৰত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ আৰু পাঠ্য চক্ৰবোৰে এই ক্ষেত্ৰত অনুঘটকৰ কাম কৰে। ইয়াত মানুহে নিজৰ মতামত প্ৰকাশ কৰাৰ সুযোগ পায় আৰু আনৰ মতামতক শ্ৰদ্ধা কৰিবলৈ শিকে। এই তৰ্ক-বিতৰ্ক আৰু আলোচনাৰ মাজেৰেই সমাজৰ বৌদ্ধিক স্বাস্থ্য অটুট থাকে। এখন মৌন সমাজতকৈ এখন সৰৱ আৰু তৰ্কমুখৰ সমাজ সদায় বেছি প্ৰগতিশীল, আৰু পুথিভঁৰালে এই সৰৱতাৰ বাবে প্ৰয়োজনীয় ইন্ধন যোগায়।

মননশীলতা আৰু সৃষ্টিশীলতাৰ বিকাশত পুথিভঁৰালৰ ভূমিকা অনস্বীকাৰ্য। মানুহৰ মনটো সদায় নতুনত্বৰ পিয়াসী। কিতাপৰ পাতত যেতিয়া পঢ়ুৱৈয়ে নতুন চৰিত্ৰ, নতুন ঠাই আৰু নতুন ধাৰণাৰ লগত ভেটাভেটি হয়, তেতিয়া তেওঁৰ কল্পনাশক্তিয়ে ডেউকা মেলে। বিশেষকৈ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ বাবে এই কাল্পনিক জগতখন অত্যন্ত গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত শিশুসকলৰ ওপৰত পঢ়া-শুনাৰ অত্যধিক চাপ আৰু প্ৰযুক্তিৰ আগ্ৰাসনে তেওঁলোকৰ শৈশৱক যান্ত্ৰিক কৰি পেলাইছে। তেওঁলোকে সপোন দেখিবলৈ পাহৰি গৈছে। এনে পৰিপ্ৰেক্ষিতত পুথিভঁৰালবোৰে তেওঁলোকক এক মুক্ত আকাশৰ সন্ধান দিব পাৰে। সাধুকথাৰ কিতাপ, দুঃসাহসিক অভিযানৰ কাহিনী আৰু জীৱনী গ্ৰন্থসমূহে তেওঁলোকৰ মনত সাহস আৰু অনুপ্ৰেৰণাৰ সঞ্চাৰ কৰে। এই অনুপ্ৰেৰণাই ভৱিষ্যতে তেওঁলোকক একোজন সংবেদনশীল আৰু সৃষ্টিশীল ব্যক্তি হিচাপে গঢ়ি তোলাত সহায় কৰে। যি শিশুৱে সৰুৰে পৰা কিতাপৰ সান্নিধ্য পায়, সেই শিশুৱে কেতিয়াও হিংস্ৰ বা অসামাজিক কামত লিপ্ত হ'ব নোৱাৰে।

প্ৰতিটো অঞ্চলৰে নিজা ইতিহাস, লোকসংস্কৃতি আৰু পৰম্পৰা থাকে। আধুনিকতাৰ ধামখুমীয়াত এইবোৰ ক্ৰমান্বয়ে হেৰাই যোৱাৰ উপক্ৰম হৈছে। স্থানীয় পুথিভঁৰালবোৰে এই লুপ্তপ্ৰায় সম্পদৰাজি সংৰক্ষণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। স্থানীয় লেখকৰ কিতাপ, পুৰণি পাণ্ডুলিপি আৰু মৌখিক সাহিত্যক লিখিত ৰূপত সংৰক্ষণ কৰি পুথিভঁৰালে ভৱিষ্যত প্ৰজন্মৰ বাবে এক অমূল্য সম্পদ ৰাখি থৈ যায়। যেতিয়া এটা জাতিয়ে নিজৰ শিপাৰ সন্ধান পায়, তেতিয়া সেই জাতিৰ আত্মবিশ্বাস বৃদ্ধি পায়। পুথিভঁৰালে এই শিপাৰ সন্ধান দিয়াত সহায় কৰে। ই অতীতৰ লগত বৰ্তমানৰ সেতু বন্ধন কৰে। এই ঐতিহাসিক চেতনাই সমাজক উদ্ভট আধুনিকতাৰ পৰা ৰক্ষা কৰে আৰু নিজৰ স্বকীয়তা বজায় ৰাখিবলৈ প্ৰেৰণা যোগায়। সামাজিক সংহতি আৰু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো পুথিভঁৰালৰ অৱদান আওকাণ কৰিব নোৱাৰি। পুথিভঁৰাল হৈছে এক নিৰপেক্ষ স্থান য'ত জাতি, ধৰ্ম, বৰ্ণ বা ৰাজনৈতিক মতাদৰ্শৰ কোনো ভেদাভেদ নাথাকে। ইয়াত সকলো শ্ৰেণীৰ মানুহে জ্ঞানৰ সন্ধানত একত্ৰিত হয়। বৰ্তমান সমাজত বাঢ়ি অহা অসহিষ্ণুতা আৰু বিভেদৰ পৰিৱেশত পুথিভঁৰাল শান্তিৰ বাৰ্তাবাহক হ'ব পাৰে। ভিন্ন মত আৰু ভিন্ন সংস্কৃতিৰ কিতাপ পঢ়িলে মানুহে আনৰ প্ৰতি সহনশীল হ'বলৈ শিকে। আনৰ ধৰ্ম, সংস্কৃতি আৰু জীৱন ধাৰণৰ প্ৰণালীৰ বিষয়ে জনাৰ পিছত মানুহৰ মনত থকা ভুল ধাৰণাবোৰ দূৰ হয়। এইদৰেই কিতাপে মানুহক ওচৰ চপাই আনে। এখন কিতাপ পঢ়ি পোৱা আনন্দই মানুহৰ মনৰ পৰা হিংসা আৰু ঘৃণাৰ ভাৱ আঁতৰাই পেলায়। সেয়েহে কোৱা হয় যে যি ঠাইত পুথিভঁৰালৰ সংখ্যা বেছি, সেই ঠাইত অপৰাধৰ সংখ্যা কম। সমাজৰ অস্থিৰতা দূৰ কৰিবলৈ পুলিচ বা আইনতকৈ পুথিভঁৰাল বেছি কাৰ্যকৰী হ'ব পাৰে যদিহে ইয়াৰ সঠিক ব্যৱহাৰ হয়।

আধুনিক প্ৰযুক্তিৰ বিস্ফোৰণে আমাৰ পঢ়া অভ্যাস আৰু তথ্য আহৰণৰ পদ্ধতিত আমূল পৰিৱৰ্তন আনিছে। ইণ্টাৰনেট আৰু স্মাৰ্টফোনৰ সহজলভ্যতাই বহুতকে পুথিভঁৰালৰ পৰা আঁতৰাই নিছে বুলি ধাৰণা কৰা হয়। কিন্তু গভীৰভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰযুক্তিয়ে কিতাপৰ বিকল্প হ'ব নোৱাৰে। ডিজিটেল মাধ্যমত পোৱা তথ্যবোৰ প্ৰায়ে বিক্ষিপ্ত আৰু অগভীৰ হয়। ই মানুহক তথ্য দিয়ে কিন্তু জ্ঞান নিদিয়ে। ইয়াৰ বিপৰীতে গ্ৰন্থ অধ্যয়নে মানুহক গভীৰলৈ যাবলৈ বাধ্য কৰে। কিতাপ এখন পঢ়িবলৈ যি ধৈৰ্য আৰু একাগ্ৰতাৰ প্ৰয়োজন, সেয়া বৰ্তমানৰ এই 'স্ক্ৰলিং'ৰ যুগত অত্যন্ত দুৰ্লভ হৈ পৰিছে। পুথিভঁৰালৰ শান্ত পৰিৱেশে মানুহক এই হেৰুৱা একাগ্ৰতা ঘূৰাই পোৱাত সহায় কৰে। তাত বহি কিতাপৰ পাত লুটিওৱাৰ যি স্পৰ্শ আৰু ঘ্ৰাণ, তাৰ লগত এক আৱেগিক তৃপ্তি জড়িত হৈ থাকে, যিটো কোনোপধ্যেই যান্ত্ৰিক পৰ্দাত পোৱা নাযায়। গতিকে প্ৰযুক্তিৰ প্ৰত্যাহ্বান সত্ত্বেও পুথিভঁৰালৰ প্ৰাসংগিকতা কমি যোৱা নাই, বৰঞ্চ মানসিক সুস্থিৰতাৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা বাঢ়িছেহে।

আমাৰ দেশৰ অধিকাংশ মানুহে এতিয়াও গাঁৱত বাস কৰে। তেওঁলোকৰ হাতত জ্ঞানৰ সমল তুলি নিদিলে দেশৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয়। গ্ৰাম্য পুথিভঁৰালবোৰে কৃষকসকলক আধুনিক কৃষি পদ্ধতি, শস্যৰ সংৰক্ষণ আৰু বজাৰ ব্যৱস্থাৰ বিষয়ে জ্ঞান দিব পাৰে। মহিলাসকলক স্বাস্থ্য, পুষ্টি আৰু স্বাৱলম্বিতাৰ বিষয়ে সজাগ কৰিব পাৰে। যেতিয়া গাঁৱৰ মানুহে কিতাপ পঢ়িবলৈ আৰম্ভ কৰিব, তেতিয়া তেওঁলোকৰ জীৱনশৈলীৰ মান উন্নত হ'ব। তেওঁলোকে চৰকাৰী আঁচনিবোৰৰ বিষয়ে জানিব পাৰিব আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। গ্ৰাম্য পুথিভঁৰালবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সাংস্কৃতিক কেন্দ্ৰবোৰে গাঁৱৰ সামাজিক জীৱনক সজীৱ কৰি ৰাখিব পাৰে। সন্ধিয়া সময়ত জুৱা বা নিচাৰ আড্ডাৰ পৰিৱৰ্তে পুথিভঁৰালত গৈ কিতাপ পঢ়া বা আলোচনা কৰা পৰিৱেশ এটা গঢ়ি তুলিব পাৰিলে সমাজৰ চেহেৰাই সলনি হৈ যাব।

অৰ্থনৈতিক স্বাৱলম্বিতাৰ ক্ষেত্ৰতো পুথিভঁৰালৰ পৰোক্ষ ভূমিকা আছে। জ্ঞানৰ সম্প্ৰসাৰণে দক্ষতা বৃদ্ধিত সহায় কৰে। যেতিয়া এজন যুৱক বা যুৱতীয়ে বিভিন্ন বৃত্তিমুখী কিতাপ পঢ়ে, তেতিয়া তেওঁলোকে নতুন নতুন পেছাৰ সন্ধান পায়। কেৱল চৰকাৰী চাকৰিৰ ওপৰত নিৰ্ভৰ নাথাকি কেনেকৈ নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পাৰি, তাৰ দিকদৰ্শন পুথিভঁৰালে দিব পাৰে। উদ্যমিতা, ব্যৱসায় পৰিচালনা আৰু প্ৰযুক্তিবিদ্যাৰ কিতাপবোৰে নিবনুৱা সমস্যা সমাধানত সহায় কৰিব পাৰে। জ্ঞান আহৰণৰ ফলত মানুহৰ আত্মবিশ্বাস বাঢ়ে আৰু এই আত্মবিশ্বাসেই যিকোনো সফল ব্যৱসায় বা উদ্যোগৰ মূল চাবিকাঠি। তদুপৰি, এখন শিক্ষিত আৰু সচেতন সমাজত অৰ্থনৈতিক শোষণ কম হয়। মানুহে বজাৰৰ গতিবিধি বুজি পায় আৰু নিজৰ উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য নিৰ্ধাৰণ কৰিব পাৰে। এইদৰেই পুথিভঁৰাল আন্দোলনে সমাজৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাত অৰিহণা যোগায়।

ভাষা আৰু সাহিত্যৰ উত্তৰণত পুথিভঁৰালৰ অৱদান অতুলনীয়। পুথিভঁৰালবোৰ হৈছে সাহিত্যৰ প্ৰাণকেন্দ্ৰ। ইয়াত কেৱল পুৰণি সাহিত্য সংৰক্ষিত হোৱাই নহয়, নতুন সাহিত্যৰ সৃষ্টিৰ বাবেও ই এক উৰ্বৰ ভূমি। নতুন লেখকসকলে যেতিয়া পুথিভঁৰালত গৈ বিশ্বসাহিত্যৰ লগত পৰিচিত হয়, তেতিয়া তেওঁলোকৰ লিখনিৰ মান উন্নত হয়। তেওঁলোকে নতুন আংগিক আৰু নতুন শৈলীৰ সন্ধান পায়। পুথিভঁৰালৰ পাঠকসকলেই লেখকৰ অনুপ্ৰেৰণা। পাঠক সৃষ্টি নহ'লে লেখক সৃষ্টি হ'ব নোৱাৰে। পুথিভঁৰাল আন্দোলনে মানুহৰ মাজত পঢ়াৰ অভ্যাস গঢ়ি তুলি সাহিত্য জগতখনক জীয়াই ৰাখে। যি ভাষাত পাঠকৰ সংখ্যা বেছি, সেই ভাষাৰ সাহিত্যও চহকী হয়। মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰেম জগাই তোলাৰ ক্ষেত্ৰত পুথিভঁৰালৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰচলন বৃদ্ধি পোৱাৰ ফলত নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ চৰ্চা কমি গৈছে। পুথিভঁৰালবোৰে আকৰ্ষণীয় শিশু সাহিত্য আৰু মাতৃভাষাৰ কিতাপ ৰাখি তেওঁলোকক পুনৰ নিজৰ ভাষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে। পুথিভঁৰাল পৰিচালনা আৰু ইয়াৰ স্থায়িত্বৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণ অপৰিহাৰ্য। ই কেৱল চৰকাৰৰ দায়িত্ব নহয়, ই ৰাইজৰ অনুষ্ঠান। ৰাইজে ইয়াক আঁকোৱালি ল'ব লাগিব। পুথিভঁৰাল এটা সুচাৰুৰূপে চলিবলৈ হ'লে তাত নিয়মিত নতুন কিতাপৰ যোগান থাকিব লাগিব আৰু পৰিৱেশটো আকৰ্ষণীয় হ'ব লাগিব। সমাজৰ দানশীল ব্যক্তি, সংস্থা আৰু সংগঠনসমূহে এই ক্ষেত্ৰত আগভাগ ল'ব পাৰে। জন্মদিন, বিবাহ বা শ্ৰাদ্ধৰ দৰে সামাজিক অনুষ্ঠানত কিতাপ দান দিয়াৰ পৰম্পৰা গঢ়ি তুলিব পাৰিলে পুথিভঁৰালবোৰ কিতাপেৰে ভৰি পৰিব। তদুপৰি, পুথিভঁৰাল পৰিচালনা সমিতিবোৰত উদ্যমী আৰু সাহিত্যপ্ৰেমী যুৱক-যুৱতীক অন্তৰ্ভুক্ত কৰিব লাগে। তেওঁলোকৰ নতুন চিন্তা আৰু উৎসাহে পুথিভঁৰালটোক গতিশীলতা প্ৰদান কৰিব। পুথিভঁৰাল দিৱস, কুইজ প্ৰতিযোগিতা, কবি সন্মিলন আদিৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰি জনসাধাৰণক ইয়াৰ লগত জড়িত কৰি ৰাখিব লাগে। এটা পুথিভঁৰাল তেতিয়াহে সফল হ'ব যেতিয়া ই সমাজৰ প্ৰতিজন মানুহৰ আপোন অনুষ্ঠানত পৰিণত হ'ব।

সমাজৰ বৌদ্ধিক নেতৃত্ব গঢ়ি তোলাৰ ক্ষেত্ৰত পুথিভঁৰাল হৈছে প্ৰশিক্ষণৰ থলী। যিকোনো সমাজ সংস্কাৰক, ৰাজনেতা বা চিন্তাবিদৰ জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ চিন্তাৰ গঠনত গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। পুথিভঁৰালত বহি তেওঁলোকে বিশ্বৰ মহান নেতাসকলৰ জীৱনী পঢ়ি অনুপ্ৰাণিত হয়, সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰি সমাজ পৰিচালনাৰ কৌশল শিকে। এখন সমাজক সঠিক পথেৰে পৰিচালিত কৰিবলৈ হ'লে প্ৰজ্ঞাবান নেতৃত্বৰ প্ৰয়োজন। আৱেগৰ বশৱৰ্তী হৈ নহয়, জ্ঞান আৰু যুক্তিৰ আধাৰত সিদ্ধান্ত ল'ব পৰা নেতা সৃষ্টি কৰিবলৈ হ'লে পুথিভঁৰাল আন্দোলনক শক্তিশালী কৰিবই লাগিব। যি সমাজৰ নেতৃত্ব শ্ৰেণীটো অধ্যয়নশীল নহয়, সেই সমাজৰ ভৱিষ্যৎ অন্ধকাৰ। সেয়েহে, ভৱিষ্যতৰ সুনেতৃত্ব গঢ়ি তোলাৰ স্বাৰ্থতো পুথিভঁৰালৰ প্ৰসাৰ অতিকৈ জৰুৰী।

আমাৰ সমাজৰ বহু ক্ষেত্ৰত মহিলসকল এতিয়াও পিছ পৰি আছে। ঘৰুৱা কাম-কাজৰ ব্যস্ততাৰ বাবে তেওঁলোকে নিজৰ মানসিক বিকাশৰ বাবে সময় নাপায়। কিন্তু পুথিভঁৰালত গৈ কিছু সময় কটালে বা ঘৰলৈ কিতাপ আনি পঢ়িলে তেওঁলোকৰ মনৰ দুৱাৰ মুকলি হয়। তেওঁলোকে দেশ-বিদেশৰ সফল মহিলাসকলৰ কথা জানিব পাৰে আৰু নিজৰ জীৱনতো কিবা কৰাৰ সাহস পায়। মহিলাসকলে শিক্ষিত হ'লে গোটেই পৰিয়ালটোৱেই শিক্ষিত হয়। মাকৰ পঢ়া অভ্যাস দেখি ল'ৰা-ছোৱালীয়েও পঢ়িবলৈ শিকে। গতিকে পুথিভঁৰালবোৰত মহিলাৰ বাবে উপযোগী আলোচনী আৰু কিতাপ ৰখাৰ লগতে তেওঁলোকৰ বাবে সুকীয়া পঢ়া কোঠাৰ ব্যৱস্থা কৰিলে ভাল ফল পোৱা যাব। মহিলা পাঠিকা সন্মিলনৰ দৰে অনুষ্ঠান আয়োজন কৰি তেওঁলোকক উৎসাহিত কৰিব পাৰি।

পুথিভঁৰালৰ প্ৰাসংগিকতা কেতিয়াও শেষ নহয়, বৰঞ্চ সময়ৰ লগে লগে ইয়াৰ ৰূপ সলনি হয়। বৰ্তমান সময়ত পুথিভঁৰালবোৰক হাইব্ৰিড মডেললৈ ৰূপান্তৰ কৰাৰ চিন্তা কৰিব লাগে। অৰ্থাৎ কিতাপৰ লগতে ডিজিটেল সা-সুবিধাও উপলব্ধ কৰিব লাগে। কম্পিউটাৰ, ইণ্টাৰনেট আৰু ই-বুকৰ ব্যৱস্থা থাকিলে নৱপ্ৰজন্ম ইয়াৰ প্ৰতি বেছিকৈ আকৰ্ষিত হ'ব। কিন্তু মূল লক্ষ্য কিতাপ পঢ়োৱাটোৱেই হ'ব লাগে। পুথিভঁৰালটো কেৱল পঢ়া কোঠাই নহয়, ই এক সাংস্কৃতিক কেন্দ্ৰ হ'ব লাগে। ইয়াত চিত্ৰাংকন প্ৰতিযোগিতা, নাটকৰ কৰ্মশালা আৰু সংগীতৰ চৰ্চাও হ'ব পাৰে। এনেদৰে বহুমুখী কাৰ্যসূচীৰ জৰিয়তে পুথিভঁৰালটোক এটা জীৱন্ত অনুষ্ঠান হিচাপে গঢ়ি তুলিব লাগিব। ইয়াৰ ফলত সমাজৰ সকলো বয়সৰ আৰু সকলো ৰুচিৰ মানুহ ইয়াৰ প্ৰতি আকৃষ্ট হ'ব।

পৰিশেষত, পুথিভঁৰাল আন্দোলন আৰু সমাজৰ বৌদ্ধিক বিকাশ একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এখন সমাজক যদি আমি প্ৰকৃত অৰ্থত উন্নত বুলি ক'ব বিচাৰোঁ, তেনেহ'লে সেই সমাজৰ মানুহৰ চিন্তাৰ মানদণ্ড উন্নত হ'ব লাগিব। এই মানদণ্ড উন্নত কৰাৰ একমাত্ৰ আৰু নিৰ্ভৰযোগ্য উপায় হৈছে গ্ৰন্থ অধ্যয়ন। পুথিভঁৰালবোৰে এই সুযোগ সৃষ্টি কৰি দিয়ে। ই সমাজৰ ধমনীত অক্সিজেনৰ দৰে কাম কৰে। যিদৰে শৰীৰ জীয়াই থাকিবলৈ অক্সিজেনৰ প্ৰয়োজন, তেনেকৈ সমাজৰ আত্মা জীয়াই থাকিবলৈ জ্ঞানৰ প্ৰয়োজন। পুথিভঁৰাল হৈছে সেই জ্ঞানৰ অফুৰন্ত ভঁৰাল। আমি আমাৰ অনাগত ভৱিষ্যতৰ কথা চিন্তা কৰি এই ভঁৰালবোৰক ৰক্ষা কৰিব লাগিব আৰু নতুন ভঁৰাল গঢ়িব লাগিব। কেৱল অট্টালিকা বা ৰাস্তা-ঘাট নিৰ্মাণ কৰিলেই উন্নয়ন নহয়, প্ৰকৃত উন্নয়ন তেতিয়াহে হ'ব যেতিয়া মানুহৰ মগজুৰ উন্নয়ন হ'ব। আৰু মগজুৰ এই উন্নয়নৰ বাবে পুথিভঁৰালৰ কোনো বিকল্প নাই। আহক, আমি সকলোৱে সংকল্প লওঁ যে আমাৰ সমাজত জ্ঞানৰ পোহৰ বিলোৱা এই পবিত্ৰ মন্দিৰবোৰক আমি কেতিয়াও অৱহেলা নকৰোঁ। কাৰণ পুথিভঁৰাল জীয়াই থাকিলেহে আমাৰ জাতিসত্তা, আমাৰ ভাষা আৰু আমাৰ সংস্কৃতি জীয়াই থাকিব। সমাজৰ বৌদ্ধিক উত্তৰণৰ এই যাত্ৰাত পুথিভঁৰাল সদায় আমাৰ সাৰথি হৈ থাকিব, আমাক অন্ধকাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যাবলৈ পথ দেখুৱাই থাকিব। জ্ঞানৰ এই চিৰন্তন যাত্ৰা অব্যাহত থাকক, আৰু আমাৰ সমাজ প্ৰজ্ঞাৰ পোহৰেৰে উদ্ভাসিত হৈ উঠক।

# কাৰ্বি আংলঙৰ জুই

কাৰ্বি জনগোষ্ঠীটোৰ বাসস্থানৰ বাবেই ঠাইখনৰ নাম কাৰ্বি আংলং, যাৰ স্থানীয় ভাষা কাৰ্বি। এই ভাষাৰ 'আংলং'ৰ অৰ্থ হৈছে 'কাৰ্বি লোকৰ পাহাৰ'। হ'লেও তাত বহু যুগ ধৰি বড়ো, কুকি, গাৰো, তিৱা, ডিমাছা, ৰেংমা নগা, খাচী, মিজো, মাৰ, চাক্‌মা, চাহ জনগোষ্ঠী আদিৰ লোকে সমিল মিলেৰে বাস কৰি আছে।

বৰ্তমান কাৰ্বি আংলং জিলা বুলি চিহ্নিত ভূমিভাগ চিমাচা ৰাজ্যৰ অংশ আছিল। তাক এসময়ত উত্তৰ কাছাৰ বুলি কোৱা হৈছিল। তুলাৰাম থাওচেন বা তুলাৰাম সেনাপতি আছিল উত্তৰ কাছাৰৰ শেষ ৰজা বা বিখ্যাত প্ৰশাসক। তেওঁৰ নেতৃত্বত উত্তৰ কাছাৰ শক্তিশালী হৈ উঠিছিল। বৃটিছে অসম অধিকাৰ কৰাৰ পিছত স্বাধীনতা ৰক্ষাৰ বাবে বৃটিছৰ সৈতে তেওঁৰ সংঘাত আৰম্ভ হয়। ১৮৫৪ চনত তুলাৰাম থাওচেনৰ মৃত্যু হয় আৰু কাৰ্বি আংলঙত ব্ৰিটিছে খোপনি পোতে। সেই সময়ত বৃটিছে ইয়াক 'অনুসূচিত জিলা' হিচাপে স্বীকৃতি দিয়ে। ১৯৩৫ চনৰ ভাৰত চৰকাৰে মিকিৰ পাহাৰ অঞ্চলক 'partially excluded areas' হিচাপে সংৰক্ষিত কৰে। ১৯৫১ চনৰ ১৭ নৱেম্বৰ তাৰিখে ভাৰত চৰকাৰে খাছী আৰু জয়ন্তীয়া পাহাৰ জিলা, কাৰ্বি আংলং, কাছাৰ, নগাঁও আৰু গোলাঘাট জিলাৰ কিছু অংশ সামৰি 'সংযুক্ত মিকিৰ পাহাৰ' আৰু 'উত্তৰ কাছাৰ জিলা' ঘোষণা কৰে। ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহৰ ২ তাৰিখে 'মিকিৰ পাহাৰ জিলা' আৰু 'উত্তৰ কাছাৰ জিলা' গঠন কৰে। ১৯৭৬ চনৰ ১৪ অক্টোবৰ তাৰিখৰ পৰা মিকিৰ পাহাৰ জিলাৰ নাম সলনি কৰি 'কাৰ্বি আংলা জিলা' কৰা হয়। ২০১৬ চনৰ পৰা হামৰেণ মহকুমাক লৈ পশ্চিম কাৰ্বি আংলং জিলা আৰু বাকী অঞ্চলক 'কাৰ্বি আংলং জিলা'ৰ স্বীকৃতি দিয়ে।

বৰ্তমান কাৰ্বি সকলৰ নিজা ভূমিত অনা কাৰ্বিৰ লগতে ভাৰতৰ বিভিন্ন প্ৰদেশৰ মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছে। বৰ্তমানৰ সংঘাত হৈছে বিভিন্ন প্ৰান্তৰ মানুহৰ কাৰ্বি আংলঙলৈ হোৱা প্ৰব্ৰজন আৰু ভূমি দখল।

**বৰ্তমানৰ ঘটনাৰ পটভূমিঃ**

কাৰ্বি আংলংত বৃটিছৰ শাসন কালৰ পৰাই বিভিন্ন জনগোষ্ঠী আৰু অ-জনজাতীয় লোকে বসতি কৰি আহিছে। কাৰ্বি জনগোষ্ঠীৰ লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে অ-জনজাতি আৰু ভাৰতৰ বহিঃৰাজ্যৰ পৰাও মানুহৰ সমাগম বৃদ্ধি পাবলৈ ধৰে। তাত থকা খালী ভূমি Professional Grazing Reserve (P. G. R.) আৰু Village Grazing Reserve (V. G.R.) সমূহত বিভিন্ন ৰাজ্যৰ পৰা যোৱা বিহাৰী, নেপালী, বঙালী মানুহে অবৈধ দখল কৰা বুলি অভিযোগ উত্থাপন হৈ আহিছে। যাৰ ফলত অনা- কাৰ্বিৰ আগ্ৰাসনত এতিয়া আংলঙৰ ভূমিপুত্ৰ সকল নিঃচিহ্ন হ'ব বুলি শংকিত হৈ উঠিছে।

কাৰ্বি আংলং জিলা, স্বায়ত্ব শাসিত পৰিষদৰ অন্তৰ্ভুক্ত আৰু ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত। সেই ফালৰ পৰা চাবলৈ গ'লে তাত অনা-কাৰ্বিয়ে বসবাস কৰিব নোৱাৰে। অন্য জাতি বোৰৰ নিজা প্ৰদেশ আছে, নিজৰ ভূমি আছে। তাত তেৰোঁলোকে স্বাচ্ছন্দ্যে জীৱন নিৰ্বাহ কৰিব পাৰে বা কৰি আছে। তেনেস্থলত সামান্য ভূমিখণ্ডত বসবাস কৰা কাৰ্বি জনজাতীয় সম্প্ৰদায়ৰ অধিকাৰ বিঘ্নিত কৰা উচিত নহয়। সেই ফালৰ পৰা চাবলৈ গ'লে, কাৰ্বি আংলঙৰ কাৰ্বিসকলে ভূমি বেদখলৰ পৰা উচ্ছেদৰ দাবীত কৰা আন্দোলন সম্পূৰ্ণ যুক্তি সংগত। সেই উদ্দেশ্যে আগত ৰাখি কাৰ্বি আংলঙৰ ডংকামোকামত পি. জি. আৰ. আৰু ভি. জি. আৰ.ৰ পৰা অবৈধ দখলকাৰী উচ্ছেদ কৰিবলৈ কাৰ্বি ছাত্ৰ সন্থাকে ধৰি বহুকেইটা কাৰ্বি সংগঠনে দীৰ্ঘ দিন ধৰি আন্দোলন চলাই আহিছে।

কিন্তু বিষয়টো সিমান উজু নহয়। চৰকাৰী মাটি, অভয়াৰণ্য, বনাঞ্চলত অবৈধ ভূমি দখলৰ বাবে নিৰ্দিষ্ট কোনো গোষ্ঠীকেই সদ্যহতে জগৰীয়া কৰিব পৰা নাযায়। জানিব পৰা মতে, তাত আছে বিভিন্ন পক্ষ। স্থানীয় কাৰ্বি বাসিন্দা, বাহিৰৰ লোক, অনা-কাৰ্বি আৰু প্ৰশাসনেও হেনোঁ অবৈধ ভাৱে ভূমি দখল কৰি আছে। প্ৰশাসনে অবৈধ দখলকাৰীক উচ্ছেদ কৰিবলৈ ব্যৱস্থা গ্ৰহণ নকৰাও নহয়, কৰিছে। তাৰ লগে লগে স্থানীয় লোকে উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ কৰা বুলিও খবৰ ওলাইছে।

তদুপৰি, যিসকল লোক পূৰ্বৰে পৰাই তাত বসবাস কৰি আছে, সেইসকল লোকৰ উপস্থিতি সন্দৰ্ভত কোনো ষষ্ঠ অনুসূচীত স্পষ্ট কোনো নিৰ্দেশ বা নিয়ম ৰখা হোৱা নাই। যিহেতু ভাৰতীয় নাগৰিকে যি কোনো ঠাইত বেপাৰ-বাণিজ্য কৰা, বসবাস কৰাৰ অধিকাৰ সংবিধানে প্ৰদান কৰিছে, তেনে ক্ষেত্ৰত অনা-কাৰ্বিসকলক কাৰ্বি আংলঙৰ পৰা বিতাৰিত কৰা যায় কেনেকৈ? সিয়ো এক জটিলতা। অনা-কাৰ্বিসকলেও তাত সংবিধান প্ৰদত্ত অধিকাৰ পাব লাগে। ভূমিৰ মালিকীস্বত্ব আৰু তাৰ ব্যৱহাৰ সম্পৰ্কে কিছু অস্পষ্টতা থকা বাবে বিষয়টো বৰ্তমান জটিল আৰু স্পৰ্শকাতৰ হৈ পৰিছে।

অবৈধ দখলকাৰীক উচ্ছেদ কৰাৰ দাবীত যোৱা ১৫ দিন ধৰি অনশন দৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰো চলি আছে। হঠাতে ২৩ ডিচেম্বৰত অনশনকাৰীক চিকিৎসাৰ অজুহাতত তাৰ পৰা প্ৰশাসনে আঁতৰাই নিয়াৰ সময়ত কাৰ্বি আৰু অনা-কাৰ্বি লোকৰ মাজত সংঘাতৰ সৃষ্টি হৈছে। ফলত বাহন জ্বলি উঠিছে, হিংসাত্মক ঘটনাৰ সৃষ্টি হৈছে। পুলিচ আৰু জনতাৰ মাজত সংঘৰ্ষ লাগে। বিভিন্ন ঠাইত জুই জ্বলি উঠিছে। সেই জুই নিউজ চেনেলত সকলোৱে দেখিছে।

অবৈধ দখলকাৰীসকলক উচ্ছেদৰ বিষয়ত গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ চলি থকাৰ বাবে চৰকাৰে তাত হস্তক্ষেপ কৰাৰ পৰা বিৰত আছে। প্ৰতিবাদ, উচ্চ ন্যায়ালয়ৰ বিচাৰ সকলো চলক। কিন্তু বিষয়টোৰ শীঘ্ৰেই কাৰ্য্যকৰী সমাধান সূত্ৰ প্ৰস্তুত হ'ব লাগে। বিষয়টোক সুবিধাবাদীয়ে বিদ্বেষ সৃষ্টিৰ আহিলা হিচাপে ব্যৱহাৰ কৰাৰো অভিযোগ উঠিছে। সদৌ অসম ছাত্ৰ সন্থাৰ ভূমিকাতো প্ৰশ্নবোধক চিহ্ন লাগিছে। মুখ্য কাৰ্য্যবাহী বিষয়াজনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দোষাৰোপ কৰিছে। আটাইতকৈ ডাঙৰ কথাটো হৈছে কাৰ্বি সকলৰ বাবে সংৰক্ষিত স্থানত গৈ সেই স্থানৰ প্ৰকৃত অধিবাসীক 'গ' বেক' ধ্বনি দিয়াটো কোনো কাৰণতে যুক্তিসংগত নহয়। আজি বিহাৰ বা পশ্চিম বংগলৈ গৈ কোনোবাই যদি 'গ' বেক' ধ্বনি দিয়ে কোনোবাই সুদাই এৰিব নে? ন্যায়ালয়ত গোচৰ চলি থকাৰ বাবে চৰকাৰে তাত হস্তক্ষেপ কৰিব নোৱাৰে, নালাগে। এনেকুৱা কথাত চৰকাৰে নীৰৱ দৰ্শকৰ ভূমিকা ল'ব নালাগে। সেইসকল লোকক এটা পাঠ শিকোৱা দৰকাৰ।

মুঠতে কাৰ্বি আংলঙৰ জুইত সকলোৱে গা সেকিবলৈ চেষ্টা কৰিছে। কিন্তু আমি বিচাৰোঁ, কাৰ্বি আংলঙৰ জুই অতি শীঘ্ৰে নিৰ্বাপিত হওক। তেওঁলোকৰ অধিকাৰ সুৰক্ষিত হওক। লগতে তাত থকা অনা- কাৰ্বিসকলৰ স্বাৰ্থও যাতে সুৰক্ষিত থাকে সেই কথাও সকলো পক্ষই বিবেচনা কৰিব লাগিব।

**ড° আৰ কে বেজবৰুৱা**

কৃত্ৰিম প্ৰজননৰ সুবিধা গ্ৰহণ কৰিবলৈ ৰাইজক পশু চিকিৎসকৰ আহ্বান

# ৰাষ্ট্ৰীয় গকুল মিছনৰ সৌজন্যত নামনি মাজুলীত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় সজাগতা সভা



**উজনী মাজুলী, ৭ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় গকুল মিছনৰ সৌজন্যত, অসম পশুধন উন্নয়ন অভিকৰণৰ জৰিয়তে আজি নামনি মাজুলীত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। নামনি মাজুলীৰ কাৰ্গিল চাপৰিৰ অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত আজি পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা উক্ত সজাগতা সভাৰ আঁত ধৰে মাজুলী জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মূদৈয়ে। উক্ত, সজাগতা শিবিৰটো উদ্বোধন কৰে মাজুলী জিলা পৰিষদৰ উপ-সভানেত্ৰী তথা নামনি মাজুলী জিলা পৰিষদৰ সদস্যা জুন্টি মিলি পায়েঙে। উক্ত সজাগতা মাজুলী জিলা পশুপালন বিভাগৰ চিকিৎসক, কৰ্মচাৰী, গোপাল মিত্ৰ, পশু মৈত্ৰী, পশু সখী, স্থানীয় পশুপালক, সকলে অংশগ্ৰহণ কৰে। উক্ত সজাগতা সভাত সমল ব্যক্তি হিচাপে মাজুলী জিলাৰ জেংৰাইমুখ ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ ভাইকণ সিঙে কৃত্ৰিম প্ৰজননৰ প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰি কৃত্ৰিম প্ৰজনন প্ৰক্ৰিয়াৰে জন্ম দিয়া গৰু পোৱালি আৰু গাখীৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে কৃত্ৰিম প্ৰজননৰ সুবিধা সমূহ ব্যাখ্যা কৰে। অনুষ্ঠানত পশু চিকিৎসক ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ দ্বীকজ্যোতি ভূঞা, ডাঃ যোচেফ দাস, ডাঃ গণেশ পায়েঙে অংশগ্ৰহণ কৰি কৃত্ৰিম প্ৰজননৰ সুবিধা সমূহ ব্যাখ্যা কৰে। উক্ত সজাগতা সভাত ৰাষ্ট্ৰীয় গকুল মিছনৰ লক্ষ্য উদ্দেশ্য আৰু পশুধন উন্নয়ন আৰু ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গকুল মিছনৰ ভূমিকা সন্দৰ্ভত জিলা পশুপালন বিষয়া ডাঃ থানেশ্বৰ মূদৈয়ে ব্যাখ্যা কৰে। অনুষ্ঠানত পশু চিকিৎসকসকলে পশুপালকসকলক কৃত্ৰিম প্ৰজননৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায় আৰু কৃত্ৰিম প্ৰজননৰ সুবিধা থকা কেন্দ্ৰ সমূহৰ সবিশেষ ব্যাখ্যা ডাঙি ধৰে। উক্ত সজাগতা সভাত স্থানীয় পঞ্চায়ত প্ৰতিনিধি, গাঁও প্ৰধান, আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মূদৈয়ে।

জিলা আয়ুক্তৰ অধ্যক্ষতাত প্ৰস্তুতিমূলক সভা

# বঙাইগাঁৱত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৭ জানুৱাৰী ঃ** আগন্তুক ৭৭ সংখ্যক গণৰাজ্য দিৱস বঙাইগাঁও জিলাত উলহ-মালহেৰে উদযাপন কৰাৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। এই উদ্দেশ্যে আজি বঙাইগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জিলাখনৰ প্ৰশাসনিক বিষয়াৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। চলিত বৰ্ষৰ ২৬ জানুৱাৰীৰ কেন্দ্ৰীয় কাৰ্যসূচী বঙাইগাঁও চহৰৰ ঐতিহাসিক গান্ধী ময়দানত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সভাৰ আলোচনা মৰ্মে পেৰেড, পতাকা উন্মোচন, বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচী আৰু প্ৰীতি খেলকে ধৰি বিভিন্ন দায়িত্বসমূহ সংশ্লিষ্ট বিভাগীয় বিষয়াসকলৰ ওপৰত ন্যস্ত কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সকলোৰে আন্তৰিক সহযোগিতা কামনা কৰে। নিৰাপত্তাৰ দিশটোৰ ওপৰত আলোকপাত কৰি সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহনলাল মীনাই বক্তব্য আগবঢ়ায়। তেওঁ জিলাখনত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ আশ্বাস দিয়ে। আনহাতে, জিলা আয়ুক্ত শ্ৰী পাঠকে চহৰখনৰ পথ-উপপথসমূহ মেৰামতি কৰিবলৈ লোকনিৰ্মাণ বিভাগক, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে পৌৰসভাৰ কাৰ্যবাহী বিষয়াক আৰু বিদ্যুতৰ সু-ব্যৱস্থাৰ বাবে বিদ্যুৎ বিভাগৰ বিষয়াসকলক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। লগতে পৰিবহণ বিভাগক আৱশ্যকতা অনুসৰি বাহনৰ যোগান ধৰিবলৈ কোৱা হয়। আজিৰ এই প্ৰস্তুতিমূলক সভাত অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে অভয়াপুৰী সমজিলাৰ সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, অতিৰিক্ত আৰক্ষী অধীক্ষক সবিতা দাস, সমজিলা আৰক্ষী অধীক্ষক অনুপজ্যোতি বৰা আৰু বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে।

বৃদ্ধা আই-মাতৃসকলৰ আশীৰ্বাদ প্ৰদান

# নলবাৰীৰ চকবজাৰৰ বৃদ্ধাশ্ৰমত নতুন কম্বল বিতৰণ ৱাৰিৱৰ্চৰ

**অসম বাৰ্তা, নলবাৰী, ৭ জানুৱাৰী ঃ** ৱাৰিয়ৰ্চৰ এক শলাগণীয় পদক্ষেপ। ৱাৰিৱৰ্চ নলবাৰী জিলা সমিতিৰ উদ্যোগত অলপতে জিলাখনৰ চকবজাৰস্থিত বয়োজেষ্ঠ বৃদ্ধাশ্ৰমত পৰিয়ালৰ দ্বাৰা উপেক্ষিত ককা-আইতা সকলৰ মাজত নতুন কম্বল বিতৰণ কৰে। প্ৰতিবছৰে ৱাৰিৱৰ্চে নলবাৰীৰ বৃদ্ধাশ্ৰমত নতুন বছৰ উপলক্ষে, ভোগালী বিহু উপলক্ষে ককা আইতা সকলক নতুন বস্ত্ৰ উপহাৰ দিয়াৰ লগতে ভোগালীৰ এসাজ কাৰ্য্যসূচী হাতত লৈ আহিছে। এইবেলিও বৃদ্ধাশ্ৰমত থকা ককা-আইতা সকলক একোখনকৈ নতুন কম্বল উপহাৰ হিচাপে প্ৰদান কৰে ৱাৰিৱৰ্চে। ইয়াক লৈ বৃদ্ধা ককা-আইতা সকলে উৎফুল্ল হয় আৰু ৱাৰিৱৰ্চৰ এই মহান কাৰ্য্যক শলাগ লয়। কাৰ্য্যসূচীত উপস্থিত থাকে নলবাৰী জিলা ৱাৰিৱৰ্চৰ উপদেষ্টা সজল সৰকাৰ, অকণ তালুকদাৰ বৰ্মন, সম্পাদিকা মঞ্জু বৈশ্য, সহ সম্পাদিকা মুন্না বৰ্মন, বিত্ত সম্পাদক নাৰায়ণ নাথ, কাৰ্য্যকৰী সদস্যা সীমা সাহা, নুৰুমা আহমেদ, চুনুমা বৈশ্য, ৰুবি হাজৰিকা, পদুমী বৰ্মন, ইভা বৰ্মন, বিজুমণি মেধি, নিভাৰাণী ডেকা, জুতিকা শৰ্মা, জয়াৰাণী চৌধুৰী, গীতাঞ্জলি হালৈ, সবিতা দেৱী আদি।

# চামগুৰিৰ নৰ্নৈ চাহ বাগিছাত চাহ শ্ৰমিকৰ উত্তাল প্ৰতিবাদ

বিভিন্ন সমস্যা সমাধানৰ দাবী



**অসম বাৰ্তা, পুৰণিগুদাম, ৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নৰ্নৈ চাহ বাগিছাত বঞ্চিত-প্ৰতাৰিত শতাধিক চাহ শ্ৰমিকে আজি পুৱা প্ৰচণ্ড শীতকো নেওচি বিভিন্ন দাবী উত্থাপনেৰে এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। নৰ্নৈ চাহ বাগিছাৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদকাৰী চাহ শ্ৰমিক ৰাইজে চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি কৰাকে ধৰি বিভিন্ন দাবীৰ প্ৰতিবাদত এক ঘণ্টাজোৰা ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে, চাহ বাগিছাত কৰ্মৰত চাহ শ্ৰমিক সকলে ন্যূনতম দৈনিক মজুৰিত কাম কৰিব লগা হৈছে। দৈনিক মজুৰিত কাম কৰা শ্ৰমিকৰ দৰমহা সংশোধন সম্পৰ্কীয় দ্বিপাক্ষিক চুক্তিৰ ম্যাদ ইতিমধ্যে শেষ হৈ যোৱাৰ পাছতো অসম চৰকাৰৰ শ্ৰমমন্ত্ৰী আৰু বাগিচাৰ মালিক পক্ষই আজি পৰ্যন্ত কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰাৰ ফলত চাহ শ্ৰমিক সকলে প্ৰতিবাদ সাব্যস্ত কৰে। ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অন্তৰ্ভুক্ত অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ স্বাক্ষৰিত জি চি আই আৰ-১/২৩ নং চিঠিৰ জৰিয়তে আজি সমগ্ৰ অসমত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ যোৱা ৩০ ডিচেম্বৰত অসম চাহ মজদুৰ সংঘৰ শাখা সম্পাদক সকললৈ আহ্বান জনাই প্ৰত্ৰ প্ৰেৰণ কৰিছিল। সেই অনুসৰি সমগ্ৰ ৰাজ্যতে আজি ৰূপায়ণ হোৱা ধৰ্ণা কাৰ্যসূচীৰ অংশ হিচাপে চামগুৰিৰ নৰ্নৈ চাহ বাগিচাতো প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী পালন কৰা হয়। শ্ৰমিকৰ থকা ঘৰবোৰত ফাট মেলাৰ পাছতো মালিক পক্ষই কোনো ধৰণৰ গুৰুত্ব দিয়া নাই বুলি প্ৰতিবাদকাৰী সকলে অভিযোগ কৰে। লগতে জৰাজীৰ্ণ হৈ পৰা পথ সমূহ পকীকৰণৰ ব্যৱস্থা আৰুজন স্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অনা ক্ৰেচাৰ সমূহ বন্ধ কৰিবলৈ প্ৰতিবাদী চাহ শ্ৰমিকসকলে আহ্বান জনায়। অসম চাহ মজদুৰ সংঘ নগাঁও শাখাৰ অন্তৰ্গত আৰু বৰ্তমান বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত থকা কঁঠালগুৰি, উদমাৰি, নৰ্নৈ ৰঙামাটি, বৰজুৰি, গোঁসাই গাঁও আৰু পুৰণা শালনা আদিকে ধৰি বিভিন্ন সংযোগী পথৰে প্ৰায় ৩০/৪০ টন ওজনৰ পাথৰ কঢ়িওৱা ডাম্পাৰ গাড়ীয়ে বৰ্তমান পথ সমূহ জৰাজীৰ্ণ কৰাৰ অভিযোগ কৰে প্ৰতিবাদকাৰী চাহ শ্ৰমিক সকলে। দুৰৱস্থাৰ পথ সমূহৰ কাৰণে প্ৰায় ৪ বছৰ ধৰি উক্ত অঞ্চল সমূহৰ ৰাইজে জীয়াতু ভুগিব লগাত পৰিছে। জৰাজীৰ্ণ পথৰ বাবেই ৰোগীসকলৰ লগতে, গৰ্ভৱতী মহিলাও বিপদত পৰিব লগা হৈছে বুলি প্ৰতিবাদী চাহ শ্ৰমিকসকলে অভিযোগ কৰে। পথ সমূহ জৰাজীৰ্ণ হোৱাত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ অহা-যোৱাত যথেষ্ট অসুবিধাৰ সন্মুখিন হ'বলগাত পৰিছে বুলি অভিযোগ কৰে চাহ শ্ৰমিক সকলে। নৰ্নৈ চাহ বাগিছাৰ পানীমাৰা অঞ্চলত এটা ক্ৰেচাৰ থকাৰ বাবেই চাহ শ্ৰমিক ৰাইজ বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে বুলি অভিযোগ উঠিছে। ক্ৰেচাৰৰ ধূলি-বালিৰ ফলত বাগিছাৰ ৩০ হেক্টৰ মাটিত বৰ্তমান চাহপাত নোহোৱা হৈছে বুলি অভিযোগ কৰে চাহ শ্ৰমিকসকলে। প্ৰতিবাদী চাহ শ্ৰমিকসকলে আজি নৰ্নৈ চাহ বাগিচাৰ পৰিচালক আৰু কলিয়াবৰ মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ লগতে বিজেপি নেতৃত্বাধীন চৰকাৰখনে নিৰ্বাচনৰ পূৰ্বে চাহ শ্ৰমিক ৰাইজৰ দাবী সমূহ পূৰণ নকৰিলে আগন্তুক বিধানসভা নিৰ্বাচনত চাহ শ্ৰমিক ৰাইজে বিকল্প চিন্তা কৰিব বুলি হুংকাৰ প্ৰদান কৰে।

# সিদলসতীত কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ২৫ সংখ্যক শ্বহীদ দিৱস পালন



**অসম বাৰ্তা, অভয়াপুৰী, ৭ জানুৱাৰী ঃ** আজি বঙাইগাঁও জিলাৰ সিদলসতীত কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ২৫ সংখ্যক শ্বহীদ দিৱস যথাযোগ্য মৰ্যাদাৰে অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজন কৰা বৃহৎ স্মৰণ সভাত বহু বিশিষ্ট ব্যক্তি, সংগঠনৰ নেতা-কৰ্মী তথা বিপুল সংখ্যক লোক উপস্থিত থাকে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ (আক্ৰাছু) সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে সমাগত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ প্ৰসংগত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ স্পষ্টভাৱে কয় যে, যদি নিৰ্বাচনৰ পূৰ্বে কোচ-ৰাজবংশী সকলক জনজাতিকৰণ কৰা নহয় আৰু পৃথক কমতাপুৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ সৈতে কোনো ধৰণৰ গঠনমূলক আলোচনা আৰম্ভ নহয়, তেন্তে এইখন চৰকাৰে ভৱিষ্যতে গুৰুতৰ ৰাজনৈতিক পৰিণামৰ সন্মুখীন হ'বলৈ বাধ্য হ'ব। সভাত বক্তব্য ৰাখি বলোৰাম বৰ্মনে আদিত্য খাখলাৰীৰ ভূমিকাক লৈও তীব্ৰ প্ৰশ্ন উত্থাপন কৰে। "আদিত্য খাখলাৰীৰ মুৰত মাল নাই নেকি?" বুলি তেওঁ তীব্ৰ ভাষাৰে প্ৰশ্ন কৰি কয় যে, কোচ-ৰাজবংশী সমাজৰ জনজাতিকৰণৰ দৰে সংবেদনশীল বিষয়ত দায়িত্বশীল আচৰণ অতি প্ৰয়োজনীয়। ইফালে, জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰী গোটে প্ৰস্তুত কৰা প্ৰতিবেদনক চি চি টি ও এ প্ৰত্যাখ্যান কৰাক লৈ সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গৰাকীয়ে তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, এই প্ৰতিবেদন কোচ-ৰাজবংশী জনগোষ্ঠীৰ আশা-আকাংক্ষাৰ প্ৰতিফলন নহয় আৰু ইয়াক কোনোমতেই গ্ৰহণযোগ্য বুলি ধৰা নাযায়। শেষত বলোৰাম বৰ্মনে কয় যে যদি ২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ পূৰ্বে কোচ-ৰাজবংশী জনগোষ্ঠীক তেওঁলোকৰ সাংবিধানিক অধিকাৰ প্ৰদান কৰা নহয়, তেন্তে পৰিস্থিতি অতি ভয়ংকৰ ৰূপ ল'ব পাৰে। এই বক্তব্যৰ জৰিয়তে তেওঁ চৰকাৰক শীঘ্ৰে স্পষ্ট আৰু দৃঢ় সিদ্ধান্ত ল'বলৈ আহ্বান জনায়।

# বৰ্ণিল কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠান

আদৰ্শ বিদ্যাপীঠ গেলেকীৰ ৰূপালী জয়ন্তী




**অসম বাৰ্তা, গেলেকী, ৭ জানুৱাৰী ঃ** শিক্ষাৰ অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান গেলেকী আদৰ্শ বিদ্যাপীঠৰ ৰূপালী জয়ন্তী উদ্বোধনী অনুষ্ঠান উদযাপনৰ দুদিনীয়া কাৰ্যসূচীৰ সফলভাৱে সামৰণি পৰিছে। দুদিনীয়া কাৰ্যসূচীৰে যোৱা ইংৰাজী ২ জানুৱাৰীত অনুষ্ঠিত হৈছিল এই ৰূপালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠানৰ। অনুষ্ঠানৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ৬: ৩০ মিনিটত আৰম্ভ হয় পৰিৱেশ নিকাকৰণ। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাই অংশগ্ৰহণ কৰে এই কাৰ্যসূচীত। পুৱা ৭: ৩০ মিনিটত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয় ৰোপক হিচাপে উপস্থিত আছিল বনবন্ধু হিচাপে খ্যাত নিৰণ গগৈ সহযোগী আছিল কমলাবাৰীৰ অৰণ্যম গোষ্ঠী। পুৱা ৮বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভ হয় প্ৰজ্বলক হিচাপে উপস্থিত আছিল অৱসৰপ্ৰাপ্ত শিক্ষক, নামাচাৰ্য ফুলেশ্বৰ ৰাজখোৱা। ইয়াৰ পিছতেই পাতাকা উন্মোচন কাৰ্যসূচী অনুষ্ঠিত হয়। উন্মোচক হিচাপে আছিল বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভানেত্ৰী প্ৰাক্তন শিক্ষয়িত্ৰী গুণ গগৈ। পুৱা ৯ বাজি ৩০ মিনিটত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অৰ্পণ অনুষ্ঠান। বিদ্যালয়খন প্ৰতিষ্ঠাপক প্ৰয়াত ক্ৰমে নীলিকেশ গগৈ, পুণ্যেশ্বৰ গগৈ, হানুজ আলী, দুলেশ্বৰ গগৈ, আইমন গগৈ, ময়ূৰী গগৈ, প্ৰিয়া লিম্বু, আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ লৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। ১০ বাজি ২০ মিনিটত অনুষ্ঠিত হোৱা বিদ্যালয় খনৰ নতুন ভৱনৰ শিলান্যাস কৰাৰ পিছতেই বিজ্ঞান প্ৰদৰ্শনী অনুষ্ঠানৰ আৰম্ভ হয়। য'ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে উদ্ভাৱন কৰা বিভিন্ন প্ৰযুক্তিৰ প্ৰদৰ্শন কৰা হয়। এই প্ৰদৰ্শনীৰ উন্মোচক হিচাপে উপস্থিত আছিল শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° উৎপল দত্ত। দিনৰ ১১ বজাত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাৰ উদ্বোধক হিচাপে উপস্থিত আছিল নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° জীৱন কলিতা। মুকলি সভাখনৰ সভাপতিত্ব কৰে শিৱসাগৰ জিলাৰ জাতীয় বিদ্যালয়ৰ সমন্বয় সমিতিৰ সভাপতি নৃপেন নেওগে। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মা। সভাত বক্তৃতা দাঙি ধৰি ডাঃ শৰ্মাই অসমীয়া ভাষা ব্যৱহাৰৰ ওপৰত বিস্তৃত ভাৱে বৰ্ণনা আগবঢ়াই। ডাঃ শৰ্মাই অন্য উন্নত দেশৰ তুলনা কৰি কয় যে তেখেতে ভ্ৰমণ কৰা উন্নত দেশ তথা ৰাজ্যসমূহে নিজৰ ভাষা ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। কিন্তু আজি আমাৰ অসমত অসমীয়া ভাষা ব্যৱহাৰকাৰী সংখ্যা ৫০ শতাংশৰ তললৈ হ্ৰাস পাইছে। ই আমাৰ জাতিটোৰ বাবে দুৰ্ভাগ্যজনক। ডাঃ শৰ্মাই আৰু কয় এটা জীয়া জাতিৰ প্ৰকৃত পৰিচয় হৈছে ভাষা। নিজস্ব ভাষা নহ'লে এটা জাতি জীয়াই থকাটো অসম্ভৱপৰ। গতিকে আমি অসমীয়া ভাষা ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগে এজন অসমীয়া হিচাপে। মুকলি সভাৰ পিছতেই সন্ধিয়া ৫ বজাৰ পৰা আৰম্ভ হয় সাংস্কৃতিক সন্ধিয়াৰ। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰে গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° জিতু শইকীয়াই। প্ৰথম দিনাৰ সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা প্ৰদৰ্শিত সাংস্কৃতিক অনুষ্ঠানে উপস্থিত সকলোকে আপ্লুত কৰে। উক্ত দিনা অনুষ্ঠিত সাংগীতিক অনুষ্ঠানত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক মহামিলন দেখিবলৈ পোৱা যায়। ৩ জানুৱাৰীত পুৱা ৭ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে দ্বিতীয় দিনৰ অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। প্ৰজ্বলক হিচাপে উপস্থিত আছিল প্ৰাক্তন প্ৰধান শিক্ষক বিৰেণ শইকীয়া। পুৱা ৮ বজাত সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। এই শোভাযাত্ৰাত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক আৰু দল সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। দিনৰ ১২ বজাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহৰ লগতে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাৰ সভাপতিত্ব কৰে উদযাপন সমিতিৰ সভাপতি হেমন্ত ৰাজখুৱাই। বিয়লি ৩বজাত আৰম্ভ হয় প্ৰাক্তন ছাত্ৰ- ছাত্ৰীৰ আলাপ অনুষ্ঠান। এই অনুষ্ঠানৰ পিছতেই আৰম্ভ হয় বন্তি প্ৰজ্বলনৰ অনুষ্ঠান। বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক চুচন গগৈয়ে। সন্ধিয়া ৫ঃ৩০ মিনিটত সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰা হয়। উদ্বোধক হিচাপে উপস্থিত আছিল টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰি ময়ূৰ বৰগোহাঁইয়ে বিদ্যালয়খনৰ শৈক্ষিক উন্নতিৰ কাৰণে ১০ লাখ টকাৰ এটা অনুদান ঘোষণা কৰে। নিশা জনপ্ৰিয় কণ্ঠশিল্পী কুসুম কৈলাসৰ সংগীতানুষ্ঠানৰ পিছতেই কাৰ্যসূচীৰ সামৰণি পৰে।

অসংগঠিত দিনৰ পৰা নেতৃত্বৰ আসনলৈ তৰুণ ৰাজুৱাৰৰ ত্যাগ আৰু দায়বদ্ধতাৰ উদাহৰণ

# মৰিয়নিৰ ৰাজনীতিত নিঃস্বাৰ্থ সেৱাৰ প্ৰেৰণাদায়ক কাহিনী



**অসম বাৰ্তা, আমগুৰি, ৭ জানুৱাৰী ঃ** ব্যক্তিজনৰ নাম তৰুণ ৰাজুৱাৰ। মৰিয়নি সমষ্টিৰ পূৱ লাহিং গাঁও পঞ্চায়তৰ অন্তৰ্গত টিপমীয়া গাঁৱৰ এজন সমাজ সচেতন ব্যক্তি। ২০০১ চনতে বিদ্যালয়ৰ শিক্ষকতা বৃত্তিৰ লগতে আটছাৰ দায়িত্বৰ পৰা পদত্যাগ কৰি বিজেপি দলৰ প্ৰতি আকৰ্ষিত হৈ যোগদান কৰিছিল ৰাজনৈতিক দলত। যি সময়ত মৰিয়ণি সমষ্টিত বিজেপি দলৰ ভেটি সুদৃঢ় নাছিল সেই সময়তেই অকলেই সাংগঠনিক ভেটি সুদৃঢ় কৰি তুলিছিল ৰাজুৱাৰে। বৰ্তমানৰ ৰাজ্য সভাৰ সাংসদ ৰামেশ্বৰ তেলীৰ একালৰ বন্ধু তৰুণ ৰাজুৱাৰে বহুবাৰ দলৰ পৰা মৰিয়নি সমষ্টিৰ বাবে টিকটৰ দাবীদাৰ আছিল। জীৱনৰ আধা বয়স দলৰ লগত থাকিও এটি ভঙা পঁজাতে কটাইছে জীৱন। ঘৰৰ সন্মুখত চাহ তামোল বিক্ৰী কৰি, আনৰ খোৱা বাচন ধুই ডাঙি ধৰিছে দায়বদ্ধতাৰ পৰিচয়। মন্ত্ৰী বিধায়কৰ অতি ঘনিষ্ঠ তথা যোৰহাট জিলাৰ চাহ কল্যাণ বিভাগৰ বৰ্তমানৰ অধ্যক্ষ তৰুণ ৰাজুৱাৰৰ কৰ্ম প্ৰেৰণাই নৱ প্ৰজন্মৰ আদৰ্শ হৈ পৰিছে।

# মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত তিনি দিনীয়া প্ৰশিক্ষণ শিৱিৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৭ জানুৱাৰী ঃ** আজি মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত উত্তৰ পূব কয়লা ক্ষেত্ৰৰ সহযোগত আয়োজন কৰা হৈছে এইপ্ৰশিক্ষণ শিৱিৰ। এল এণ্ড টি ৰ তত্বাৱধানত অনুষ্ঠিত হোৱা তিনি দিনীয়া প্ৰশিক্ষণ শিৱিৰ বন্তিপ্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে মাৰ্ঘেৰিটা সমজিলাৰ আয়ুক্ত ৰাহুল দলেই। উত্তৰ পূব কয়লা ক্ষেত্ৰৰ মহাপ্ৰবন্ধক এম পি দত্তই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মাৰ্ঘেৰিটা সমজিলাৰ সহকাৰী আয়ুক্ত প্ৰণামিকা কোঁৱৰ, এল এণ্ড টিৰ চিঅ' নলিনী সিনহা উপস্থিত থাকে। দক্ষতা বিকাশ আৰু নিবনুৱা সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে আয়োজন কৰা শিৱিৰত নলিনী সিনহা, নগি খোউলেট লুকমৌ, হিমাংশু ঠাকুৰীয়া আৰু প্ৰণৱ নাথ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। ক্ৰ'লাৰ মাউণ্টেড হাইড্ৰলিক এ'কেভেটৰ চলোৱাৰ ওপৰত জীৱিকা প্ৰশিক্ষণ শীৰ্ষক তিনিদিনীয়া প্ৰশিক্ষণ শিৱিৰত সমজিলাৰ শতাধিক যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিৱিৰ উদ্বোধনী ভাষণত কাৰিকৰী প্ৰশিক্ষণ থকা আৰু অন্যান্য সকলকো এই শিৱিৰে বিভিন্ন ক্ষেত্ৰত নিয়োজিত হোৱা অথবা স্বাৱলম্বী হোৱাৰ পথ মুকলি কৰিব বুলি আশা প্ৰকাশ কৰে।

প্ৰায় চাৰি সহস্ৰাধিক ভক্তৰ শোভাযাত্ৰাৰে ভাগৱত ভ্ৰমণ; 'সুবৰ্ণ স্মৰণ' স্মৃতিগ্ৰন্থ উন্মোচন

# জাগুন কেন্দ্ৰীয় নামঘৰৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহ দ্বিতীয় দিনা অগণন ভক্তৰ সমাৱেশ

**অসম বাৰ্তা বিশেষ, জাগুন, ৭ জানুৱাৰী ঃ** হৰি নামৰ ধ্বনিৰে আজি মুখৰিত হল জাগুন। মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত সীমান্তৱৰ্তী অঞ্চল জাগুন কেন্দ্ৰীয় নামঘৰৰ গৌৰৱোজ্জল সোণালী জয়ন্তী সমাৰোহ ৬ জানুৱাৰী তাৰিখৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। এই পাঁচ দিনীয়া কাৰ্যসূচীৰ আজি দ্বিতীয় দিনা মুখ্য কাৰ্যসূচী হিচাপে ভাগৱত ভ্ৰমণ কাৰ্যসূচী পালন কৰা হয়। মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত প্ৰায় সংখ্যক নামঘৰৰ ভকত-বৈষ্ণৱ, আয় মাতৃ, ডেকা-গাভৰু, কিশোৰ-কিশোৰী সকলোকে অংশগ্ৰহণ কৰা দেখা যায় এই কাৰ্যসূচীত। প্ৰায় পাঁচ




শতাধিক সৰু-বৰ বাহনেৰে প্ৰায় চাৰি সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ এক দীঘলীয়া শাৰীৰে জাগুন ন মাইল হৈ উদয়পুৰৰ দিহিং পাটকাই সমন্বয় ক্ষেত্ৰৰ যাত্ৰাৰে এই ভাগৱত ভ্ৰমণ সামৰি পুনৰ নামঘৰত প্ৰতিষ্ঠা কৰা হয় ভাগৱত ভাগি। ভাগৱত ভ্ৰমণলৈ অহা সকলো ধৰ্মপ্ৰাণ ৰাইজক আয়োজক সমিতিৰ তৰফৰ পৰা অন্ন ভোজনেৰে আপ্যায়ন কৰাৰ সমান্তৰাল ভাৱে পঞ্চাছ বছৰীয়া সোণোৱালী ইতিহাস সন্নিবিষ্ট সমাজ সংগঠক তথা সাংবাদিক ৰাণা জ্যোতি নেওগৰ সম্পাদনাৰে সুবৰ্ণ স্মৰণ নামৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়।

# বিজনী আক্ৰাছুৰ উদ্যোগত ২৫ সংখ্যক শ্বহীদ দিৱস উদযাপন

**অসম বাৰ্তা, বিজনী, ৭ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমা আক্ৰাছুৰ কাৰ্যালয়ত বুধবাৰে ২৫ সংখ্যক শ্বহীদ দিৱস উদযাপন কৰা হয়। বিজনী মহকুমা আক্ৰাছুৰ উদ্যোগত উদযাপন কৰা হয় এই শ্বহীদ দিৱস। তদুপলক্ষে আক্ৰাছুৰ পতাকা উত্তোলন কৰে বিজনী মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনে। চিলাৰায় সেনাৰ পতাকা উত্তোলন কৰে আক্ৰাছুৰ কেন্দ্ৰীয় উপ-সভাপতি গোপাল ৰায়ে। কোচ-ৰাজবংশী মহিলা সমিতিৰ পতাকা উত্তোলন কৰে নোৱাপাৰা পঞ্চায়তৰ সভানেত্ৰী মামনি ৰায়ে। সাংস্কৃতিক পতাকা উত্তোলন কৰে বিজনী মহকুমা আক্ৰাছুৰ সাংস্কৃতিক সম্পাদক ৰাকেশ বৰ্মনে। শ্বহীদ তৰ্পন কৰে বিজনীৰ শ্বহীদ পৰিয়ালৰ সদস্যদ্বয় দেব কুমাৰ বৰ্মন আৰু অজিত কুমাৰ ৰায়ে। ২০০০ চনৰ ৭ জানুৱাৰী তাৰিখে ওদালগুৰিত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ কোকৰাঝাৰ জিলাৰ সাধাৰণ সম্পাদক সঞ্জীৱ ৰায়ক গুলীয়াই হত্যা কৰা হৈছে। তাৰ পিছৰ পৰাই আজিৰ দিনটোত শ্বহীদ দিৱস উদযাপন কৰা হয় বুলি জনাই বিজনী মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনে। ২০২৬ ৰ বিধানসভা নিৰ্বাচনত পূৰ্বেই কোচ-ৰাজবংশী সকলক জনজাতিকৰণ কৰিব লাগিব সংবামাধ্যমৰ আগত মন্তব্য কৰে বিজনী মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনে।

## সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ

পৰা বাণিজ্যিকভাৱে ২৫০ মেগাৱাট বিজুলী উৎপাদন আৰম্ভ কৰিছে এন এইচ পি চি (NHPC)য়ে। কিন্তু এই সিদ্ধান্তক লৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে (AJYCP) তীব্ৰ প্ৰতিবাদ জনাইছে আৰু প্ৰকল্পটোৰ গুৰুতৰ ত্ৰুটি আৰু সম্ভাব্য বিপদৰ কথা পুনৰ উত্থাপন কৰিছে। বুধবাৰে গেৰুকামুখৰ এন এইচ পি চি কাৰ্যালয়ত প্ৰকল্পৰ কাৰ্যবাহী সঞ্চালক ৰাজেন্দ্ৰ প্ৰসাদৰ সৈতে AJYCPৰ এটা প্ৰতিনিধি দলে বিশেষ আলোচনাত অংশগ্ৰহণ কৰে। সংগঠনটোৰ সভাপতি পলাশ চাংমাই আৰু সম্পাদক বিজন বায়নৰ নেতৃত্বত যোৱা পোন্ধৰজনীয়া দলটোৱে প্ৰকল্পটোৰ সৈতে জড়িত একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। কিন্তু এই প্ৰশ্নসমূহৰ সন্তোষজনক উত্তৰ দিব নোৱাৰিলে এন এইচ পি চি কৰ্তৃপক্ষই। ফলত আলোচনা ব্যৰ্থ হৈ পৰে। AJYCPৰ দলে উত্থাপন কৰা মুখ্য প্ৰশ্নসমূহ হ'ল—বিশেষজ্ঞসকলৰ পৰামৰ্শ কিমান দূৰ মানি চলা হৈছে?, ত্ৰিপাক্ষিক আলোচনাৰ সিদ্ধান্তসমূহ কিয় কাৰ্যকৰী কৰা হোৱা নাই?, ভূমিস্খলনপ্ৰৱণ পাহাৰত নিৰ্মিত বান্ধটো কেনেকৈ সুৰক্ষিত বুলি দাবী কৰা হয়?, বান্ধ ভাগি গ'লে ক্ষতিপূৰণৰ কি ব্যৱস্থা আছে?, সম্ভাব্য দুৰ্যোগৰ দায়িত্ব অসম চৰকাৰে কিয় ল'ব লাগিব, এন এইচ পি চিয়ে কিয় নলয়?, নদীৰ দুয়োপাৰ সুৰক্ষিত কৰাৰ নামত ব্যয় কৰা ৫৩০ কোটি টকা ক'ত খৰচ হৈছে?, সোৱণশিৰিত আহিব পৰা মহাপ্লাৱন কেনেকৈ ৰোধ কৰা হ'ব, নদীৰ প্ৰবাহ নকমে বুলি দাবী কৰাৰ পিছতো এতিয়া নদীখন কিয় প্ৰায় শুকাই গৈছে?, বান্ধ নিৰ্মাণৰ ফলত ধ্বংস হোৱা পৰিৱেশ বৈচিত্ৰ্যৰ পুনৰুদ্ধাৰ সম্ভৱ হ'বনে?, অৰুণাচল প্ৰদেশত একে ধৰণৰ নদীবান্ধ বন্ধ কৰিবলগীয়া হৈছিল কিয়? ২৭,০০০ কোটি টকা ব্যয় কৰি উৎপাদিত বিজুলীৰ প্ৰতি ইউনিটৰ খৰচ কিমান হ'ব?, বান্ধটো সম্পূৰ্ণ সুৰক্ষিত বুলি কেনেকৈ নিশ্চিতকৈ ক'ব পাৰি? নদীপাৰৰ প্ৰায় ২২ হাজাৰ পৰিয়ালৰ জীৱন আৰু সম্পত্তিৰ বীমা কৰাৰ ব্যৱস্থা আছেনে? এই প্ৰশ্নসমূহৰ উত্তৰত এন এইচ পি চি কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে নিৰুত্তৰ হৈ পৰে বুলি AJYCPৰ নেতাসকলে জানিবলৈ দিয়ে। সংগঠনটোৱে অভিযোগ উত্থাপন কৰিছে যে, পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণ মন্ত্ৰালয়ৰ নিৰ্দেশনা উলংঘা কৰি গোপনে বিজুলী উৎপাদন আৰম্ভ কৰিছে এন এইচ পি চিয়ে। নামনি অসমত বসবাস কৰা লাখ লাখ লোকৰ মূৰত যেন এটা 'জলবোমা' সংস্থাপন কৰা হৈছে বুলিও সংগঠনটোৱে মন্তব্য কৰে। AJYCPৰ বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনৰ উপদেষ্টা কেশৱ কৃষ্ণ চত্ৰধৰে কয়, "২০১৪ চনৰ পাছত দ্বিতীয়বাৰৰ বাবে নামনি অঞ্চলৰ ৰাইজৰ জীৱন-সম্পত্তিৰ সুৰক্ষাৰ প্ৰশ্নত আলোচনা হৈছে। এন এইচ পি চিয়ে এই দিশত কোনো গুৰুত্ব নিদিয়ে। সেয়ে ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে বিষয়টো সমাধানৰ দাবী জনোৱা হৈছে।" সংগঠনটোৱে নদীপাৰৰ জনসাধাৰণৰ জীৱন, সম্পত্তি আৰু জীৱিকাৰ বীমা তথা সম্ভাব্য ক্ষতিপূৰণৰ দাবী উত্থাপন কৰিছে। কিন্তু এই দাবী মানি ল'বলৈ এন এইচ পি চিয়ে অপাৰগতা প্ৰকাশ কৰাত আলোচনা ব্যৰ্থ হয়। পলাশ চাংমায়ে স্পষ্টকৈ কয় যে, "নামনি অসমৰ ৰাইজৰ সুৰক্ষাৰ প্ৰশ্নত আমি কোনো আপোচ কৰা নাই আৰু কৰিবও নোৱাৰোঁ।" বিশেষজ্ঞসকলে ইতিমধ্যে এই বান্ধটোক ত্ৰুটিপূৰ্ণ আৰু ভৱিষ্যতৰ মহাবিপৰ্যয়ৰ অশনিসংকেত বুলি অভিহিত কৰিছে। নদীৰ স্বাভাৱিক প্ৰবাহ ৰুদ্ধ হোৱাৰ ফলত সোৱণশিৰিৰ উজানিৰ পৰা নামনিলৈ পানীৰ পৰিমাণ অতি নগণ্য হৈ পৰিছে, যাৰ ফলত পৰিৱেশ আৰু জীৱবৈচিত্ৰ্যৰ ওপৰত গভীৰ প্ৰভাৱ পৰিছে। AJYCPয়ে এই প্ৰকল্প সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দাবী পুনৰ জোৰদাৰকৈ উত্থাপন কৰিছে।

## জুবিন গাৰ্গৰ হত্যাকাণ্ড আৰু

এছ'চিয়েশ্যন আৰু জুবিন গাৰ্গ ফেন ক্লাবৰ যুটীয়া উদ্যোগত অনুষ্ঠিত সংবাদমেলত শিল্পীসকলে বিশেষ আদালতৰ ব্যৱস্থা আৰু শক্তিশালী ন্যায়িক টীম গঠনৰ জোৰালো দাবী উত্থাপন কৰে। নিৰ্বাচনৰ পূৰ্বে এই গোচৰত ন্যায় প্ৰতিষ্ঠা নোহোৱালে পিছত একো নাথাকিব বুলিও সতৰ্কবাণী শুনা যায়। সংগীত পৰিচালক জয়ন্ত কাকতীয়ে সংবাদমেলত কয়, "জুবিন গাৰ্গৰ ন্যায়ৰ বাবে এখন বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ দাবী আমি উত্থাপন কৰিছোঁ। মুখ্যমন্ত্ৰীয়ে যোৱা ১ জানুৱাৰীত এই সন্দৰ্ভত ঘোষণা কৰিছিল। সেই ঘোষণাৰ ভিত্তিত প্ৰতিদিনে শুনানি হোৱা এখন বিশেষ আদালতৰ প্ৰয়োজন। অভিযুক্তসকলে ইতিমধ্যে নিজৰ অধিবক্তা নিয়োগ কৰিছে। গতিকে ন্যায়িক যুঁজত আমাকো এটা শক্তিশালী টীমৰ প্ৰয়োজন।" পৰিচালক মানস বৰুৱাই মুখ্যমন্ত্ৰীলৈ অনুৰোধ জনাই কয়, "জুবিন গাৰ্গৰ ন্যায়ৰ বাবে এটা সবল ন্যায়িক টীম গঠন কৰি দিয়ক। মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়াৰ দৰে শক্তিশালী টীমটোৱে অতি সোনকালে কাম আৰম্ভ কৰিব পৰাকৈ ব্যৱস্থা কৰা হওক।" জুবিন গাৰ্গৰ দীৰ্ঘদিনীয়া সহযোগী পাৰ্থ গোস্বামীয়ে অধিক ক্ষোভ প্ৰকাশ কৰি কয়, "ইতিমধ্যে বহু দেৰি হৈ গৈছে। জুবিনৰ ন্যায়ৰ বাবে টীমটো এতিয়ালৈকে কিয় সাজু হোৱা নাই? অভিযুক্তসকলে নিজৰ টীম সাজু কৰি উচ্চতম ন্যায়ালয়ৰ অধিবক্তা অনাৰ লগতে বাংলাৰ পৰা অধিবক্তা আনিছে। জুবিনে যিখন বাংলাক ইমান ভাল পাইছিল, সেইখনৰ পৰা হত্যাকাৰীক বচাবলৈ অধিবক্তা আহিছে। আমি কিয় মনে মনে থাকিম? এতিয়া সকলো ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক সংগঠন একগোট হৈ মাত মাতক। নিৰ্বাচনৰ পিছত এই গোচৰত একো নাথাকিব। এতিয়াই যদি জুবিনক ন্যায় দিব নোৱাৰোঁ, তেন্তে পিছত একো নাথাকিব।" পৰিচালক ৰাজেশ ভূঞাই ন্যায়পালিকাৰ ওপৰত বিশ্বাস থকা বুলি উল্লেখ কৰি কয়, "ন্যায়পালিকাৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে। কিন্তু কেৱল বিশ্বাস কৰি থকা নহয়, ন্যায় ব্যৱস্থাটোক সবল কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে এই ঘটনাক হত্যাকাণ্ড বুলি কৈছিল। ১৯ ছেপ্টেম্বৰত ঠিক কেইবাজিকাত মৃত্যু হৈছিল, সেই সময়ৰ বিষয়ে এতিয়াও আমি অন্ধকাৰত আছো। তথাপি ন্যায় পোৱাৰ আশা আছে। দোষীয়ে শাস্তি পাবই লাগিব। ন্যায় নোপোৱালৈকে 'জাষ্টিচ ফৰ জুবিন' অভিযান অব্যাহত থাকিব।" সংবাদমেলত উপস্থিত শিল্পী আৰু অনুৰাগীসকলে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগতে চৰকাৰৰ পৰা দ্ৰুত পদক্ষেপৰ আহ্বান জনায়। এই সংবাদমেলে অসমৰ সাংস্কৃতিক জগতত জুবিনৰ ন্যায়ৰ দাবীক নতুন গতি প্ৰদান কৰিছে বুলি মন্তব্য কৰিছে উপস্থিতসকলে।

## ঘন কুঁৱলীৰ বাবে ম'হৰ জাকত খুন্দা ৰূপজ্যোতি

লগতে তেওঁৰ দেহৰক্ষী ৰক্ষা পৰে। প্ৰাপ্ত তথ্য অনুসৰি, বিধায়কগৰাকীয়ে সমষ্টিৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰি নিশা নিজ গৃহলৈ উভতি গৈ আছিল। সেই সময়ত অঞ্চলটোত ঘন কুঁৱলীৰ বাবে দৃশ্যমানতা অতি কম হোৱাৰ বাবে। পুখুৰীয়া গাঁও পাৰ হোৱাৰ সময়তে হঠাত এক জাকৰুৱা ম'হ গাড়ীৰ সন্মুখলৈ আহে আৰু বিধায়কগৰাকীৰ থাৰ (THAR) বাহনখনে ম'হৰ জাকটোত খুন্দা মাৰে। দুৰ্ঘটনাটোৰ ফলত বাহনখন সমুখত ভাগ যথেষ্ট ক্ষতিগ্ৰস্ত হয়। উল্লেখ্য যে, যোৱা কেইদিনমানৰ পৰা মৰিয়নি আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত অত্যধিক কুঁৱলীৰ বাবে বহু কেইটা পথ দুৰ্ঘটনা সংঘটিত হৈছে। কিন্তু ইমানৰ পিছতো যেন কান সাৰ নাই বিভাগীয় প্ৰশাসনৰ। বিশেষকৈ নিশাৰ ভাগত মূল পথসমূহ একাংশ দায়িত্বহীন লোকে এৰি দিয়া গৰু-ম'হৰ চৰণীয়া পথাৰলৈ পৰিণত হয়। পথৰ মাজত থিয় দি থকা এই পশুধনসমূহ এতিয়া যাত্ৰীসকলৰ বাবে 'যমদূত' সদৃশ হৈ পৰিছে। স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে যে বাৰে বাৰে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতো জিলা প্ৰশাসন বা পৌৰসভাই পথত বিচৰণ কৰা গৰু-ম'হৰ মালিকৰ বিৰুদ্ধে কোনো কঠোৰ পদক্ষেপ গ্ৰহণ কৰা নাই। আনকি সমষ্টিৰ জনপ্ৰতিনিধিৰ বাহনো একে কাৰণতে দুৰ্ঘটনাত পতিত হোৱা ঘটনাই প্ৰশাসনৰ চকু মুদা কুলিৰ ভাওক স্পষ্টকৈ উদঙাই দিছে। সচেতন মহলে এতিয়া প্ৰশ্ন কৰিছে— "আৰু কিমান ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হ'লে প্ৰশাসনৰ টোপনি ভাঙিব?" বিধায়কগৰাকী সুৰক্ষিত থকাৰ খবৰে সমষ্টিবাসীৰ মাজত স্বস্তিৰ নিশ্বাস পেলাইছে যদিও পথ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰশাসনৰ এই উদাসীনতাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## অসমত হঠাৎ সক্ৰিয়তা

বিনিময়ত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "অসমত এটা ডাঙৰ ষড়যন্ত্ৰ চলি আছে। যোৱা চাৰি বছৰ ধৰি ৰাজ্যখন শান্তিপূৰ্ণভাৱে চলি আছিল। কিন্তু হঠাৎ মৌলবাদী শক্তিসমূহ সক্ৰিয় হৈ উঠিছে। বাংলাদেশৰ পৰা অহা বহু লোকক আমি গ্ৰেপ্তাৰ কৰিছোঁ আৰু সিমান্তৰ সিপাৰে হিন্দু সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ বৃদ্ধি পাইছে। গতিকে নিৰ্বাচনলৈকে আমি সকলোৱে অতি সাৱধানে থাকিব লাগিব। ৰাইজে একতা আৰু সমন্বয় বজাই ৰাখিব লাগিব।" ভোটাৰ তালিকা সংশোধনক লৈ যোৱা কেইদিন ধৰি ৰাজ্যত চলি থকা তীব্ৰ বিতৰ্কৰ প্ৰসংগতো মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট মত পোষণ কৰে। বিজেপিৰ ভোট চুৰিৰ অভিযোগ উত্থাপন কৰি বিৰোধীয়ে, বিশেষকৈ ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াৰ এটা ভিডিঅ' কনফাৰেন্সৰ অডিঅ' প্ৰকাশ কৰিছে। তাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী শৰ্মাই কয়, ভোটাৰ তালিকাত নাম কৰ্তন এক স্বাভাৱিক আৰু বাধ্যতামূলক প্ৰক্ৰিয়া। মৃত ব্যক্তিৰ নাম, একেজন ব্যক্তিৰ নাম দুটা বা ততোধিক ঠাইত থকাৰ দৰে অনিয়ম দূৰ কৰাটো প্ৰতিগৰাকী ৰাজনৈতিক দলৰ দায়িত্ব আৰু সাংবিধানিক অধিকাৰ। তেওঁ লগতে কয়, "যদি কোনোবা মৃত্যুমুখত পৰিছে বা এজনৰ নাম দুটা ঠাইত উঠিছে, তেন্তে ৰাজনৈতিক দলে অভিযোগ দিয়াটো নিয়ম। নিৰ্বাচন আয়োগৰ নিৰ্দেশিকাতে বুথ লেভেল এজেণ্টসকলে (বি এল এ) এনে অভিযোগ দিয়াৰ কথা উল্লেখ আছে। কিন্তু অভিযোগ দিয়াৰ লগে লগে নাম কটা নহয়। প্ৰথমে সংশ্লিষ্ট ব্যক্তিলৈ নটিচ যায়, তেওঁ উত্তৰ দিয়াৰ সুযোগ পায়। কংগ্ৰেছ, ৰাইজৰ দল বা বিজেপি- সকলো দলে এই অধিকাৰ ব্যৱহাৰ কৰিব পাৰে আৰু কৰিবই লাগে।" অখিল গগৈৰ অভিযোগক 'ইণ্টাৰটেইনমেণ্ট' আখ্যা দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "অখিল গগৈয়ে নিয়মবোৰ নাজানে। তেওঁ ভাবে হাত জোকাৰি ক'ৰবাত গৈ কথা ক'লেই সকলো হৈ যাব। কিন্তু নিৰ্বাচন আয়োগে প্ৰতিগৰাকী দলক বি এল এ নিযুক্তি দিয়াৰ অধিকাৰ দিছে। তেওঁলোকে মৰা মানুহৰ নাম বা দুয়োটা ঠাইত থকা নামৰ বিৰুদ্ধে অভিযোগ দিব পাৰে। ইয়াত লুকুৱাবলগীয়া একো নাই।" মুখ্যমন্ত্ৰীৰ মতে, ভোটাৰ তালিকা শুদ্ধকৈ ৰখাটো সকলো ৰাজনৈতিক দলৰে স্বাৰ্থত। সেয়ে তেওঁ সকলো দলক আহ্বান জনায় যে, মৃত ব্যক্তিৰ নাম তালিকাত নাৰাখিব, একেজনৰ নাম একাধিক ঠাইত নাৰাখিব আৰু সন্দেহযুক্ত নাগৰিকৰ নামো তালিকাত নথকাটো নিশ্চিত কৰিব। ৰাজনৈতিক মহলত এই মন্তব্যই নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। ২০২৬ৰ নিৰ্বাচনৰ প্ৰাকক্ষণত এই বিষয়ে ৰাজ্যত উত্তেজনা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## দিলীপ শইকীয়াৰ মাইণ্ডচেট

গগৈয়ে বিজেপিৰ নেতৃত্বৰ মানসিকতাক কঠোৰভাৱে সমালোচনা কৰে। লুৰিণজ্যোতি গগৈয়ে কয়, "অসমৰ ৰাইজে এতিয়া স্পষ্টকৈ উপলব্ধি কৰিছে যে, দিলীপ শইকীয়াৰ দৰে নেতাৰ মাইণ্ডচেটহে অসমৰ বাবে আটাইতকৈ ভয়াবহ। তেওঁলোকৰ কাৰ্যকলাপে ৰাজ্যৰ সমন্বয়, সম্প্ৰীতি আৰু উন্নয়নৰ পৰিৱেশক গভীৰভাৱে ক্ষতিগ্ৰস্ত কৰিছে। অসমৰ ভৱিষ্যতৰ বাবে এই মানসিকতা অতি বিপজ্জনক। "অখিল গগৈৰ তথাকথিত 'মিঞা-প্ৰীতি'ক লৈ দিলীপ শইকীয়াৰ সমালোচনাৰ প্ৰসংগত লুৰিণজ্যোতি গগৈয়ে প্ৰত্যুত্তৰ দি কয়, "বিদেশীৰ বোজা অসমৰ মূৰত জাপি দিয়া কামটো দিলীপ শইকীয়া আৰু সৰ্বানন্দ সোণোৱালকে কৰিছে। অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰী কৰিব নোৱাৰাৰ দায়িত্ব তেওঁলোকে ল'ব লাগে আৰু ৰাইজৰ আগত উত্তৰ দিব লাগে।" তেওঁ লগতে কয় যে, কংগ্ৰেছ আৰু বাঁওপন্থী দলসমূহৰ সৈতে অজাপৰ আদৰ্শগত মিল নাই যদিও দেশত সংকটৰ সময়ত ভোট বিভাজন ৰোধ কৰিবলৈ সকলো বিৰোধী একত্ৰিত হৈছে। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰক লৈয়ো লুৰিণজ্যোতিয়ে কটাক্ষ কৰি কয়, "বিজেপিয়ে চৰকাৰী ধন-সম্পত্তি ব্যৱহাৰ কৰি নিৰ্বাচনী প্ৰচাৰ চলাইছে। ইফালে অগপৰ সৈতে বিজেপিৰ আসনৰ বুজাবুজি হোৱা নাই বুলি খবৰ ওলাইছে, কিন্তু সেই বিষয়ে কোনেও প্ৰশ্ন উত্থাপন কৰা নাই।" আনহাতে, জালুকবাৰীৰ এজন বিজেপি নেতাৰ 'ঘৰে ঘৰে অস্ত্ৰ বিতৰণ' সম্পৰ্কীয় বিতৰ্কিত মন্তব্যক লৈয়ো লুৰিণজ্যোতিয়ে ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয়, "বিজেপিৰ নেতাই এনে উগ্ৰ মন্তব্য কৰিলে সাত খুন মাফ, কিন্তু বিৰোধীয়ে একো ক'লে NIA লগাই জেলত ভৰাই দিয়ে। সেই বিজেপি নেতাজনক এতিয়ালৈ কিয় গ্ৰেপ্তাৰ কৰা হোৱা নাই?" উল্লেখ্য যে, এই কাৰ্যনিৰ্বাহক সভাখন আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত অতি গুৰুত্বপূৰ্ণ আছিল। সভাত অজাপৰ নিৰ্বাচনী ৰণকৌশল, মিত্ৰতাৰ সম্ভাৱনা আৰু প্ৰচাৰৰ কৌশল সম্পৰ্কে বিস্তৃত আলোচনা অনুষ্ঠিত হয়। লুৰিণজ্যোতি গগৈয়ে স্পষ্ট কৰি দিয়ে যে, অসমৰ স্বাৰ্থ ৰক্ষাৰ প্ৰশ্নত অজাপে কোনো আপোচ কৰা নাই আৰু কৰিবও নোৱাৰে। ৰাজ্যৰ ৰাজনৈতিক মহলত এই মন্তব্যই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে আৰু আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত বিৰোধী ঐক্যৰ সম্ভাৱনাক আৰু প্ৰবল কৰি তুলিছে।

## ২০২৭ চনৰ লোকপিয়লৰ

কৰা হ'ব। প্ৰথম পৰ্যায়ত গৃহ তালিকাকৰণ আৰু গৃহ পিয়ল (হাউচলিষ্টিং আৰু হাউচহ'ল্ড ছাৰ্ভে) অনুষ্ঠিত হ'ব, যি ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে এই সময়সীমাৰ ভিতৰত নিজৰ সুবিধা অনুসৰি যিকোনো একেৰাহে ৩০ দিনৰ ভিতৰত এই কাম সমাপ্ত কৰিব পাৰিব। এই পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰাৰ লগতে প্ৰতিটো পৰিয়ালৰ মৌলিক তথ্য সংগ্ৰহ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ মূল গণনা (পপুলেচন এনুমেৰেচন) কৰা হ'ব, যি ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হ'ব। এই গণনাৰ বাবে 'ৰেফাৰেন্স ডেট' হিচাপে ১ মাৰ্চ, ২০২৭ তাৰিখক গণ্য কৰা হ'ব। অৱশ্যে হিমপাতপ্ৰৱণ অঞ্চলসমূহ যেনে জম্মু-কাশ্মীৰৰ লাডাখ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ কিছু অংশত এই জনগণনা ২০২৬ চনৰ ছেপ্টেম্বৰ মাহতে আগুৱাই কৰা হ'ব, যাতে প্ৰতিকূল বতৰৰ বাধা নাপৰে। গৃহ মন্ত্ৰালয়ৰ তথ্য অনুসৰি, এই বিশাল কাৰ্যসূচীৰ বাবে কেন্দ্ৰীয় মন্ত্ৰিসভাই ইতিমধ্যে ১১,৭১৮.২৪ কোটি টকাৰ বাজেট অনুমোদন কৰিছে। সমগ্ৰ দেশতে প্ৰায় ৩০ লাখ গণনাকাৰী আৰু তত্ত্বাৱধায়কক এই কামত নিয়োজিত কৰা হ'ব। লোকপিয়লৰ মানদণ্ড আৰু সঠিকতা নিশ্চিত কৰিবলৈ ডিজিটেল প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ কৰা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, লোকপিয়লৰ প্ৰস্তুতিৰ অংশ হিচাপে অসমৰ ডিব্ৰুগড়, পশ্চিম কাৰ্বি আংলং আৰু হাইলাকান্দি জিলাত ইতিমধ্যে প্ৰাক্-পৰীক্ষণ (প্ৰি-টেষ্ট) সফলতাৰে সম্পন্ন কৰা হৈছে। এই পৰীক্ষণৰ পৰা লাভ কৰা অভিজ্ঞতা সমগ্ৰ দেশতে প্ৰয়োগ কৰা হ'ব। দেশৰ নীতি-নিৰ্ধাৰণ, সম্পদ বিতৰণ আৰু উন্নয়নমূলক কাৰ্যসূচীৰ বাবে অতি গুৰুত্বপূৰ্ণ এই লোকপিয়লৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি আগন্তুক দশকৰ বহু কাৰ্যপৰিকল্পনা গঢ়ি তোলা হ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## এখন শুদ্ধ ভোটাৰ তালিকা

ধেমাজিত উদ্যমিত অভিযানৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

## জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া

(APCC)। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে অভিযোগ উত্থাপন কৰিছে যে শাসকীয় চৰকাৰে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ ক্ষেত্ৰত আন্তৰিকতাৰ অভাৱ দেখুৱাইছে আৰু বৰং অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাকে সুৰক্ষা দিয়াৰ চেষ্টা কৰিছে। বুধবাৰে যোৰহাটত আয়োজিত এক সংবাদমেলত গৌৰৱ গগৈয়ে কয়, "জুবিন গাৰ্গৰ পৰিয়ালে ন্যায়ৰ বাবে চৰকাৰক চিঠি লিখিবলৈ বাধ্য হৈছে। চৰকাৰী অধিবক্তাৰ দুৰ্বলতা আৰু আইনী কৌশলৰ বিফলতাই পৰিয়ালটোৰ মনত শংকাৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে ন্যায়ৰ প্ৰতিশ্ৰুতি দিলেও বাস্তৱত চৰকাৰ জুবিন গাৰ্গৰ পক্ষত নাই। এই চৰকাৰ প্ৰথমৰে পৰা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাকে ৰক্ষা কৰাৰ চেষ্টাতে লিপ্ত। সিদ্ধাৰ্থ শৰ্মাৰ সৈতে বিজেপি নেতাসকলৰ ঘনিষ্ঠ সম্পৰ্ক আৰু যুটীয়া ব্যৱসায়ৰ কথা সৰ্বজনবিদিত।" তেওঁ লগতে কয় যে জুবিন গাৰ্গৰ মৃত্যুত আৰু বহুতো লোক জড়িত থকাৰ সম্ভাৱনা আছে, কিন্তু তদন্তত সেইসকলৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই। ছিংগাপুৰৰ য়টত সেই সময়ত উপস্থিত থকা কেইজনমান লোকৰ নামো তদন্তৰ পৰা বাদ দিয়া হৈছে বুলি অভিযোগ উত্থাপন কৰে গগৈয়ে। তেওঁ প্ৰশ্ন কৰে, "ৰাইজৰ সম্পদ জুবিন গাৰ্গক চৰকাৰে কিয় এনেদৰে অৱহেলা কৰিছে?" এই পৰিস্থিতিত কংগ্ৰেছে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে। প্ৰদেশ কংগ্ৰেছে এক বিশেষ আইনী দল গঠন কৰি জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়াৰ সমগ্ৰটো বাহিৰৰ পৰা নিৰীক্ষণ কৰিব। এই দলটোৱে বিচাৰৰ প্ৰতিটো পদক্ষেপৰ ওপৰত চকু ৰাখি কংগ্ৰেছ নেতৃত্বক নিয়মীয়াকৈ অৱগত কৰি থাকিব। গৌৰৱ গগৈয়ে ঘোষণা কৰে যে এই দলটোৱে ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াত কোনো ধৰণৰ গাফিলতি নহয় বুলি নিশ্চিত কৰিবলৈ কাম কৰিব। সংবাদমেলত গগৈয়ে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ কয় যে ভোটাৰ তালিকাৰ পুনৰ নিৰীক্ষণত খিলঞ্জীয়া অসমীয়াৰ নাম কৰ্তন কৰাৰ লগতে বহিৰাগতসকলৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে, যিটো বিজেপিৰ এক ষড়যন্ত্ৰ। তিনিচুকীয়াত কৃষকসকলে আলুৰ উচিত মূল্য নোপোৱাৰ প্ৰতিবাদক লৈও চৰকাৰক সমালোচনা কৰে তেওঁ। কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰত গ্ৰাম্য অৰ্থনীতিৰ বিকাশ আৰু মহিলাৰ আত্মনিৰ্ভৰশীলতাক বিশেষ গুৰুত্ব দিয়া হ'ব বুলি ঘোষণা কৰে গগৈয়ে। তেওঁ কয়, "প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সপোন আছিল গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন। মহিলাসকলে হিতাধিকাৰী হৈ থাকিব নিবিচাৰে; তেওঁলোকে বিচাৰে স্বাৱলম্বী হোৱাৰ সুযোগ। সেয়ে এইবাৰ মহিলাৰ বাবে বিশেষ ইস্তাহাৰ প্ৰস্তুত কৰা হ'ব।" বিজেপিৰ মিত্ৰদলসমূহৰ সৈতে আসন ভাগ-বাটোৱাৰাৰ স্থিতি অস্পষ্ট বুলিও মন্তব্য কৰে গৌৰৱ গগৈয়ে। সংবাদমেলত অখিল ভাৰতীয় কংগ্ৰেছৰ সম্পাদক বিকাশ উপাধ্যায়, নেত্ৰী ৰ'জলীনা তিৰ্কী, ৰাজীৱ লোচন পেগুকে ধৰি কেইবাগৰাকীও নেতা-কৰ্মী উপস্থিত আছিল। জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত কংগ্ৰেছে এই পদক্ষেপৰ জৰিয়তে ৰাজ্যিক ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিলে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে।

## ভাৰতৰ পৰা ১.৮ লাখ টন

ভাৰতৰ পৰা বৃহৎ পৰিমাণৰ ডিজেল আমদানিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২০২৬ চনৰ ডিচেম্বৰ মাহলৈকে অসমৰ চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান নুমলীগড় শোধনাগাৰ লিমিটেড (NRL)ৰ পৰা মুঠ ১ লাখ ৮০ হাজাৰ মেট্ৰিক টন ডিজেল ক্ৰয় কৰিব বাংলাদেশ পেট্ৰ'লিয়াম কৰ্প'ৰেচনে। মঙলবাৰে ঢাকাৰ চৰকাৰী সচিবালয়ত অন্তৰ্বৰ্তী চৰকাৰৰ বিত্ত উপদেষ্টা ডঃ চালেহুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত চৰকাৰী ক্ৰয় সংক্ৰান্তিয় মন্ত্ৰিসভা সমিতিৰ বৈঠকত এই আমদানি প্ৰস্তাৱত অনুমোদন প্ৰদান কৰা হয়। এই পদক্ষেপৰ জৰিয়তে ২০২৬ বৰ্ষৰ বাবে দেশখনৰ ইন্ধনৰ যোগান নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই আমদানিৰ বাবে বাংলাদেশী মুদ্ৰাত আনুমানিক ১,৪৬২ কোটি টকা ব্যয় হ'ব বুলি ধাৰ্য কৰা হৈছে। অইল ইণ্ডিয়া লিমিটেডৰ সহায়ক কোম্পানী নুমলীগড় শোধনাগাৰ লিমিটেডৰ সৈতে হোৱা চুক্তি অনুসৰি প্ৰতি বেৰেল ডিজেলৰ মূল্যত ৫.৫০ মাৰ্কিন ডলাৰ প্ৰিমিয়াম যোগ কৰি এই দৰ নিৰ্ধাৰণ কৰা হৈছে। শক্তি আৰু খনিজ সম্পদ বিভাগৰ উপদেষ্টা মহম্মদ ফৌজল কবিৰ খানে সাংবাদিকৰ আগত স্পষ্ট কৰি কয় যে, এই ডিজেল আমদানি কোনো নতুন চুক্তিৰ অধীনত নহয়। পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত স্বাক্ষৰিত ১৫ বছৰীয়া দীৰ্ঘম্যাদী চুক্তিৰ ধাৰাবাহিকতাতে এই যোগান অব্যাহত ৰখা হৈছে। লক্ষণীয় যে, এই ইন্ধন সৰবৰাহৰ বাবে ভাৰত-বাংলাদেশ মৈত্ৰী পাইপলাইনৰ জৰিয়তে ডিজেল পৰিবহণ কৰাৰ সম্ভাৱনা অতি উজ্জ্বল। এই পাইপলাইনৰ মাধ্যমেৰে ইন্ধন যোগানে কেৱল ব্যয় হ্ৰাস কৰাই নহয়, দুই চুবুৰীয়া দেশৰ মাজত বাণিজ্যিক আৰু কূটনৈতিক সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰিব বুলি বিশ্বাস কৰা হৈছে। উল্লেখ্য যে, সাম্প্ৰতিক বছৰবোৰত ভাৰত আৰু বাংলাদেশৰ মাজত শক্তি খণ্ডত সহযোগিতা ক্ৰমাৎ বৃদ্ধি পাইছে। এই ধৰণৰ চুক্তিয়ে অঞ্চলটোৰ শক্তি নিৰাপত্তাৰ ক্ষেত্ৰতো এক ইতিবাচক ভূমিকা পালন কৰিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## প্ৰবীণ বিজেপি নেতা, প্ৰাঃ

মেডিকেল কলেজ আৰু চিকিৎসালয়ত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৪ বছৰ। ১৯৩১ চনৰ ১৫ ডিচেম্বৰত তদানীন্তন চিলেট জিলাৰ (বৰ্তমান বাংলাদেশত) কামৰখালত জন্মগ্ৰহণ কৰা কবীন্দ্ৰ পুৰকায়স্থই জীৱনৰ আৰম্ভণিতে শ্ৰমিক হিচাপে কাম কৰিছিল। কঠোৰ পৰিশ্ৰমৰ মাজেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে তেওঁ। ৰাজনৈতিক জীৱনৰ পাতনি মেলি শিলচৰ লোকসভা সমষ্টিৰ পৰা ১৯৯১ চনত প্ৰথমবাৰৰ বাবে সাংসদ নিৰ্বাচিত হৈছিল তেওঁ। পৰৱৰ্তী সময়ত ১৯৯৮ আৰু ২০০৯ চনতো একেটা সমষ্টিৰ পৰাই লোকসভালৈ নিৰ্বাচিত হয়। ২০০৯ চনৰ নিৰ্বাচনত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থীক পৰাভূত কৰি জয়লাভ কৰিছিল তেওঁ। কিন্তু ২০১৪ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ সুস্মিতা দেৱৰ হাতত পৰাস্ত হৈছিল। ১৯৯৮ৰ পৰা ১৯৯৯ চনলৈ অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰত যোগাযোগ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল পুৰকায়স্থই। অসমত বিজেপিৰ ভিত্তি স্থাপনত তেওঁৰ ভূমিকা অতি উল্লেখযোগ্য আছিল। বৰাক উপত্যকাৰ উন্নয়নৰ লগতে সমাজসেৱাৰ ক্ষেত্ৰতো তেওঁৰ অৱদান অনস্বীকাৰ্য। তেওঁৰ এই অৱদানৰ স্বীকৃতি স্বৰূপে ২০২৪ চনত এখন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ড'ৰেট ডিগ্ৰী প্ৰদান কৰা হৈছিল। প্ৰবীন নেতাজনৰ দেহাৱসানৰ খবৰে ৰাজনৈতিক মহলত শোকৰ বতৰ বিয়পাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত গভীৰ শোক প্ৰকাশ কৰি লিখিছে, "অসমৰ ভাৰতীয় জনতা পাৰ্টিৰ পতাকাবাহী, দূৰদৰ্শী আৰু দয়ালু নেতা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্মানীয় কবীন্দ্ৰ পুৰকায়স্থ মহাশয়ৰ মৃত্যুৰ খবৰে গভীৰ শোক প্ৰকাশ কৰিছো। তেখেতৰ নেতৃত্বত অসমত ভাৰতীয় জনতা পাৰ্টি আৰু জাতীয়তাবাদী মতাদৰ্শৰ আধাৰশিলা স্থাপন কৰা হৈছিল, যিটো আজি এক প্ৰকাণ্ড বটগছৰ ৰূপ লৈছে। বৰাক উপত্যকা আৰু অসমৰ লগতে দেশৰ সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত তেওঁৰ অৱদান নিৰ্দোষ আৰু অনন্য। তেওঁৰ মৃত্যু আমাৰ সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।" মুখ্যমন্ত্ৰীয়ে আৰু লিখিছে, "শিলচৰৰ এজন সাধাৰণ শ্ৰমিকৰ পৰা কেন্দ্ৰীয় মন্ত্ৰীলৈকে তেওঁৰ দীৰ্ঘ জীৱনযাত্ৰা জনসেৱা আৰু নিস্বাৰ্থ নিষ্ঠাৰ এক উৎকৃষ্ট উদাহৰণ হৈ থাকিব। এই শোকৰ মুহূৰ্তত তেওঁৰ পৰিয়ালৰ লগতে অসমৰ ৰাইজ আৰু ভাৰতীয় জনতা পাৰ্টি পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছো। তেওঁৰ বিদেহী আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো।" ইফালে, অসম বিজেপিয়ে জ্যেষ্ঠ নেতাজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। দলীয় কাৰ্যসূচীৰ লগতে ৮ জানুৱাৰীৰ সকলো কাৰ্যক্ৰম বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। লগতে ৰাজ্যিক দলীয় কাৰ্যালয়ত পতাকা অৰ্ধনমিত কৰি ৰখাৰ নিৰ্দেশ দিয়া হৈছে। কবীন্দ্ৰ পুৰকায়স্থৰ দেহাৱসানে অসমৰ ৰাজনীতিৰ এক সোণালী অধ্যায়ৰ অন্ত পেলাইছে। তেওঁৰ আদৰ্শ আৰু অৱদানে আগন্তুক প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি থাকিব।

## কংগ্ৰেছৰ ষড়যন্ত্ৰৰ সত্ত্বেও

গ্ৰাম্য নিয়োজন নিশ্চয়তা আঁচনি (এমজিএনৰেগা)ৰ সলনি প্ৰৱৰ্তন কৰা নতুন বিকশিত ভাৰত - গেৰাণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিচন (গ্ৰামীণ) বা সংক্ষেপে VB-G RAM G আঁচনিৰ শলাগ লৈছে। তেওঁ কয় যে, এই নতুন আঁচনিখনে বিকশিত ভাৰত ২০৪৭ৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ সৈতে সম্পূৰ্ণ সামঞ্জস্য ৰাখি গ্ৰাম্য বিকাশৰ এক নতুন দিশ প্ৰস্তুত কৰিছে। শইকীয়াই লগতে উল্লেখ কৰে যে, গ্ৰাম্য অঞ্চলৰ প্ৰতিজন দৰিদ্ৰ ব্যক্তিয়ে এই আঁচনিৰ অধীনত নিশ্চিত ৰোজগাৰ লাভ কৰিব। এই আঁচনিখনে মহাত্মা গান্ধীৰ ভাৱধাৰাৰ সৈতে সংগতি ৰাখি ৰামৰাজ্য স্থাপনৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয়, "বিকশিত ভাৰত আৰু ভগৱান ৰামৰ নামত কংগ্ৰেছ আৰু ইণ্ডি মিত্ৰজোঁটে ইমান ঘৃণা কিয় কৰে?" তেওঁ দৃঢ়তাৰে কয় যে, কংগ্ৰেছে যিমানেই ষড়যন্ত্ৰ কৰক কিয়, দেশ ২০৪৭ চনৰ ভিতৰত নিশ্চিতভাৱে বিকশিত ভাৰত হৈ উঠিব। আঁচনিৰ নাম সলনিৰ বিষয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি শইকীয়াই কয় যে, এইটো কোনো নতুন কথা নহয়। ১৯৮৯ চনত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ চৰকাৰে জৱাহৰ ৰোজগাৰ যোজনা আৰম্ভ কৰিছিল। পিছত ১৯৯৯ চনত অটল বিহাৰী বাজপেয়ী চৰকাৰে ইয়াৰ নাম সলনি কৰি জৱাহৰ গ্ৰাম সমৃদ্ধি যোজনা ৰাখিছিল। তাৰ পিছত ২০০৫ চনত মনমোহন সিং চৰকাৰে ইয়াক নেচনেল ৰুৰেল এমপ্লয়মেণ্ট গেৰাণ্টি এক্ট (এনৰেগা) কৰিছিল আৰু ২০০৯ চনত পুনৰ নামৰ আগত মহাত্মা গান্ধী যোগ কৰি এমজিএনৰেগা কৰিছিল। তেওঁ প্ৰশ্ন কৰে, "কংগ্ৰেছে জৱাহৰ ৰোজগাৰ যোজনাৰ নাম সলনি কৰোঁতে জৱাহৰলাল নেহৰুৰ প্ৰতি অপমান কৰা নাছিল নেকি?" সভাপতিজনে দাৰিদ্ৰ্য হ্ৰাসৰ পৰিসংখ্যা উল্লেখ কৰি কয় যে, ২০১১-১২ বৰ্ষত ভাৰতত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা আছিল ২৫.৭ শতাংশ, যি ২০২৩-২৪ বৰ্ষত হ্ৰাস পাই মাত্ৰ ৪.৮৬ শতাংশ হৈছে। নতুন VB-G RAM G আঁচনিৰ মুখ্য উদ্দেশ্য হৈছে ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ বাবে গ্ৰাম্য অঞ্চলৰ সৰ্বাংগীণ বিকাশ সাধন কৰা। এই আঁচনিত পূৰ্বৰ এমজিএনৰেগাৰ ১০০ দিনৰ নিশ্চিত নিয়োজনৰ সলনি ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে। ভাৰত কৃষিপ্ৰধান দেশ হোৱা বাবে শস্য চপোৱা আৰু সিঁচাৰ সময়ত শ্ৰমিকৰ অভাৱ নহয় তাৰ বাবে বছৰত মুঠ ৬০ দিন কাম বন্ধৰ ব্যৱস্থা ৰখা হৈছে। অসমকে ধৰি উত্তৰ-পূৰ্বৰ সকলো ৰাজ্যৰ বাবে ধনৰ আৱণ্টনৰ অনুপাত ৯০: ১০ (কেন্দ্ৰৰ পৰা ৯০ শতাংশ আৰু ৰাজ্যৰ পৰা ১০ শতাংশ) কৰাৰ বাবে শইকীয়াই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বাহিৰে অন্য ৰাজ্যসমূহত এই অনুপাত ৬০: ৪০। তেওঁ লগতে কয় যে, এমজিএনৰেগাত মোদী চৰকাৰে অধিক ধন আৱণ্টন দিছে। এতিয়ালৈকে এমজিএনৰেগাত মুঠ ১১.৭৪ লাখ কোটি টকা ব্যয় হৈছে, যাৰ ভিতৰত মোদী নেতৃত্বাধীন চৰকাৰে ব্যয় কৰিছে ৮.৫৩ লাখ কোটি টকা। কংগ্ৰেছৰ শাসনকালত এমজিএনৰেগাত হোৱা অপব্যৱহাৰৰ কথা উল্লেখ কৰি শইকীয়াই কয় যে, কেগৰ প্ৰতিবেদনত পোৱা গৈছিল যে কাম কৰা শ্ৰমিকৰ ৩৩ শতাংশৰ বয়স ৬০ বছৰৰ ওপৰত আছিল আৰু মেচিনেৰে কৰা কাম মানুহে কৰা বুলি দেখুৱাইছিল। নতুন VB-G RAM Gত এনে মেৰপেচ কৰিব নোৱাৰিব। ধনৰ হিচাপ পৰীক্ষণত মবাইল জিপিএছ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব লগতে কেন্দ্ৰ আৰু ৰাজ্যৰ প্ৰতিনিধিৰে তদন্ত কমিটি গঠন কৰা হ'ব। শেষত শইকীয়াই কয় যে, নতুন আঁচনিৰ জৰিয়তে নিয়োজন নিশ্চয়তা বৃদ্ধি, স্থানীয় পৰিকল্পনাৰ সন্নিৱিষ্টকৰণ, কৃষি উৎপাদনশীলতাৰ সৈতে শ্ৰমিকৰ সুৰক্ষাৰ ভাৰসাম্য, আঁচনিৰ অভিসৰণ আৰু শাসন ব্যৱস্থাৰ আধুনিকীকৰণৰ মাধ্যমেৰে গ্ৰাম্য আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে গ্ৰাম্য বাসিন্দাৰ জীৱন আৰু জীৱিকাৰ মানদণ্ড উন্নত হ'ব।

## অখিল গগৈয়ে দিয়া তথ্যৰ

অভিযোগক লৈ ৰাজ্যিক ৰাজনীতিত নতুন বিতৰ্কৰ সৃষ্টি হৈছে। বুধবাৰে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত দিলীপ শইকীয়াই অখিল গগৈৰ অভিযোগক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰি কেইবাটাও বিস্ফোৰক মন্তব্য কৰে। সংবাদমেলত ৰাজ্যিক বিজেপি সভাপতি গৰাকীয়ে অখিল গগৈৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি স্পষ্টভাৱে কয় যে, "অখিল গগৈৰ কথাৰ পাঁচ পইচাৰো দম নাই। তেওঁ যি স্ক্ৰীনশ্বট দেখুৱাইছে, সেইটো আমাৰ দলৰ কাৰ্যকৰ্তাই আগতেই সামাজিক মাধ্যমত পোষ্ট কৰি থৈছে। অখিল গগৈয়ে কেৱল জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ এনে মিছা প্ৰচাৰ চলাইছে।" উল্লেখ্য যে, শেহতীয়াকৈ অখিল গগৈয়ে দিলীপ শইকীয়াৰ বিৰুদ্ধে অতি গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। শিৱসাগৰৰ বিধায়ক গৰাকীয়ে দাবী কৰিছে যে, চলিত মাহৰ ৪ জানুৱাৰীত অনুষ্ঠিত এক ভিডিঅ' কনফাৰেন্সত দিলীপ শইকীয়াই বিজেপিৰ মন্ত্ৰী, বিধায়ক আৰু জিলা সভাপতিসকলক নিৰ্দেশ দিছিল যাতে বিজেপিক ভোট নিদিয়া ভোটাৰসকলক চিনাক্ত কৰা হয়। লগতে, আহা ১২ জানুৱাৰীৰ ভিতৰত সেইসকল ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়া হৈছিল বুলিও অভিযোগ উত্থাপন কৰিছে অখিল গগৈয়ে। এই অভিযোগে ৰাজ্যৰ ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে, কিয়নো অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী (এছ আৰ আই) প্ৰক্ৰিয়া চলি থকাৰ সময়তে এনে অভিযোগে শাসকীয় দলৰ ভাবমূৰ্তিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। কিন্তু বিজেপিৰ ফালৰ পৰা এই অভিযোগক সম্পূৰ্ণৰূপে নাকচ কৰা হৈছে আৰু ইয়াক বিৰোধীৰ মিছা প্ৰচাৰ বুলি অভিহিত কৰা হৈছে। ৰাজ্যিক বিজেপি সভাপতি গৰাকীয়ে সংবাদমেলত আৰু কয় যে, দলৰ কাৰ্যকৰ্তাসকলে সদায় সামাজিক মাধ্যমত সক্ৰিয় হৈ থাকে আৰু এনে ছবি বা তথ্য পোষ্ট কৰাটো সাধাৰণ কথা। অখিল গগৈয়ে ইয়াকে লৈ অযথা বিতৰ্কৰ সৃষ্টি কৰিব বিচাৰিছে বুলিও মন্তব্য কৰে তেওঁ। এই প্ৰতিক্ৰিয়াৰ পিছতো ৰাজ্যৰ বিৰোধী দলসমূহে এই বিষয়টোক লৈ বিজেপিৰ ওপৰত চাপ অব্যাহত ৰাখিব বুলি ধাৰণা কৰা হৈছে। ভোটাৰ তালিকাৰ শুদ্ধতা আৰু নিৰপেক্ষতাৰ প্ৰশ্নটো আগন্তুক নিৰ্বাচনত এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিব পাৰে।

## মেচসমূহ ভাৰতৰ পৰা

তাত উল্লেখ কৰা হৈছিল যে প্ৰতিযোগিতাখনৰ বাবে বাংলাদেশে ভাৰত ভ্ৰমণ নকৰে। অৱশ্যে খবৰ অনুসৰি বাংলাদেশে ভাৰততে টি-২০ বিশ্বকাপৰ খেল খেলিব লাগিব। বাংলাদেশৰ এই অনুৰোধ নাকচ কৰিছে ক্ৰিকেট কৰ্তৃপক্ষ ICC -এ। বাংলাদেশে আইচিচিক টি-২০ বিশ্বকাপৰ মেচসমূহ ভাৰতৰ পৰা স্থানান্তৰিত কৰিবলৈ অনুৰোধ জনাইছিল। তাত উল্লেখ কৰা হৈছিল যে প্ৰতিযোগিতাখনৰ বাবে বাংলাদেশ ভাৰত ভ্ৰমণ নকৰে। অৱশ্যে খবৰ অনুসৰি বাংলাদেশে ভাৰততে টি-২০ বিশ্বকাপৰ খেল খেলিব লাগিব। খেলুৱৈৰ সুৰক্ষাৰ চিন্তাৰ উদ্ধৃতি দি বাংলাদেশে টি-২০ বিশ্বকাপ ২০২৬ৰ মেচৰ স্থান শ্ৰীলংকালৈ স্থানান্তৰিত কৰিবলৈ অনুৰোধ জনাইছিল। অৱশ্যে ESPNcricinfoৰ এক প্ৰতিবেদন অনুসৰি আইচিচিয়ে বাংলাদেশক নিৰ্ধাৰিত সময়সূচীত অটল থাকিবলৈ নিৰ্দেশ দিছে। অৰ্থাৎ ২০২৬ চনৰ টি-২০ বিশ্বকাপত বাংলাদেশে কলকাতা আৰু মুম্বাইত গ্ৰুপ পৰ্যায়ৰ খেল খেলিব লাগিব। ভাৰত আৰু বাংলাদেশৰ মাজত চলি থকা ৰাজনৈতিক উত্তেজনাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ মেচৰ স্থান শ্ৰীলংকালৈ স্থানান্তৰিত নহ'ব। উল্লেখযোগ্য যে, বাংলাদেশ ক্ৰিকেট ব'ৰ্ডৰ বেগী বলাৰ মুস্তাফিজুৰ ৰহমানক আই পি এলৰ পৰা বহিষ্কাৰ কৰাৰ পিছতে টি-২০ বিশ্বকাপৰ খেলৰ স্থান শ্ৰীলংকালৈ স্থানান্তৰিত কৰাৰ দাবী উত্থাপন কৰিছিল। আই পি এল ২০২৬ৰ নিলামত কেকেআৰে ক্ৰয় কৰিছিল মুস্তাফিজুৰক। কিন্তু বাংলাদেশত হিন্দু হত্যাৰ বাবে মুস্তাফিজুৰক আই পি এলৰ পৰা অপসাৰণৰ দাবীয়ে গতি লাভ কৰাৰ ফলত কে কে আৰ বি চি চি আইৰ নিৰ্দেশত মুস্তাফিজুৰক দলৰ পৰা অপসাৰণ কৰে। মুস্তাফিজুৰক আই পি এলৰ পৰা অপসাৰণ কৰাটো বাংলাদেশৰ ক্ৰীড়া মন্ত্ৰালয় আৰু বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে অপমান হিচাপে গণ্য কৰিছিল। তেওঁলোকে জৰুৰী বৈঠক আহ্বান কৰে, য'ত আইচিচিৰ পৰা স্থান সলনিৰ বাবে অনুৰোধ কৰাৰ সিদ্ধান্ত লোৱা হয়। বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে স্থান সলনিৰ সন্দৰ্ভত আইচিচিক ইমেইল কৰিছিল আৰু এতিয়া ইয়াৰ সঁহাৰি লাভ কৰিছে। অৱশ্যে আই চি চিৰ আনুষ্ঠানিক সঁহাৰিৰ বাবে এতিয়াও অপেক্ষা কৰি আছে।

# মাজুলীৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী জয়ন্ত নাথৰ মৃত্যু

**অসম বাৰ্তা, মাজুলী, ৭ জানুৱাৰী** ঃ মাজুলী জিলাৰ ৰঙাচাহী গাওঁ নিবাসী, চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি জয়ন্ত নাথৰ (৭১) ৫ জানুৱাৰীৰ ৰাতি প্ৰায় ১২.৩০ বজাত হৃদৰোগত আক্ৰান্ত হৈ নিজা বাসগৃহত মৃত্যু হয়। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, অন্য দিনাৰ দৰে কালিও তেওঁ ৰাতিৰ ভাত খাই শোৱাৰ পিছত প্ৰায় ১২ বজাত হঠাৎ অসুস্থ হৈ পৰে আৰু ১২.৩০ বজাত মৃত্যুক সাৱটি লয়। সমাজকৰ্মী ব্যক্তি গৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বৃহত্তৰ ৰঙাচাহী অঞ্চলত শোকৰ ছাঁ পৰে আৰু অগণণ গুণমুগ্ধ, বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়া তেওঁৰ বাসগৃহত উপস্থিত হৈ মৃতদেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পুৱা তেওঁৰ শেষকৃত সম্পন্ন কৰা হয়। তেওঁ চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০১৫ চনৰ ৩০ ছেপ্তেম্বৰত অৱসৰ গ্ৰহণ কৰি মাজুলীৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰে। তেওঁ বৰ্তমান ৰঙাচাহী টনুৰাম নাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু উক্ত বিদ্যালয়ৰ পৰীক্ষা পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আছিল, ইয়াৰোপৰি ৰঙাচাহী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, মাজুলী জিলা যোগী সন্মিলনীৰ উপ-সভাপতি, ৰঙাচাহী আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি, ৰঙাচাহী প্ৰগতি ৰংগমঞ্চৰ সভাপতি, ৰঙাচাহী গাঁও উন্নয়ন সমিতিৰ সভাপতি, আৰু মাজুলীৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত আজি চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ মিণ্টুমনি দুৱৰীয়াৰ সঞ্চালনাত এখন শোকসভা অনুষ্ঠিত হয়। সভাই প্ৰাক্তন অধ্যক্ষ গৰাকীৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। একেদৰে ৰঙাচাহী মহাবিদ্যালয়ত অধ্যক্ষ ড° নৰ কুমাৰ গামৰ সভাপতিত্বত শোকসভা অনুষ্ঠিত হয়, ৰঙাচাহী টনুৰাম নাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো লোকসভা অনুষ্ঠিত কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। তেওঁ মৃত্যুৰ সময়ত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী জ্যোতি নাথ, এজন পুত্ৰ, এগৰাকী কন্যা-জোঁৱাই, নাতি নাতিনী, বংশ পৰিয়াল ইহ সংসাৰত এৰি যায়।

২২, ২৩ আৰু ২৪ জানুৱাৰীত তিনি দিনীয়াকৈ অনুষ্ঠিত হ'ব এই পবিত্ৰ অনুষ্ঠানটি

# মৌজাদাৰ আলি ইয়ুথ ক্লাৱৰ উদ্যোগত বাৰ্ষিক "খনিকৰ পুথি" নাম-কীৰ্ত্তন

**অসম বাৰ্তা, দেৰগাঁও, ৭ জানুৱাৰী** ঃ মৌজাদাৰ আলি ইয়ুথ ক্লাৱৰ উদ্যোগত অনুষ্ঠিত হোৱা ঐতিহাসিক "শ্ৰীশ্ৰী খনিকৰ পুথি" ৰাজহুৱা নামভাগি একাদিক্ৰমে দ্বাদশ বৰ্ষ অতিক্ৰম কৰি ত্ৰয়োদশ বৰ্ষত ভৰি দিছেহি। ত্ৰয়োদশ বৰ্ষত কিছু ব্যতিক্ৰমী চিন্তাৰে তিনিদিনীয়া কাৰ্যসূচীৰে সকলো ভক্তপ্ৰাণ ৰাইজৰ সহযোগত ৮, ৯ আৰু ১০ মাঘ, (২২, ২৩ আৰু ২৪ জানুৱাৰী ২০২৬) বৃহস্পতি, শুক্ৰ আৰু শনিবাৰে মৌজাদাৰ আলি ইয়ুথ ক্লাৱৰ প্ৰাঙ্গনত "শ্ৰীশ্ৰী খনিকৰ পুথি" নাম কীৰ্তনৰ লগতে ১০ মাঘ (২৪ জানুৱাৰী ২০২৬) তাৰিখ শনিবাৰে বাছকবনীয়া শিশু আৰু চেমনীয়া শিল্পীৰ সমাহাৰেৰে এখন মহাপুৰুষীয়া ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা ২২ জানুৱাৰীত পুৱা ১০-৩৫ বজাত আসন প্ৰতিষ্ঠা, দিনৰ ১-৪৫ বজাত পুথি আদৰণি, সন্ধ্যা ৪-৩০ বজাত বন্তি প্ৰজ্বলন, সন্ধ্যা ৬-১৫ বজাৰ পৰা অতিথি শুশ্ৰূষাৰ ব্যৱস্থা কৰিছে উদ্যোক্তাসকলে। সন্ধ্যা ৭-৩০ বজাত নাম প্ৰসংগ, নিশা ১-৪৫ বজাত প্ৰসাদ বিতৰণ, নিশা ১০-২০ বজাৰ পৰা খনিকৰ পুথি পাঠ অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা ১ মাঘ ২৩ জানুৱাৰীত পুৱা ৩-৪৫ বজাত পুৱাৰ নাম ইয়াৰ পিছতে পুৱা ৫-৩০ বজাত সেৰকীৰ বন্তি প্ৰজ্বলন, পুৱা ১২-১০ বজাত প্ৰসঙ্গ, পুৱা ১২-৩০ বজাত, অন্ন গ্ৰহণ, বিয়লি ২-০০ বজাত প্ৰসাদ বিতৰণৰ পিছতে বিয়লি ৩-০০ বজাত সামুহিক সেৱা লোৱা হ'ব। ইয়াৰ পিছতে বিয়লি ৩-১৫ বজাত পুথি বিদায়ৰ পিছতে দ্বিতীয় দিনাৰ কাৰ্যসূচী সামৰণি পৰিব। আনহাতে অন্তিম দিনা অৰ্থাৎ তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি সন্ধ্যা ৫-৩০ বজাত নাম প্ৰসংগ, ৬-১৫ বজাত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধ্যা ৭-৩০ বজাত বাছকবনীয়া শিশু আৰু চেমনীয়া শিল্পীৰ দ্বাৰা মহাপুৰুষীয়া আৰ্হিৰ ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচী সমাপ্তি ঘটিব। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ তথা সকলো কাৰ্যসূচীতে উপস্থিত থাকি অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি তুলিব বুলি কামনা কৰিছে ইয়ুথ ক্লাৱৰ লগতে উদযাপন সমিতিয়ে।

জ্বলাই দিলে তিনি বিঘা মাটিৰ মাহ শস্য

# হাজোত জীৱশ্ৰেষ্ঠৰ নিকৃষ্ট কাণ্ড



**অসম বাৰ্তা, হাজো, ৭ জানুৱাৰী** ঃ কামৰূপ জিলাৰ হাজো শুৱালকুছি সমষ্টিৰ অন্তৰ্গত মিলন পুৰত এক নিকৃষ্ট কাণ্ড সংঘটিত হৈছে। দুৰ্বৃত্তই জ্বলাই দিলে তিনি বিঘা কৈ মাটি মাহ শস্যৰ খেতি। এই ঘটনাই এতিয়া অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে হাজো আৰক্ষী থানাৰ অন্তৰ্গত মিলন পুৰৰ পৰেশ দাস নামৰ কৃষক জনে সমাগত ভোগালী বিহুত কিছু অৰ্থ উপাৰ্জনৰ হেঁপাহ মনত পুহি যোৱা ভাদ মাহত ৰ'দ বৰষুণ নেওচি তিনি বিঘা কৈ মাটিত মাটি মাহৰ খেতি কৰিছিল। লহপহকৈ বাঢ়ি অহা মাহ শস্যখিনি কিছুদিন আগত চপাই পথাৰৰ মাজতে মৰনা মৰাৰ বাবে ৰাখিছিল। কিন্তু পৰিতাপৰ বিষয় যে মূৰৰ ঘাম মাটিত পেলাই অতি কষ্টেৰে পথাৰত চপাই থোৱা শস্য খিনিত নিশা কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰে। ফলত পথাৰৰ মাজত মৰণা মাৰিবলৈ ৰাখি থোৱা গোটেই শস্যখিনি পুৰি চাই হৈ যায়। নিমিষতে সকলো শেষ হৈ যোৱাত এতিয়া কৃষক পৰেশ দাসে কান্দোনত ভাঙি পৰিছে। উপায়ন্তৰ হৈ কৃষক পৰেশ দাসে ঘটনাৰ সবিশেষ জনাই দুৰ্বৃত্তক কৰায়ত্ব কৰাৰ বাবে হাজো আৰক্ষীক লিখিত এজাহাৰ এখন দাখিল কৰে।

# কলিয়াবৰৰ বিশিষ্ট সমাজকৰ্মী ৰমেশ লাল চৌহানৰ বিয়োগ

**অসম বাৰ্তা, কলিয়াবৰ, ৭ জানুৱাৰী** ঃ কলিয়াবৰ সমজিলা অধীনৰ জখলাবন্ধা অঞ্চলৰ বিশিষ্ট সমাজ কৰ্মী, জখলাবন্ধা গাঁও পঞ্চায়তৰ একালৰ সভাপতি তথা আদৰ্শ কৃষক ৰমেশ লাল চৌহানৰ যোৱা নিশা জখলাবন্ধাৰ অসামৰিক চিকিৎসালয়ত ৮৭ বছৰ বয়সত মৃত্যু হোৱাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। জখলাবন্ধা অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোত ভাৱে জড়িত থকা চৌহান ৰাঙলুৰ হিন্দুঃস্থানী কেন্দ্ৰীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। তেওঁ শ্ৰীশ্ৰী ৰমানন্দ দেৱ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰো এটা কাৰ্যকালৰ বাবে সদস্য আছিল। ১৯৯৩ চনত জখলাবন্ধা গাঁও পঞ্চায়তৰ সভাপতিৰ আসন অলংকৃত কৰা চৌহান কলিয়াবৰ ব্লক কংগ্ৰেছৰ উপ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী আদৰ্শ কৃষক হিচাপে নিজকে পৰিচয় কৰাই দিবলৈ সক্ষম হোৱা চৌহানে আজীৱন নিজ অঞ্চলটোৰ উন্নয়নৰ হকে কাম কৰি আহিছিল। মৃত্যুৰ সময়ত তেওঁ দুটি সন্তান সহ এটি বৃহত পৰিয়াল এৰি থৈ গৈছে।

## টাওন ক্লাব, গোলাঘাট চূড়ান্ত বিজয়ী, পৰশমণি শইকীয়া মেন অৱ দ্যা মেচ, বাৰ্গিজ হাজৰিকাৰ মেন অৱ দ্যা চিৰিজৰ খিতাপ; শ্ৰেষ্ঠ দললৈ নগদ ৫০ হাজাৰ

# গোলাঘাটৰ থ্ৰি আৰৰ উদ্যোগত সদৌ অসম প্ৰাইজমানি টেনিছ বল চেম্পিয়নশ্বিপৰ সফল সামৰণি




**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ জানুৱাৰী** ঃ থ্ৰি আৰ, গোলাঘাটৰ উদ্যোগত আৰু গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সহযোগত যোৱা ২৫ ডিচেম্বৰৰ পৰা গোলাঘাট ডি, আৰ কলেজ ফিল্ডত গাম্ভীৰ্যপূৰ্ণভাৱে আয়োজিত সদৌ অসম প্ৰাইজমানি টেনিছ বল ক্ৰিকেট চেম্পিয়নশ্বিপৰ আজি সফলতাৰে অন্ত পৰে। টাওন ক্লাব, গোলাঘাট আৰু মনোজ ৰেঞ্জাৰ, ক্লাবৰ আজি অনুষ্ঠিত হোৱা তুমুল প্ৰতিদ্বন্দ্বিতামূলক ফাইনেল খেলত টাওন ক্লাবে মনোজ ৰেঞ্জাৰ দলক ৫ উইকেটত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। টাওন ক্লাবৰ পৰশমণি শইকীয়াই চূড়ান্ত খেলৰ 'মেন অৱ দ্যা মেছৰ খিতাপ লাভ কৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে টাওন ক্লাবৰ বাৰ্গিজ হাজৰিকাই। গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক তথা থ্ৰি আৰৰ বিষয়ববীয়া মোস্তাক হুছেইনে পৰিচালনা কৰা বঁটা প্ৰদান অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈ, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞা, অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন উপ-সভাপতি পৰীক্ষিত দত্ত, জ্যেষ্ঠ সাংবাদিক চন্দন গগৈ, পশ্চিম গোলাঘাট শাখা সাহিত্যি সভাৰ সম্পাদক স্বাগতা বৰা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ আদি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিজয়ী দলক প্ৰাইজমানি নগদ ৫০ হাজাৰ টকা, বিজিত দলক নগদ ৩০ হাজাৰ টকা, প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈক নগদ ধন, ট্ৰফী আদি প্ৰদান কৰে। উল্লেখ্য যে, গোলাঘাটৰ তিনি জ্যেষ্ঠ সাংবাদিক মোস্তাক হুছেইন, সাৰাংগ তামূলী আৰু ইউনিছ আলিৰ তৎপৰতাত থ্ৰি আৰ নামেৰে ক্ৰীড়াৰ অনুষ্ঠান গঠন কৰি গোলাঘাটত দ্বিতীয় বাৰৰ সৰ্বাংগ সুন্দৰ ৰূপত প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰে। সাংবাদিক আফ্ৰিদা হুছেইনৰ পিতৃ চামছুল হুছেইনৰ সোঁৱৰণত প্ৰতিযোগিতাখনৰ বিজয়ী ট্ৰফীটো প্ৰদান কৰা হৈছিল ক্ৰিকেট দলটোক।

# জাঁজীৰ সাংবাদিক প্ৰসেনজিৎ গগৈলৈ 'সংবাদজ্যোতি বঁটা' সাহিত্য সভাৰ

**অসম বাৰ্তা, জাঁজী, ৭ জানুৱাৰী** ঃ শিৱসাগৰ জিলাৰ জাঁজীৰ জ্যেষ্ঠ সাংবাদিক প্ৰসেনজিৎ গগৈলৈ ২০২৫ বৰ্ষৰ 'সংবাদজ্যোতি বঁটা' প্ৰদান কৰিছে শিৱসাগৰ জিলা সাহিত্য সভাই। কালি ডিমৌৰ জ্যোতি- বিষ্ণু সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হোৱা শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ দ্বিতীয় দিনাৰ মুকলি সভাত সাংবাদিকতাৰ লগতে সাহিত্য ক্ষেত্ৰখনৰ উত্তৰণৰ কাৰণে কৰা কৰ্মৰ বাবে তেওঁলৈ এই বঁটা প্ৰদান কৰা হয়। দৈনিক জনমভূমি কাকতত জাঁজীৰ পৰা সুদীৰ্ঘ সময় সংবাদ সেৱা আগবঢ়োৱা গগৈ শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰো সভাপতি পদত অধিষ্ঠিত হৈ আছে। জাঁজী শাখা সাহিত্য সভাৰো দুটা কাৰ্যকালৰ বাবে সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি থকা গগৈয়ে অসমৰ বিভিন্ন আলোচনীত গল্প, কবিতা, প্ৰবন্ধ লিখাৰ উপৰি বহু আলোচনী সম্পাদনা কৰিছে। ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জয়সাগৰ সম্প্ৰসাৰণ কেন্দ্ৰত তেওঁ সমল ব্যক্তি হিচাপে পঞ্চায়ত প্ৰতিনিধি সকলক প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচীতো জড়িত হৈ আছে।

# নগাঁৱত ২০০৬ বৰ্ষৰ উত্তীৰ্ণ সতীৰ্থ-শিক্ষাগুৰুৰ পুনৰ্মিলন অনুষ্ঠান



**অসম বাৰ্তা, নগাঁও, ৭ জানুৱাৰী** ঃ ঐতিহ্যমণ্ডিত নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত শেহতীয়াকৈ ২০০৬ বৰ্ষৰ হাইস্কুল উত্তীৰ্ণ প্ৰাক্তন ছাত্ৰসকলৰ উদ্যোগত এক আন্তৰিক আৰু স্মৰণীয় পুনৰ্মিলন অনুষ্ঠান সফলভাৱে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাগুৰু সকল আৰু ২০০৬ বৰ্ষৰ উত্তীৰ্ণ সতীৰ্থসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ মৰ্যাদা প্ৰদান কৰে। প্ৰায় দুটা দশকৰ পিছত পুনৰ একে মঞ্চত সমবেত হোৱা সতীৰ্থসকলৰ মাজত উৎসাহ-উদ্দীপনা আৰু আবেগৰ পৰিবেশ পৰিলক্ষিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে শিক্ষাগুৰুসকলক একোখনকৈ হাতে বোৱা থলুৱা ফুলাম গামোচাৰ লগতে স্মৃতিচিহ্ন, একোখন কিতাপ আৰু একোটা জাপিৰে সম্বৰ্ধনা জনোৱা হয়। শিক্ষাগুৰুসকলে তেওঁলোকৰ স্মৃতিচাৰণ কৰি কৰ্ম জীৱনৰ দিনবোৰৰ কথা উল্লেখ কৰাৰ লগতে প্ৰাক্তন ছাত্ৰসকলৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে। অনুষ্ঠানত বক্তব্য আগবঢ়াই প্ৰাক্তন ছাত্ৰসকলে বিদ্যালয়খনৰ শিক্ষাগুৰুসকলৰ অৱদান স্মৰণ কৰি কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ লগতে বিদ্যালয়খনৰ গৌৰৱ আৰু ঐতিহ্য ৰক্ষা কৰাৰ সংকল্প ব্যক্ত কৰে। অনুষ্ঠানৰ অন্তত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত সমবেত ভোজন কাৰ্যসূচীৰে পুনৰ্মিলন অনুষ্ঠানৰ সফল সমাপ্তি ঘটে। এই পুনৰ্মিলন অনুষ্ঠানে সতীৰ্থসকলৰ মাজত পুৰণি বন্ধুত্বৰ সপোন পুনৰ জগাই তোলাৰ লগতে শিক্ষাগুৰু-ছাত্ৰ সম্পৰ্কক অধিক সুদৃঢ় কৰি তোলে বুলি অংশগ্ৰহণকাৰীসকলে মত প্ৰকাশ কৰে।

অসমীয়াৰ সাতাম পুৰুষীয়া পৰম্পৰাৰে পৰিচয় ছাত্ৰ ছাত্ৰীক

# মাজুলীৰ বনগাঁও শংকৰদেৱ শিশু বিদ্যা নিকেতনত চুঙা পিঠা উৎসৱ

**অসম বাৰ্তা, উজনী মাজুলী, ৭ জানুৱাৰী** ঃ মাজুলীৰ এখন ব্যতিক্ৰমী বিদ্যালয়। যিখন বিদ্যালয়ত বছৰটোৰ ভিন্ন সময়ত ছাত্ৰ-ছাত্ৰী সকলক জড়িত কৰোৱা হয় অসমীয়া বহু পৰম্পৰা আৰু সংস্কৃতিৰ লগত। এসময়ৰ অসমীয়া সমাজ জীৱনৰ অতীৱ অংগ স্বৰূপ আৰু সম্প্ৰতি নব প্ৰজন্মৰ পৰা ব্যৱধান বৃদ্ধি হোৱা সেই চহকী পৰম্পৰা আঘোনৰ পথাৰ দৰ্শন, চুঙা পিঠা, গৰুৰে মৰনা মৰা, ঢেঁকীত পিঠাগুৰি খুন্দা ইত্যাদিৰে সংপৃক্ত হোৱাৰ পৰিৱেশ নিৰ্মাণ কৰি অহা বিদ্যালয়খন হৈছে শংকৰদেৱ শিশু নিকেতন, বনগাঁও, মাজুলী। মাঘ বিহুৰ প্ৰাক মুহূৰ্তত বিদ্যালয় খনত আজিও অনুষ্ঠিত হোৱা চুঙা পিঠা উৎসৱে বিদ্যালয় চৌহদত সৃষ্টি কৰিছে এক উৎসৱ মুখৰ আৰু মধুৰ পৰিৱেশ কণকণ ছাত্ৰ-ছাত্ৰী সকলে নিজ হাতে চুঙাপিঠা প্ৰস্তুত কৰি পৰম্পৰাৰ স্বাদ অনুভৱ কৰিছে। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিয়মীয়াকৈ অনুষ্ঠিত কৰি অহা মধুৰ অনুষ্ঠানটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক অসমীয়া কৃষ্টি সংস্কৃতি, লোকপৰম্পৰাৰ সৈতে চিনাকি কৰোৱাৰ প্ৰয়াস কৰিছে। মাজুলীৰ এই ব্যতিক্ৰমী শিক্ষানুষ্ঠানখনিৰ ব্যতিক্ৰমী শিক্ষামূলক পদক্ষেপক শলাগ লৈছে অভিভাৱকসকলে। পাঠ্যক্ৰমৰ সীমা অতিক্ৰম কৰি ব্যৱহাৰিক শিক্ষাৰ এক অনন্য উদাহৰণ স্থাপন কৰিছে বনগাঁও শংকৰদেৱ শিশু বিদ্যা নিকেতনে। বিদ্যালয়খনৰ উদ্যোগত আয়োজন কৰা হৈছে এখন আকৰ্ষণীয় চুঙা পিঠা উৎসৱ। অসমীয়া কৃষ্টি-সংস্কৃতি, লোক পৰম্পৰা আৰু গ্ৰাম্যাঞ্চলত প্ৰচলিত পিঠা-পনা প্ৰস্তুত প্ৰণালীৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচিত কৰাৰ লক্ষ্যৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে নিয়মীয়াকৈ এনে অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। শিক্ষাৰ সৈতে সংস্কৃতিৰ সুন্দৰ সমন্বয় ঘটোৱা এই প্ৰচেষ্টা বিদ্যালয় কৰ্তৃপক্ষৰ এক প্ৰশংসনীয় পদক্ষেপ বুলি মত প্ৰকাশ কৰিছে অভিভাৱকসকলেও। ছাত্ৰ-ছাত্ৰী সকলক পাঠ্যপুথিৰ শিক্ষা প্ৰদানৰ সমান্তৰালকৈ জীৱন আৰু আদৰ্শৰ পাঠ শিকোৱাৰ প্ৰয়াস কৰিছে মাজুলীৰ বনগাঁও শংকৰদেৱ শিশু বিদ্যা নিকেতনে।

# ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, সোণতলী, ৭ জানুৱাৰী** ঃ অসমৰ আগশাৰীৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সংস্থা " লাইফ স্মাৰ্ট"ৰ উদ্যোগত আৰু জাহিদ এডুকেশ্বন ফাউণ্ডেশ্যনৰ সহযোগত জুবিন গাৰ্গৰ জীৱনী আৰু কৃতিত্ব আৰু জীৱন দৰ্শনৰ ওপৰত আয়োজিত ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰে। লাইফ স্মাৰ্টৰ অধ্যক্ষা নিশা শৰ্মাই এক বিশেষ সংবাদমেল যোগে এই ফলাফল ঘোষণা কৰে। ঘোষণা মতে, উচ্চ মাধ্যমিক পৰ্যায়ত "জুবিন গাৰ্গৰ জীৱনী আৰু কৃতিত্ব" বিষয়ত প্ৰথম স্থান লাভ কৰিছে বাক্সা জিলাৰ তামোলপুৰৰ কালিমা নাৰ্গিছে, দ্বিতীয় স্থান লাভ কৰিছে আলিটেঙনী উচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী ৰেজৱিন চুলতানাই আৰু গোলাঘাট জাতীয় বিদ্যালয়ৰ অংকিত বৰদলৈয়ে তৃতীয় স্থান লাভ কৰিছে। আনহাতে, মহাবিদ্যালয় পৰ্যায়ত- "জুবিন গাৰ্গৰ জীৱন দৰ্শন" বিষয়ত, প্ৰথম স্থান লাভ কৰিছে বৰপেটা St Teresa English Medium Schoolৰ ছাত্ৰী জেছমিন আহমেদে, দ্বিতীয় স্থান লাভ কৰিছে উদালী মহাবিদ্যালয়ৰ ছাত্ৰী চুমিয়া আকতাৰাই আৰু তৃতীয় স্থান লাভ কৰিছে Saltrbook Sr Secondary school Mirzaৰ ৰাকিবুল হকে। উল্লেখ্য, এই বঁটা সমূহ অহা ৯ জানুৱাৰী তাৰিখে কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত ডেকাচাঙত বোলছবি অভিনেত্ৰী মৌচুমী আলিফাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিছে।

চিকৰাজান ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন

# ডিগবৈৰ হোলোংহাবি চাহ বাগিচাত স্বাস্থ্যৱান শ্ৰমিক যোজনা' আঁচনি মুকলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ জানুৱাৰী** ঃ সোমবাৰে তিনিচুকীয়া জিলাৰ মাকুম, শদিয়া প্ৰমুখ্যে বিভিন্ন ঠাইত স্বাস্থ্য বিভাগৰ তিনিখনকৈ অভিলাষী আঁচনি মুকলি কৰাৰ পিছত আজি দ্বিতীয় দিনাও ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলে জিলাখনত এখন আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে এটা স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে পুৱা ডিগবৈৰ হোলোংহাবি চাহ বাগিচাত 'স্বাস্থ্যৱান শ্ৰমিক যোজনা' শীৰ্ষক এখন অভিলাষী আঁচনি উদ্বোধন কৰে। চাহ বাগিচা অঞ্চলত বসবাস কৰা জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ লগতে সুলভ আৰু মানসম্পন্ন স্বাস্থ্য সেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা এই 'স্বাস্থ্যৱান শ্ৰমিক যোজনা' শীৰ্ষক আঁচনিখন উদ্বোধন কৰি তেওঁ এই আঁচনিখন চাহ শ্ৰমিক সমাজৰ কল্যাণৰ বাবে গ্ৰহণ কৰা এক শক্তিশালী ব্যৱস্থা বুলি অভিহিত কৰে। ৰোগৰ প্ৰতিকাৰৰ একমাত্ৰ পথ হৈছে সুস্থ আৰু শৃংখলিত জীৱন যাপন কৰা বুলি উল্লেখ কৰি তেওঁ ভাষণত কয় যে, ৰোগৰ চিকিৎসাতকৈ নিৰোগী হৈ থকাটো বেছি গুৰুত্বপূৰ্ণ। স্বাস্থ্যবান বক্তি সমাজৰ সম্পদ। সেইবাবে আমি শাৰীৰিক ভাৱে সক্ৰিয় হৈ থাকিব লাগিব। স্বাস্থ্যবান হৈ থাকিলেহে অসমৰ মানুহ অৰ্থনৈতিক ভাৱে শক্তিশালী হৈ থাকিব বুলিও তেওঁ মত প্ৰকাশ কৰে। সেয়েহে প্ৰতিগৰাকী নাগৰিককে নিজৰ বাবে এঘণ্টা সময় আছুতীয়াকৈ ৰাখি যোগাভ্যাস, খোজ কঢ়া বা আন শাৰীৰিক অনুশীলনৰ অভ্যাস গঢ়ি তুলিবলৈ সভাত উপস্থিত ৰাইজক মন্ত্ৰী সিংহলে আহ্বান জনাই। ইয়াৰপিছতে তেওঁ ডিগবৈ বিধান সভা সমষ্টিৰে অন্তৰ্গত ফিল'বাৰীৰ চিকৰাজান ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। আজিৰ এই দুয়োটা অনুষ্ঠানত ডিগবৈ বিধান সভা সমষ্টিৰ বিধায়ক সুৰেন ফুকন, মৰাণ স্বায়ত্বশাসিত পৰিশদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ আদিকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# 'অসম বাৰ্তা কাকত'ৰ সাংবাদিক ৱাহিদ আলীক শিৱসাগৰ জিলাৰ সাহিত্য সভাৰ "সংবাদজ্যোতি বঁটা"

**অসম বাৰ্তা, গেলেকী, ৭ জানুৱাৰী** ঃ 'অসম বাৰ্তা কাকত'ৰ গেলেকীৰ নিয়মীয়া সাংবাদিক তথা গেলেকী প্ৰেছক্লাৱৰ সভাপতি ৱাহিদ আলীক শিৱসাগৰ জিলা সাহিত্য সভাই "সংবাদজ্যোতি বঁটা" প্ৰদান কৰিছে। জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প ডিমৌত অনুষ্ঠিত হোৱা শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিবেশনত এই বঁটা প্ৰদান কৰা হ'ল ৱাহিদ আলীক। উল্লেখযোগ্য যে বিগত কেইবাবছৰো ধৰি গেলেকী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ প্ৰতিটো দিশৰে বাতৰি কৰাৰ লগতে বহু সামাজিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে গেলেকী প্ৰেছ ক্লাৱৰ সভাপতি তথা সাংবাদিক ৱাহিদ আলীয়ে। ইয়াৰোপৰি কেইবাটাও বেচৰকাৰী সংস্থাৰ লগত জড়িত হৈ সমাজৰ পিছপৰা লোকৰ বাবে কাম কৰি আহিছে যুৱ সাংবাদিক ৱাহিদ আলীয়ে। যুৱ প্ৰজন্মক বিভিন্ন ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে আনকো উৎসাহিত কৰি আহিছে যুৱ সাংবাদিকজনে। এই বঁটায়ে পৰৱৰ্তী সময়ত সমাজখনৰ প্ৰতিটো দিশৰে কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহ যোগাব বুলি জনাইছে সাংবাদিকজনে।

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সপ্তম পক্ষী...

অসম বন্যপ্ৰাণী সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু চাপৰি এলেকাত এই পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে এই বিষয়ে প্ৰকাশ কৰে। পক্ষী গণনাৰ বাবে ১২৬খন বিলৰ সমীপত বন বিভাগৰ বিষয়া-কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে প্ৰায় ৭০ গৰাকী পক্ষী বিশেষজ্ঞই গণনাত অংশ লৈছে। বিগত বছৰৰ গণনাত উদ্যানখনত ১২৪টা প্ৰজাতিৰ মুঠ ১ লাখ ১২ হাজাৰ ৬২টা পক্ষী থকাৰ তথ্য পোৱা গৈছিল। চলিত বছৰত বান আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে কেইবাটাও বিল মেটেকাৰে ভৰি পৰিছে। ইয়াৰ ফলত কেইটামান বিলত পক্ষী গণনা কৰিব পৰা হোৱা নাই। অৱশ্যে পক্ষীবিদসকলে গণনাত কেইবাটাও দুষ্প্ৰাপ্য প্ৰজাতিৰ চৰাইৰ সন্ধান লাভ কৰিছে। ২ ফেব্ৰুৱাৰীত এই গণনাৰ ফলাফল ঘোষণা কৰা হ'ব।

# ছত্তিশগড়ত ৭ গৰাকী মহিলাসহ ২৬ জন...

সমাজলৈ উভতি আহিছে। এইসকলৰ মাজত ১৩ জনৰ মূৰত মুঠ ৬৪ৰ পৰা ৬৫ লাখ টকাৰ বাউণ্টি আছিল, যি মাওবাদী সংগঠনৰ বাবে এক বৃহৎ ধাক্কা বুলি বিবেচিত হৈছে। আৰক্ষীৰ মতে, ছত্তিশগড় চৰকাৰৰ 'পুনা মাৰ্গেম' (যাৰ অৰ্থ গোন্দী ভাষাত 'নতুন পথ') নামৰ পুনৰসংস্থাপন আৰু পুনৰুজ্জীৱন অভিযানৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই ন'লবাদীসকলে হিংসাৰ পথ ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। নিৰাপত্তা বাহিনীৰ অবিৰত চাপ আৰু চৰকাৰৰ নমনীয় 'আত্মসমৰ্পণ আৰু পুনৰসংস্থাপন নীতি'ৰ প্ৰতি আস্থা প্ৰকাশ কৰি তেওঁলোকে এই পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ আত্মসমৰ্পণ অনুষ্ঠানত উপস্থিত হোৱা প্ৰতিগৰাকী সদস্যক চৰকাৰী নীতি অনুসৰি তাৎক্ষণিকভাৱে ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। ইয়াৰ উপৰিও ভৱিষ্যতে তেওঁলোকক সম্পূৰ্ণ পুনৰসংস্থাপন, দক্ষতা বিকাশ প্ৰশিক্ষণ, সুৰক্ষা আৰু সম্মানজনক জীৱনৰ ব্যৱস্থা কৰা হ'ব বুলি আৰক্ষী অধীক্ষক কিৰণ চাৱনে সংবাদ মাধ্যমক জনাইছে। চাৱন গৰাকীয়ে লগতে অৱশিষ্ট মাওবাদীসকলক আহ্বান জনাই কয় যে, হিংসাৰ পথ ত্যাগ কৰি আত্মসমৰ্পণ কৰক আৰু উন্নয়নৰ মূলসুঁতিত যোগদান কৰক। চৰকাৰে তেওঁলোকক সুৰক্ষা, সম্মান আৰু নতুন জীৱনৰ নিশ্চয়তা প্ৰদান কৰিব। এই আত্মসমৰ্পণে ছত্তিশগড়ত মাওবাদী কাৰ্যকলাপ দুৰ্বল কৰাৰ ক্ষেত্ৰত নিৰাপত্তা বাহিনীৰ অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতি প্ৰতিফলিত কৰিছে আৰু অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# দৰঙৰ নতুন জিলা আয়ুক্তৰ দায়িত্ব ল'লে পূবালী গোহাঁই

**অসম বাৰ্তা, দেওমৰনৈ, ৭ জানুৱাৰী** ঃ বুধবাৰে দৰং জিলাৰ নতুন জিলা আয়ুক্তৰ দায়িত্ব গ্ৰহণ কৰে পূবালী গোহাঁই, এ চি এছ। জিলা সদৰত বিদায়ী জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী, এ চি এছৰ পৰা আনুষ্ঠানিকভাৱে দায়িত্ব লয়। বৰ্তমানৰ নিযুক্তিৰ পূৰ্বে পূবালী গোহাঁইয়ে অসম চৰকাৰ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল লগতে কাৰাগাৰ মহাপৰিদৰ্শক, অসমৰ অতিৰিক্ত দায়িত্বও পালন কৰিছিল। বিদায়ী জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী, এ চি এছ ক বদলি কৰি গোলাঘাট জিলাৰ জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।



শ্ৰদ্ধাঞ্জলি গ্ৰন্থ ‘কৃতসংকল্প পানীৰাম কলিতা’ উন্মোচন

# মাজুলীৰ বিশিষ্ট সমাজকৰ্মী পানীৰাম কলিতাৰ স্মৃতিচাৰণ অনুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, মাজুলী, ৭ জানুৱাৰী ঃ** মাজুলীৰ বিশিষ্ট সমাজসেৱক, প্ৰতিষ্ঠিত ব্যৱসায়ী পানীৰাম কলিতাৰ প্ৰথম বাৎসৰিক দিৱস উপলক্ষে আজি কমলাবাৰীৰ তেওঁৰ বাসগৃহত আয়োজিত এক স্মৃতিচাৰণ অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি গ্ৰন্থ ‘কৃতসংকল্প পানীৰাম কলিতা’ উন্মোচন কৰা হয়। পুৱাৰ ভাগত যথাবিধি বৈদিক কৰ্ম সম্পন্ন কৰাৰ পাছত বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত স্মৃতিচাৰণ তথা গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে কমলাবাৰীৰ ৰামধনু শাখা সাহিত্য সভাৰ সভাপতি তথা শ্ৰদ্ধাঞ্জলি গ্ৰন্থ সম্পাদনা সমিতিৰো সভাপতি ডিম্বেশ্বৰ দত্তই। শ্ৰদ্ধাঞ্জলি গ্ৰন্থৰ সম্পাদনা সমিতিৰ সদস্য প্ৰতাপ বৰুৱাই আঁত ধৰা সভাখনিত বিশিষ্ট অতিথিসকলক আদৰণি আৰু সম্ভাষণ জনায় পানীৰাম কলিতাৰ সহধৰ্মিণী, উদ্যোগী মহিলা ৰেণু কলিতাই, পুত্ৰদ্বয় গৌতম কলিতা আৰু উৎপল কলিতা, জীয়াৰী মীনাক্ষি কলিতা, পুত্ৰবধূ কৃপা দত্ত কলিতা আৰু নমিতা ৰাজখোৱা কলিতাই। অনুষ্ঠানৰ আৰম্ভণিতে পানীৰাম কলিতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই। মংগলাচৰণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ডলী বৰুৱাই। শিক্ষক অমৰজ্যোতি বৰাৰ দ্বাৰা সম্পাদিত শ্ৰদ্ধাঞ্জলি গ্ৰন্থ ‘কৃতসংকল্প পানীৰাম কলিতা’ উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, “বান-খহনীয়াত পৈতৃক ভেটি-সম্পত্তি হেৰুৱাই সৰ্বস্বান্ত হোৱা পানীৰাম কলিতাই পিতৃ গোলোক কলিতাৰ আদৰ্শ শিৰোগত কৰি লৈ কিমান কষ্ট আৰু সংগ্ৰামৰ মাজেৰে নিজকে প্ৰতিষ্ঠিত কৰি তুলিলে, সেই কথা ভাবিলে একেসময়তে আচৰিত হোৱাৰ উপৰি তেওঁৰ অধ্যৱসায়ৰ প্ৰতি গভীৰ শ্ৰদ্ধা ওপজে।” অনুষ্ঠানত পানীৰাম কলিতাৰ



ব্যক্তিত্ব আৰু আদৰ্শৰ বিষয়ে অৱলোকন কৰে শিক্ষাবিদ ভোলা বৰা, নৰনাথ হাজৰিকা, ড° আনন্দ হাজৰিকা, কিশোৰী মোহন পাল, ললিত শইকীয়া, যুগল হাজৰিকা আৰু মুনীন্দ্ৰ ভূএগই। সভাত পানীৰাম কলিতাৰ ভাতৃ বাপুৰাম কলিতা, শিক্ষাবিদ জিতেন্দ্ৰ নাথ ডেকা, শিশুমহীয়ান লোহিত বৰা, কৃষ্ণকমল শইকীয়া, অৰুণ কুমাৰ পাঠক, জগন্নাথ দুৱৰীয়া, প্ৰভাত বৰা বুঢ়াভকত, পদ্ম ভাগৱতী, দিবাকৰ শইকীয়া, খগেন হাজৰিকা, ধীৰেন বৰা, মায়াশ্ৰী ডেকা হাজৰিকা, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, ডিম্বেশ্বৰ ভূঞা, ৰাজীৱ দত্ত ভূঞা, দীপু বৰা, যদু কলিতা, মনোহৰ ব্যাস, উপেন শইকীয়া, জয়ন্ত দত্ত, সত্যজিৎ হাজৰিকা, বিনীতা ৰাজখোৱা ভূএগ, ৰুবী বৰা সভাপণ্ডিত, পৱিত্ৰ গোস্বামী, দীপক নেওগ, প্ৰাঞ্জল শইকীয়া, সীমান্ত বৰা, নীলকমল শইকীয়া, দুলাল ভূএগ, জয়ন্ত মাধৱ কলিতা প্ৰমুখ্য দ্বি-শতাধিক লোক উপস্থিত থাকে। সহধৰ্মিণী ৰেণু কলিতাই উপস্থিত সকলোকে কৃতজ্ঞতা জনাই বক্তব্য আগবঢ়ায়।

‘মুক্তি’ নামৰ গ্ৰন্থখনে সমাজলৈ এক ভাল বাৰ্তা কঢ়িয়াই আনিব; ভাৰ্গৱ মণি দাস, ড° ডালিমী কাকতি

# ‘নেমছু’ৰ উদ্যোগত ঢেকীয়াজুলি প্ৰেছ ক্লাবত ‘মুক্তি’ নামৰ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৭ জানুৱাৰী ঃ** উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ (নেমছু)ৰ উদ্যোগত আজি ঢেকীয়াজুলি প্ৰেছক্লাবত এখনি গ্ৰন্থ উন্মোচনী সভা সাফল্যৰ সৈতে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নেমছুৰ উদ্যোগত প্ৰস্তুত কৰা ‘মুক্তি’ শীৰ্ষক গ্ৰন্থখন শুভ উন্মোচন কৰে ঢেকীয়াজুলি লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ডালিমা কাকতীয়ে। অনুষ্ঠানত নেমছুৰ কেন্দ্ৰীয় সভাপতি বদৰুল ইছলামে ‘মুক্তি’ গ্ৰন্থখনৰ আৰৰ কথাখিনি প্ৰকাশ কৰি কয় যে সমাজত বিদ্যমান বিভিন্ন কুৰীতি, অসামাজিক কাৰ্যকলাপ আৰু অশিক্ষাৰ বিৰুদ্ধে সচেতনতা গঢ়ি তোলাৰ লক্ষ্যৰে এই গ্ৰন্থখন লিখা হৈছে। তেওঁ উল্লেখ কৰে যে শিক্ষাৰ পোহৰেৰে সমাজক আগবঢ়াই নিবলৈ নেমছু সদায়ে দায়বদ্ধ। আজিৰ উক্ত গ্ৰন্থ উন্মোচনী সভাত ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাস বিশেষ অতিথি হিচাপে উপস্থিত থাকে। তেওঁ বক্তব্যত বাল্যবিবাহ বন্ধ কৰা, শিশু শ্ৰমিক প্ৰথা নিৰ্মূল কৰা, মাদক দ্ৰব্য সেৱন পৰিহাৰ কৰা আৰু শিক্ষাৰ গুৰুত্ব সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। আৰক্ষী অধীক্ষক ভাৰ্গৱ মণি দাসে কয় যে সমাজৰ সুস্থ বিকাশৰ বাবে এই ধৰণৰ সচেতনতামূলক গ্ৰন্থ আৰু আলোচনা অত্যন্ত প্ৰয়োজনীয়। অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়ায় ঢেকীয়াজুলিৰ বিশিষ্ট সমাজকৰ্মী বেণুধৰ নাথে। লগতে নেমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ছাইদুল ইছলাম, ঢেকীয়াজুলি প্ৰেছক্লাবৰ সভাপতি ভগৱান বৈশ্য, নেমছুৰ নেতা




নাজমল হুছেইন ভূঞা, তেজপুৰ ন্যায়ালয়ৰ অধিবক্তা মাজাহাৰুল ইছলাম, নেমছুৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি আজনুৰ হুছেইনসহ সংগঠনৰ বহুতো নেতা-কৰ্মী আৰু সমাজৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ‘মুক্তি’ গ্ৰন্থখনত সমাজৰ পৰা কুৰীতি দূৰ কৰি শিক্ষিত, সচেতন আৰু সুস্থ সমাজ গঢ়ি তোলাৰ আহ্বান জনোৱা হৈছে। অনুষ্ঠানটোত উপস্থিত অতিথিসকলে এই ধৰণৰ সাহিত্যিক উদ্যোগে সমাজ পৰিবৰ্তনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। সদৌ শেষত নাজমল হুছেইন ভূঞাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি পেলায়।

বৰক্ষেত্ৰী উদ্ধাৰত নামিছে কাৰ্যকৰী সভাপতি ঋষিকেশ শৰ্মা

# ’২৬ৰ বিধানসভা নিৰ্বাচনক লৈ তৎপৰ অসম যুৱ পৰিষদ

**অসম বাৰ্তা দৌলাশাল, ৭ জানুৱাৰী ঃ** ’২৬ৰ অসম বিধানসভা নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে অসম গণ পৰিষদৰ নেতা ঋষিকেশ শৰ্মা। বিশেষকৈ নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিটো কংগ্ৰেছৰ পৰা উদ্ধাৰ কৰাৰ বাবে দিনে-নিশাই বৰক্ষেত্ৰী সমষ্টিৰ ভোটাৰৰ কাষত উপস্থিত হৈছে ঋষিকেশ শৰ্মাই। অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ কাৰ্যকৰী সভাপতি ঋষিকেশ শৰ্মাই বিগত দুটা বছৰ ধৰি বৰক্ষেত্ৰীৰ ৰাইজৰ সুখ, দুখৰ সমভাগী হৈ আহিছে। বিশেষকৈ সমষ্টিটোৰ যুৱচামৰ লগত থাকি যুৱপ্ৰজন্মক আগুৱাই নিয়াৰ পণ লৈ বিভিন্ন কাম-কাজ কৰি আহিছে। শেহতীয়াভাৱে বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অধিক তৎপৰ হৈ পৰিছে ঋষিকেশ শৰ্মা। একালত অসম গণ পৰিষদৰ দুৰ্গস্বৰূপ হিচাপে চিহ্নিত বৰক্ষেত্ৰী সমষ্টিটো কালক্ৰমত কংগ্ৰেছৰ দখললৈ যায়। কংগ্ৰেছৰ ডাঃ ভূমিধৰ বৰ্মনে সমষ্টিটোত একেৰাহে পোন্ধৰ বছৰ ধৰি শাসন চলায়। ২০১৬ চনত সমষ্টিটো বিজেপি মিত্ৰজোঁটৰ দখললৈ আহিছিল যদিও ২০২১ চনত পুনৰ কংগ্ৰেছৰ শাসনলৈ যায় বৰক্ষেত্ৰী। সম্প্ৰতি ডাঃ ভূমিধৰ বৰ্মনৰ পুত্ৰ দিগন্ত বৰ্মনৰ দখলত আছে সমষ্টিটো। একালৰ অগপৰ দুৰ্গস্বৰূপ সমষ্টিটো উদ্ধাৰত নাম পৰিছে আঞ্চলিকতাবাদী নেতা ঋষিকেশ শৰ্মাই। শেহতীয়াকৈ ভোটাৰ তালিকা বিশেষ সংশোধনীৰ জৰিয়তেই বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ হাজাৰ হাজাৰ সংখ্যালঘু লোকলৈ নিৰ্বাচনী আয়োগে জাননী জাৰি কৰাত আতংকিত হৈ পৰিছে চৰাঞ্চলৰ সংখ্যালঘু ৰাইজ। তেনে সময়তে সংখ্যালঘু ৰাইজৰ ওচৰত থিয় দিছে আঞ্চলিকতাবাদী নেতা ঋষিকেশ শৰ্মাই। অগপৰ যুৱ নেতাগৰাকীয়ে সংখ্যালঘু ৰাইজক ভীতিগ্ৰস্ত নহ’বলৈ আহ্বান জনায় বৈধ নথি পত্ৰ থকা কোনো ব্যক্তিৰে নাম কৰ্তন নহয় বুলিও আশ্বাস দিয়ে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়ত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ শুনানিত উপস্থিত থকা সংখ্যালঘু ৰাইজক সাহস দিয়াৰ উদ্দেশ্যেৰে ঋষিকেশ শৰ্মাই প্ৰতিদিনাই উন্নয়ন খণ্ডৰ কাৰ্যালয়লৈ আহি ভীতিগ্ৰস্ত ৰাইজৰ স’তে মত-বিনিময় কৰি ৰাইজক শংকিত নহ’বলৈ আহ্বান জনায়। ইতিমধ্যেই ভোটাৰ

ৰাজ্যিক ভিত্তিত ৰচনা, চিত্ৰাংকন প্ৰতিযোগিতা

# যোৰহাটৰ ছ্যুকাফা সমন্বয় ক্ষেত্ৰত মে-ডাম-মে-ফীৰ আয়োজন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৭ জানুৱাৰী ঃ** যোৰহাট পশ্চিম অঞ্চলৰ ম’হবন্ধাস্থিত স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰ (সমাজ)-এ বিগত বছৰবোৰৰ দৰে এইবছৰো ৩১ জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফী অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। সেই দিনা অন্যান্য কাৰ্যসূচীৰ লগতে ৰাজ্যিক ভিত্তিত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। সপ্তম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলে ৰচনা প্ৰতিযোগিতাত যোগদান কৰিব পাৰিব। ৰচনাৰ বিষয় ‘মে-ডাম-মে-ফী আৰু টাই আহোম সমাজ’। ১০ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাত অসমীয়া অথবা ইংৰাজী যিকোনো বিষয়তে ৫০০ শব্দৰ ভিতৰত ৰচনাখন লেখিব লাগিব। প্ৰথম, দ্বিতীয়, তৃতীয় স্থানপ্ৰাপ্তক মানপত্ৰৰ লগতে ক্ৰমে ৩, ২, ১০০০ নগদ টকা প্ৰদান কৰিব। কাকত সমিতিয়ে যোগান ধৰিব যদিও অন্যান্য সামগ্ৰীৰ লগতে অধ্যয়ন কৰি থকা শ্ৰেণীৰ প্ৰমাণপত্ৰ লগত আনিব লাগিব। অসমৰ যিকোনো এটা উৎসৱ বিষয়ক লৈ পঞ্চমৰ পৰা সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে দিনৰ ১০ বজাৰ পৰাই চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰয়োজনীয় সামগ্ৰীৰ লগতে অধ্যয়ন কৰি থকা শ্ৰেণীৰ প্ৰমাণপত্ৰ লগত আনিব লাগিব। পুৰস্কাৰৰূপে মানপত্ৰৰ লগতে প্ৰথম, দ্বিতীয়, তৃতীয় ক্ৰমে ৩, ২, ১০০০ টকা নগদ প্ৰদান কৰিব। আগ্ৰহীসকলে স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰ (সমাজ)-ৰ সৈতে সবিশেষ জানিবলৈ ফোন ৯৩৬৫৫-৬১৯৫৪, ৯৩৯৫৫-৯৬৪৭৫ত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# চতিয়াৰ উত্তৰ পাৰৰ ২ নং টঙীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাণনাথ পাতৰক বিদায় সম্বৰ্দ্ধনা

**অসমবাৰ্তা, নদুৱাৰ, ৭ জানুৱাৰী ঃ** বিশ্বনাথ জিলা চতিয়াৰ উত্তৰ পাৰৰ পূব নাগশংকৰ এলেকাৰ শিক্ষানুষ্ঠান ২নং টঙীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাণনাথ পাতৰে ২০২৫ বৰ্ষৰ ৩১ ডিচেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ লয়। অৱসৰ বেলাত প্ৰাণনাথ পাতৰক বিদায় সম্বৰ্দ্ধনা জনাবৰ বাবে ৭ জানুৱাৰী তাৰিখে বিদ্যালয় প্ৰাংগণত হনুপাম দৈনীপুখুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বকুল সূতৰ সভাপতিত্বত এখনি বিদায় সম্বৰ্দ্ধনা সভা অনুষ্ঠিত হয়। অনুষ্ঠানটিৰ আঁত ধৰে পূব নাগশংকৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জিতেন পাতৰে। বিদায় ক্ষণত প্ৰাণনাথ পাতৰক বিদালয়ৰ শিক্ষক-কৰ্মচাৰী, পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী, পৰিয়ালৰ তৰফৰ পৰা গামোছা, আৰনাই, কিতাপৰ টোপোলা, কলম, শৰাই, সম্বৰ্দ্ধনা পত্ৰ আদিৰে সম্বৰ্দ্ধনা জনায়। বিদায় সভাত বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি প্ৰদৰ্শিত হয়। বিদায় সভাত উপস্থিত থাকে ৪নং বৰপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ পাতৰ, চেলাইখাতি প্ৰাথমিক বিদ্যালয় প্ৰধানশিক্ষক দোলন দাস, ফুকনচাং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ ৰাজবংশী, সহকাৰী শিক্ষক চেনিৰাম বে, ডিপলোঙা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক প্ৰাঞ্জল নাথ, যুৱ লেখক সন্মান প্ৰাপ্ত শিক্ষক বিশ্বজিৎ সূত, বৰ্তমান বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰা প্ৰদীপ ৰাজখোৱা, বিদায়ী প্ৰধান শিক্ষকৰ সহধৰ্মিনী মকৰমনি পাতৰ, বৰ্তমান প্ৰধান শিক্ষকৰ সহধৰ্মিনী মনি ৰাজখোৱা, প্ৰাণনাথ পাতৰৰ পৰিয়ালবৰ্গ, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, টঙীয়াৰ ৰাইজ-আইমাতৃ, যুৱক-যুৱতীসকল। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ জুবিন গাৰ্গৰ ফটোৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডিম্বেশ্বৰ পাতৰে। চাকৰি জীৱনৰ গুণানুকীৰ্তন কৰি সকলোৱে মন্তব্য আগবঢ়ায়। বিদায়ী শিক্ষক প্ৰাণনাথ পাতৰে সকলোকে উদ্দেশ্যি নিজৰ কৰ্মজীৱনৰ কথাৰে বক্তব্য আগবঢ়ায় দুখত ভাগি পৰে। সভাপতিৰ বক্তব্যত বকুল সূতে শিক্ষা জীৱনৰ বহুমূলীয়া বক্তব্যৰে সকলোকে উপস্থিত থাকি সভাখন সৰ্বতো প্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ বাবে ধন্যবাদ জনায়। শেষত বৰ্তমানৰ প্ৰধান শিক্ষক প্ৰদীপ ৰাজখুৱাই শলাগ জ্ঞাপন কৰাৰ পাছতেই সভাৰ পৰিসমাপ্তি ঘটে।

# ৰূপহীহাটত পিষ্টলসহ গ্ৰেপ্তাৰ দুই; জব্দ বাইক

**অসম বাৰ্তা, ৰূপহীহাট, ৭ জানুৱাৰী ঃ** ৰূপহীহাট আৰক্ষীয়ে নিশা এক গোপন সূত্ৰৰ পম খেদি ঔঅনাত ডকাইতৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিযানত এএছ-১২-এএইচ-১৬৩৭ নম্বৰৰ বাইকৰ পৰা দুজন ডকাইতক গ্ৰেপ্তাৰ কৰে। ধৃত ডকাইত দুজন হল মোচ্ছাবিৰ আলী আৰু আব্দুল হাই। আৰক্ষীয়ে ডকাইত দুজনৰ পৰা এটি চীনত নিৰ্মিত .৩২ পিষ্টল, দুই জাই সজীৱ গুলি, এটা কাৰ্টিছ, এটা খুকৰি আৰু এটা মোবাইল ফোন জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত ডকাইত দুজনক জেৰা অব্যাহত ৰাখিছে।

# গোলাঘাটৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী অৰূপ কুমাৰ শৰ্মাৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ জানুৱাৰী ঃ** গোলাঘাটৰ বিশিষ্ট ব্যৱসায়ী, শৰ্মা গেছ এজেঞ্চিৰ স্বত্বাধিকাৰ, সমাজকৰ্মী অৰূপ কুমাৰ শৰ্মাৰ যোৱা নিশা আকস্মিক মৃত্যুক আঁকোৱালি লয়। তেওঁৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৪ বছৰ। পৰিয়ালৰ তৰফৰ পৰা জনোৱা মতে যোৱা নিশা আন দিনাৰ দৰে আহাৰ গ্ৰহণ কৰি বিছনালৈ যোৱাৰ সময়তে অসুস্থ অনুভৱ কৰাত পৰিয়ালৰ লোকে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰিছিল আৰু লগে লগে চিকিৎসা প্ৰদান কৰিছিল যদিও কিছু সময়ৰ পিছতে তেওঁ মৃত্যুক সাৱতি লয়। শৰ্মাই মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা সন্তানসহ বৃহৎ পৰিয়ালক এৰি থৈ গৈছে। প্ৰয়াত অৰূপ কুমাৰ শৰ্মা গোলাঘাটৰ বহু সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁ গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ মুখ্য তোৰণখন তেওঁ প্ৰয়াত পিতৃ ক্ৰীড়াবিদ নিত্যানন্দ শৰ্মাৰ সোঁৱৰণত নিৰ্মাণ কৰিছিল। শৰ্মা গোলাঘাট এমেচাৰ থিয়েটাৰ চ’চাইটিৰ সদস্যৰূপে মৃত্যু পৰ্যন্ত জড়িত আছিল। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি আজি ইউনাইটেড চেম্বাৰ অৱ কমাৰ্চে তিনি ঘণ্টা সময় গোলাঘাটৰ ব্যৱসায়িক প্ৰতিষ্ঠান সমূহ বন্ধ ৰাখে। ইপিনে সকলোৰে প্ৰিয় লোকজনৰ মৃত্যুৰ খবৰ আজি পুৱাই বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধ তেওঁৰ বিপ্লৱী বীৰ শংকৰ বৰুৱা পথৰ বাসগৃহত সমৱেত হৈ অন্তিম শ্ৰদ্ধাঞ্জলি নিৱেদন কৰি শোক প্ৰকাশ কৰে। অৰূপ কুমাৰ শৰ্মাৰ মৃত্যুত নৰ্থ ইষ্ট ইনডেন ডিষ্টিবিউটৰ এচ’ছিয়েছনৰ সভাপতি সত্যব্ৰত বৰুৱা, প্ৰবীন হাজৰিকা, গোলাঘাট এমেচাৰ থিয়েটাৰ চ’চাইটিৰ সভাপতি ডাঃ অজিত বৰুৱা উপ- সভাপতি প্ৰদীপ মহন্ত, প্ৰশাসনীয় সম্পাদক দীপমনি খাটনীয়াৰ, সাংস্কৃতিক সম্পাদক উৎপল বৰুৱা, বিত্ত সম্পাদক মৃদুল কাকতি, গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সঞ্জীৱ সন্দিকৈ, ইউনাইটেড চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি কিশোৰ কুমাৰ দত্ত, সম্পাদক পৱন বাহেটি, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈ, সাধাৰণ সম্পাদক গিৰিণ বৰা, জ্যেষ্ঠ সাংবাদিক দ্বীপেন দত্ত, বিশিষ্ট পুথি প্ৰকাশক ক্ষীৰোদ কুমাৰ গোস্বামী, গোলাঘাট বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনী, গোলাঘাট টেনিচ ক্লাৱ, সমন্বয়, গোলাঘাট, আন্তৰিক, উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠী আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# এন.পি.এচ. আৰু ইউ.পি.এচ. বাতিলৰ দাবীৰে সৰুপথাৰত কৰ্মচাৰী পৰিষদৰ প্ৰতিবাদী সভা

**অসম বাৰ্তা, ধনশিৰি, ৭ জানুৱাৰী ঃ** অৱসৰী জীৱন সুৰক্ষিত কৰাৰ স্বাৰ্থত কৰ্মচাৰী পৰিষদে দীৰ্ঘদিন ধৰি এন.পি.এচ. আৰু ইউ.পি.এচ. ব্যৱস্থা বাতিল কৰাৰ বাবে অসম চৰকাৰৰ ওচৰত দাবী জনাই আহিছে আৰু বহু সময়ত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীও হাতত লৈছে। বুধবাৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান মৰ্মে সৰুপথাৰতো সাহিত্য সভা ভৱন প্ৰাঙ্গনত সৰুপথাৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উদ্যোগত গণ স্বাক্ষৰ অভিযানৰ লগতে এখনি প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাত সকলো বিষয়ববীয়াই এন.পি.এচ. আৰু ইউ.পি.এচ. ব্যৱস্থা বাতিল কৰি পুৰণি অ’.পি.এচ. ব্যৱস্থা প্ৰণয়ন কৰিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনাই। তেওঁলোকে কয় মন্ত্ৰী-বিধায়ক সকলে যদি পাঁচ বছৰ জনসাধাৰণৰ সেৱা কৰি অ’.পি.এচ. লাভ কৰিব পাৰে তেন্তে বছৰ বছৰ ধৰি জনগণৰ সেৱাৰ স্বাৰ্থত কাম কৰি থকা চৰকাৰৰ চালিকা শক্তি স্বৰূপ কৰ্মচাৰী সকলে কিয় অ’.পি.এচ. ব্যৱস্থা লাভ নকৰিব। সেয়েহে অতি শীঘ্ৰে এন.পি.এচ. আৰু ইউ.পি.এচ. ব্যৱস্থা বাতিল কৰি অসম চৰকাৰক পুৰণি অ’.পি.এচ. ব্যৱস্থা বাহাল ৰাখিবলৈ দাবী জনাই আৰু সকলোৱে স্বাক্ষৰ প্ৰদান কৰে। প্ৰতিবাদী সভাখনত কৰ্মচাৰী পৰিষদ সৰুপথাৰ আঞ্চলিকৰ বিষয়ববীয়া সকলৰ লগতে শতাধিক শিক্ষক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত চাৰিখন আঞ্চলিকৰ ভিতৰত ইতিমধ্যে দুখনে এই প্ৰতিবাদী সভাৰ কাৰ্যসূচী সম্পন্ন কৰিছে আৰু আগন্তুক ৮ আৰু ৯জানুৱাৰী তাৰিখে আন দুখন আঞ্চলিকে প্ৰতিবাদী সভা অনুষ্ঠিত কৰিব। আনহাতে আগন্তুক ১ফেব্ৰুৱাৰী তাৰিখে অসমৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীয়ে কলা বেজ পৰিধান কৰি অসমত এন.পি.এচ. ব্যৱস্থা প্ৰৱৰ্তন হোৱা দিনটো “কলা দিৱস” হিচাপে পালন কৰিব আৰু সেইদিনাই প্ৰতিখন জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত এন.পি.এচ. ব্যৱস্থা বাতিলৰ দাবীত “মটৰ চাইকেল ৰেলী” অনুষ্ঠিত কৰিব বুলি জানবলৈ দিয়ে।

# বিদ্যা ভাৰতী প্ৰান্তীয় খেল পৰিষদৰ ২০২৬ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া কেলেণ্ডাৰ চূড়ান্ত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ জানুৱাৰী ঃ** বিদ্যা ভাৰতী প্ৰান্তীয় খেল পৰিষদৰ ২০২৬ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া কেলেণ্ডাৰ চূড়ান্ত কৰাৰ উদ্দেশ্যে বুধবাৰে শিশু শিক্ষা সমিতি, অসমৰ কাৰ্যালয়ৰ সভাগৃহত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত খেল পৰিষদৰ সভাপতি সুবোধ বৰাই সভাপতিত্ব কৰে। বৈঠকত পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী, খেল পৰিষদৰ উপ-সভাপতি বিপুল চুতীয়া, ক্ষেত্ৰৰ কাৰ্যকাৰিণী সদস্য যোগেন্দ্ৰ সিং চিচোদিয়া, পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ সম্পাদক প্ৰাণজিত পূজাৰী, ক্ষেত্ৰীয় খেল প্ৰমুখ ৰঞ্জিত কুমাৰ শইকীয়া, প্ৰান্তীয় খেল প্ৰমুখ পবিত্ৰ গগৈৰ লগতে খেল পৰিষদৰ ২১ গৰাকী সদস্য উপস্থিত থাকে। প্ৰান্তীয় প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে, বৈঠকত ড° পৱন তিৱাৰীয়ে ক্ৰীড়া ক্ষেত্ৰৰ সামগ্ৰিক উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। বৈঠকত বিগত বৰ্ষত অনুষ্ঠিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ মূল্যায়ন কৰাৰ লগতে আগন্তুক বৰ্ষৰ যোজনা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। শেষত ২০২৬ বৰ্ষৰ বাবে প্ৰান্তীয় খেল পৰিষদৰ বাৰ্ষিক ক্ৰীড়া কেলেণ্ডাৰ সৰ্বসন্মতিক্ৰমে চূড়ান্ত কৰা হয়।

# ঢেকীয়াজুলিত পুনৰ কিশোৰী নিৰ্যাতনৰ অভিযোগ, অভিযুক্ত কিশোৰ আটক

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৭ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাত পুনৰ কিশোৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠাত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি এগৰাকী হিন্দু কিশোৰীৰ শৰীৰত অনুচিতভাৱে হাত দি নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে এগৰাকী মুছলমান সম্প্ৰদায়ৰ কিশোৰৰ বিৰুদ্ধে। এই ঘটনাক কেন্দ্ৰ কৰি কিশোৰীগৰাকীৰ পৰিয়ালে ঢেকীয়াজুলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। কিশোৰীৰ পৰিয়ালে দাখিল কৰা এজাহাৰৰ ভিত্তিত তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰি ঢেকীয়াজুলি আৰক্ষীয়ে অভিযুক্ত কিশোৰজনক আটক কৰিছে আৰু ঘটনাটোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, ঘটনাৰ সকলো দিশ সাৱধানে তদন্ত কৰা হৈছে আৰু আইনী প্ৰক্ৰিয়া অনুসৰি আগবঢ়া হৈছে। কিশোৰীগৰাকীৰ সুৰক্ষা আৰু ন্যায় নিশ্চিত কৰিবলৈ আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। এই ঘটনাই ইতিমধ্যে সমগ্ৰ অঞ্চলত উদ্বেগ আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে এনে ঘটনাৰ ক্ষেত্ৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে।

# বঢ়মপুৰ ক্লাৱ লীগ ক্ৰিকেটত ব্লাইট বাউঞ্চাৰ ক্লাৱৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা চতুৰ্থখন খেলত ব্লাইট বাউঞ্চাৰ ক্ৰিকেট ক্লাৱে জীয়াজুৰি টি টাইটানছ ক্ৰিকেট ক্লাৱক ৬৭ ৰাণৰ ব্যৱধানত পৰাজিত কৰে। নিৰ্ধাৰিত ৩০ অ’ভাৰত ব্লাইট বাউঞ্চাৰ ক্লাৱে ৯ উইকেটৰ বিনিময়ত ১৬৭ ৰাণৰ লক্ষ্য বান্ধি দিয়াৰ বিপৰীতে জিয়াজুৰি টি টাইটানছ ক্ৰিকেট ক্লাৱে ১৭-৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০০ ৰাণ কৰিবলৈ সক্ষম হয়। খেলখনত ব্লাইট বাউঞ্চাৰ ক্লাৱৰ আশিষ ঘোষে শ্ৰেষ্ঠ বেটছমেন আৰু শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰাৰ উপৰিও শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। অহা কালিলৈ পঞ্চমখন খেল ষ্টাইকাৰ ক্ৰিকেট ক্লাৱ আৰু ছানৰাইজাৰ্চ ক্লাৱৰ মাজত অনুষ্ঠিত হ’ব।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন